# শীতকালীন অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ২৫/১১/২০২৫ মঙ্গলবাৰ**

**আজি ইংৰাজী ২৫-১১-২০২৫ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ নেতৃত্বত ৯ঃ৩০ বজাৰ পৰা শীতকালীন অধিৱেশন ৰাষ্ট্ৰীয় সঙ্গীতৰে সদনৰ কাম কাজ আৰম্ভ কৰা হয়।**

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্যসকল চলিত বৰ্ষৰ বিগত কিছুদিনত কিছু দুখজনক খবৰে ৰাজ্যখনৰ বাতাবৰণ কিছু পৰিমানে ম্লান কৰিলে যদিও তাৰ মাজতে ভালেকেইটা আশাব্যঞ্জক বতৰাই জন-গনক উৎসাহিত কৰিলে সেইসকলৰ ভিতৰত অন্যতম আছিল —

**অসমৰ প্ৰাক্তন মন্ত্ৰী তথা প্ৰবীণ ৰাজনীতিবিদ** — আব্দুল জব্বৰ
**নাওবৈচা বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক** — সঞ্জয়ৰাজ চুব্বা
**প্ৰাক্তন বিধায়ক, বিশিষ্ট শিক্ষাবিদ তথা সমাজকৰ্মী** — ক্ষীৰোদ চন্দ্ৰ শইকীয়া
**বোকাজান বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বিশিষ্ট ৰাজনীতিবিদ** — মনছিং ৰংপি
**যশস্বী সংগীতশিল্পী তথা অসমীয়া জনজীৱনৰ সত্তা** — জুবিন গাৰ্গ

**<u>আব্দুল জব্বৰ</u>**

অসমৰ প্ৰাক্তন মন্ত্ৰী তথা প্ৰবীণ ৰাজনীতিবিদ আব্দুল জব্বৰ ডাঙৰীয়াৰ বিগত ৫ অক্টোবৰ তাৰিখে দেহাৱসান ঘটে । মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮২ বছৰ ।

প্ৰয়াত আব্দুল জব্বৰ ডাঙৰীয়াই ৰাজনীতিৰ ক্ষেত্ৰখনত আত্মপ্ৰকাশ কৰি ১৯৮৫ চনত ইউনাইটেড মাইন'ৰিটী ফ্ৰণ্ট চমুকৈ ইউ এম এফ দলৰ প্ৰাৰ্থীৰূপে দলগাঁও বিধান সভা সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল । পিছলৈ তেখেতে অসম গণ পৰিষদ দলক প্ৰতিনিধিত্ব কৰি একেৰাহে দুবাৰকৈ বিধায়ক হিচাপে সৰ্বমুঠ তিনিবাৰকৈ অসম বিধান সভালৈ নিৰ্বাচিত হোৱাৰ লগতে ৰাজ্যখনৰ কেবিনেট মন্ত্ৰীৰ আসনো অলংকৃত কৰিছিল । আব্দুল জব্বৰ ডাঙৰীয়াই বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত আজীৱন জড়িত থাকি সামাজিক দায়বদ্ধতাৰে বহু গুৰুদায়িত্ব পালন কৰি আহিছিল ।

এইগৰাকী প্ৰাক্তন মন্ত্ৰী তথা বিশিষ্ট সমাজসেৱকৰ বিয়োগত ৰাজ্যখনৰ সমাজ জীৱন তথা ৰাজনৈতিক ক্ষেত্ৰখনত এক অপূৰণীয় ক্ষতি হ'ল ।

**<u>সঞ্জয়ৰাজ চুব্বা</u>**

নাওবৈচা বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক সঞ্জয়ৰাজ চুব্বা ডাঙৰীয়াৰ যোৱা ১৭ জুন তাৰিখে দেহাৱসান ঘটে । মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৫ বছৰ ।

প্ৰয়াত সঞ্জয়ৰাজ চুব্বা ডাঙৰীয়াই ৰাজনীতিৰ ক্ষেত্ৰখনত আত্মপ্ৰকাশ কৰি ২০০৬

চনত নিৰ্দলীয় আৰু ২০১১ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে নাওবৈচা বিধান সভা সমষ্টিৰ পৰা সৰ্বমুঠ দুবাৰকৈ অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল । চুৰ্ব্বা ডাঙৰীয়াই আজীৱন বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি নিষ্ঠা তথা ঐকান্তিকতাৰে বহু গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰি আহিছিল ।

এইগৰাকী বিশিষ্ট ৰাজনীতিবিদৰ আকস্মিক বিয়োগত ৰাজ্যখনৰ সমাজ জীৱন তথা ৰাজনৈতিক ক্ষেত্ৰখনত এক অপূৰণীয় ক্ষতি হ'ল।

**<u>ক্ষীৰোদ চন্দ্ৰ শইকীয়া</u>**

প্ৰাক্তন বিধায়ক, বিশিষ্ট শিক্ষাবিদ তথা সমাজকৰ্মী ক্ষীৰোদ চন্দ্ৰ শইকীয়া ডাঙৰীয়াৰ চলিত বৰ্ষৰ ২৪ অক্টোবৰ তাৰিখে দেহাৱসান ঘটে । মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯৫ বছৰ ।

প্ৰয়াত ক্ষীৰোদ চন্দ্ৰ শইকীয়া ডাঙৰীয়াই নাহৰকটীয়া মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে কৰ্মজীৱনৰ পাতনি মেলি কৰ্মৰত হৈ থকাৰ সময়তে ভাৰতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থিত্ব লাভ কৰি ১৯৭২ চনত তদানীন্তন জয়পুৰ সমষ্টি অৰ্থাৎ বৰ্তমানৰ নাহৰকটীয়া বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল । পাছলৈ শইকীয়া ডাঙৰীয়াই ডিব্ৰুগড় মহকুমা পৰিষদৰ সভাপতি আদিৰ দৰে বিভিন্ন গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত হৈ থাকি জনসেৱাত ন্যস্ত আছিল । শইকীয়া ডাঙৰীয়াই জীৱনৰ বিয়লিবেলালৈকে টেঙাখাট অঞ্চলৰ বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ নিঃস্বাৰ্থভাৱে আৰু দায়বদ্ধতাৰে সমাজখনলৈ সেৱা আগবঢ়াই আহিছিল ।

এইগৰাকী প্ৰাক্তন বিধায়ক তথা নিষ্ঠাবান সমাজসেৱকৰ বিয়োগত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল ।

**<u>মনছিং ৰংপি</u>**

বোকাজান বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বিশিষ্ট ৰাজনীতিবিদ মনছিং ৰংপি ডাঙৰীয়াৰ বিগত ৩০ জুলাই তাৰিখে দেহাৱসান ঘটে । মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৬ বছৰ ।

১৯৫৯ চনত জন্মগ্ৰহণ কৰা মনছিং ৰংপি ডাঙৰীয়াই ৮০ ৰ দশকত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত পৰিচালিত ঐতিহাসিক অসম আন্দোলনত এক শীৰ্ষস্থানীয় নেতা হিচাপে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল । অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতো ৰংপি ডাঙৰীয়াই চৰকাৰী চাকৰি গ্ৰহণ নকৰি জনসেৱাৰ মানসেৰে আঞ্চলিক ৰাজনীতিৰ সৈতে জড়িত হৈ পৰে আৰু স্বায়ত্বশাসিত ৰাজ্য দাবী আন্দোলনত জঁপিয়াই পৰি অগ্ৰণী ভূমিকা পালন কৰিছিল । আঞ্চলিক ৰাজনৈতিক দল স্বায়ত্বশাসিত দাবী সমিতি চমুকৈ এ এছ ডি চি দলৰ অন্যতম প্ৰতিষ্ঠাপক সদস্য ৰংপি ডাঙৰীয়াই দলটোক প্ৰতিনিধিত্ব কৰি ১৯৯১ চনত বোকাজান বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল । ৰংপি ডাঙৰীয়াই আজীৱন বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি দায়বদ্ধতা তথা নিষ্ঠা সহকাৰে সামাজিক উত্তৰণৰ হকে উল্লেখনীয় অৱদান আগবঢ়াই আহিছিল ।

এইগৰাকী নিষ্ঠাবান ৰাজনীতিক তথা বিশিষ্ট সমাজসেৱকৰ বিয়োগত ৰাজ্যৰ ৰাজনৈতিক ক্ষেত্ৰখনৰ লগতে সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল ।

**জুবিন গাৰ্গ**

মাননীয় সদন, বিগত কিছুদিন ৰাজ্যখনৰ সাংস্কৃতিক তথা সমাজ জীৱনৰ বাবে অতি দুৰ্যোগপূৰ্ণ সময় হিচাপে পৰিগণিত হৈছে। এই সময়ছোৱাতে আমি ৰাজ্যখনৰ ভালেকেইগৰাকী পুৰোধা শিল্পী-সাহিত্যিকক হেৰুৱালো । এনে বৰেণ্য শিল্পীসকলৰ ভিতৰত অন্যতম আছিল চিৰযুগমীয়া শিল্পী অসমীয়া জনজীৱনৰ সত্তা জুবিন গাৰ্গ ডাঙৰীয়া । যোৱা ১৯ ছেপ্তেম্বৰ তাৰিখে অতি আকস্মিকভাৱে অসমী আইৰ এইগৰাকী সুযোগ্য সন্তানে অকাল মৃত্যুক সাৱটি লয় ।

আই অসমীৰ বুকু উদং কৰি বৈকুণ্ঠধামলৈ মহাপ্ৰস্থান কৰা যুগনায়কজনাৰ অবৰ্তমানত ৰাজ্যবাসী আজিও শোকাকুল আৰু জুবিনবিহীন এই মহাশূণ্যতা অসমীয়া জাতিৰ বাবে অসহনীয় ।

১৯৭২ খ্ৰীষ্টাব্দৰ ১৮ নৱেম্বৰ তাৰিখে মোহিনী মোহন বৰঠাকুৰৰ ঔৰসত আৰু ইলি বৰঠাকুৰৰ গৰ্ভত মেঘালয় ৰাজ্যৰ তুৰাত জন্মগ্ৰহণ কৰা এইগৰাকী অমৰ শিল্পীৰ বিচিত্ৰ জীৱন শৈলী, সৃষ্টিশীল ব্যক্তিত্ব সমাজৰ বাবে চিৰঅনুকৰণীয় হৈ ৰ'ব ।

বাল্যকালত আনুষ্ঠানিক শিক্ষাৰ সমান্তৰালকৈ বাদ্যযন্ত্ৰ পৰিৱেশনৰ সম্যক জ্ঞান অৰ্জন কৰি অতিশয় মেধাৰ পৰিচয় দাঙি ধৰি নিজৰ অক্লান্ত পৰিশ্ৰম তথা সৃষ্টিশীল চিন্তাধাৰাৰে সাংস্কৃতিক ক্ষেত্ৰখনত আত্মপ্ৰতিষ্ঠিত হোৱা জুবিন গাৰ্গ ডাঙৰীয়াই অতি কম সময়ৰ ভিতৰতে অসম আৰু অসমীয়াৰ সত্তাৰূপে পৰিগণিত হৈছিল ।

শিল্পজগতত প্ৰথমে বাদ্যযন্ত্ৰীৰূপে আত্মপ্ৰকাশ ঘটোৱা এইগৰাকী মহান শিল্পীয়ে পৰৱৰ্তী দিনত ঈশ্বৰপ্ৰদত্ত কণ্ঠশৈলী তথা অসাধাৰণ প্ৰতিভাৰ বলত সঙ্গীতৰ কোনোধৰণৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ নকৰাকৈয়ে জনশ্ৰুতি অনুসৰি ৪০ টা ভাষাত ৩৮,০০০ তকৈও অধিক গীতত কণ্ঠদান কৰি এক জীৱন্ত কিংবদন্তিত পৰিণত হৈছিল ।

সঙ্গীতৰ ক্ষেত্ৰখনত সহজলভ্য প্ৰায় সকলো ধৰণৰ বাদ্যযন্ত্ৰ পৰিৱেশন কৰাৰ দক্ষতা থকা এইগৰাকী মহান সত্তাই একেৰাহে কবি, শব্দযন্ত্ৰী, সঙ্গীত ব্যৱস্থাপক, গীতিকাৰ, সুৰকাৰ, অভিনেতা, সঙ্গীত পৰিচালক তথা চলচিত্ৰ পৰিচালকৰূপে সুদক্ষতাৰে আত্মপ্ৰতিষ্ঠিত হৈ এক অনন্য কীৰ্তি স্থাপন কৰি থৈ গৈছে ।

অসমীয়া, বঙালী আৰু হিন্দী ভাষাকে আদি কৰি বিভিন্ন ভাষাত প্ৰায় ৫০ খনতকৈ অধিক চলচ্চিত্ৰৰ সঙ্গীত পৰিচালনা কৰি সঙ্গীত পৰিচালক হিচাপে যুগজয়ী খ্যাতি ৰাখি জুবিন গাৰ্গ ডাঙৰীয়াই কেৱল মাত্ৰ ৫৩ বছৰ বয়সতে জাতীয় জীৱনলৈ যি অবিস্মৰণীয় অৱদান আগবঢ়াই গ'ল, সেইটোৱে যুগে যুগে নৱপ্ৰজন্মক অনুপ্ৰাণিত কৰি যাব ।

জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আৰু ড° ভূপেন হাজৰিকাৰ দৰে চিৰনমস্য শিল্পীসকলৰ উত্তৰসুৰী হিচাপে গণ্য কৰা এইগৰাকী মহান অসম সন্তানে ৯০ ৰ দশকত অসমীয়া সঙ্গীতক আধুনিকতাৰ নৱতম সংযোজনেৰে সংযোজিত কৰি সন্মোহনী সুৰ আৰু যাদুকৰী কণ্ঠৰে আবাল-বৃদ্ধ-বনিতা সকলোৰে অন্তৰত গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হৈছিল ।

অসমৰ বড়ো, কাৰ্বি, দেউৰী, মিচিং, ৰাভা, চাদ্ৰী, চাহ জনগোষ্ঠীয়, নেপালী,

ৰাজবংশী, তিৱা, গাৰো, নিছি, আপতানি বিভিন্ন জাতি-জনগোষ্ঠীৰ সুৰ-সঙ্গীতৰ অপূৰ্ব মিশ্ৰনেৰে জুবিন গাৰ্গ ডাঙৰীয়াই এক নতুন ধাৰাৰ সৃষ্টি কৰিছিল ।

বৰেণ্য শিল্পীসত্তা গৰাকীয়ে অসাধাৰণ সৃজনী শক্তি আৰু অবিৰত সাধনাৰে নতুন চিন্তা, নতুন কথা, নতুন অভিব্যক্তি আৰু নতুন সুৰেৰে অমিয়া লহৰ তুলি মহান মানৱতা সন্ধানৰ যি প্ৰয়াস কৰিছিল; সেইটোৱে সঙ্গীতক অধিক ঐশ্বৰ্য্যশালী কৰি তুলিছে ।

মানৱ জীৱন পৰিক্ৰমাৰ প্ৰতিক্ষণতে খাপ খাই পৰাকৈ উপলদ্ধ তেখেতৰ স্বৰচিত তথা পৰিৱেশিত গীতসমূহৰ ৰচনাশৈলী, গায়নশৈলী আছিল সুস্পষ্ট আৰু বিচিত্ৰ । তেখেতৰ ৰচিত আৰু কণ্ঠ নিগৰিত গীতসমূহে জাতীয় জীৱনৰ প্ৰতিটো মুহূৰ্ত প্ৰভাৱান্বিত কৰিবলৈ সক্ষম হৈছিল ।

সঙ্গীতৰ Humming ত বিশেষ ব্যুৎপত্তি থকা জুবিন গাৰ্গ ডাঙৰীয়াক তেখেতৰ মৃত্যুৰ ঠিক পিছতে বিশ্বপ্ৰসিদ্ধ Search Engine ‘Google’ এ ‘Humming King of the World’ হিচাপে উপলব্ধ কৰি ধৰাৰ চুকে-কোণে তেখেতৰ জনপ্ৰিয়তাৰ কথা প্ৰতীয়মান কৰে ।

ৰাজ্যবাসীৰ লগতে দেশবাসীৰ হৃদয় জয় কৰা জুবিন গাৰ্গ অকল এগৰাকী জনপ্ৰিয় গায়কেই নাছিল; তেখেত হৈছে অসমীয়া সঙ্গীত তথা শিল্পজগতৰ এক গৌৰৱময় সোণোৱালী যুগৰ নাম, অসম আৰু অসমীয়াৰ অন্তৰৰ কোঁহে কোঁহে অন্তৰ্নিহিত হৈ থকা এক সুৰীয়া কণ্ঠ, প্ৰাণসত্তা, জাতিৰ বলিষ্ঠ কণ্ঠ, অসমৰ এক আৱেগ তথা এটি পৰিচয়, কোটি কোটি জনতাৰ হৃদয়ৰ স্পন্দন আৰু অসমীয়া স্বাভিমানৰ অনন্য প্ৰতীক।

এইগৰাকী অসাধাৰণ প্ৰতিভাসম্পন্ন শিল্পীয়ে অসমীয়া চলচ্চিত্ৰ জগতখনলৈকেও অভূতপূৰ্ব বৰঙণি আগবঢ়াই গৈছে । কেৱল মাত্ৰ বিশ-একৈশ বছৰ বয়সতে **‘তুমি মোৰ মাথো মোৰ’** নামৰ কথাছবিখন পৰিচালনা কৰি অসাধাৰণ প্ৰতিভাৰ পৰিচয় দাঙি ধৰা এইগৰাকী মহান শিল্পীয়ে ভালেসংখ্যক অসমীয়া কথাছবি প্ৰযোজনা আৰু পৰিচালনা কৰি অসমীয়া চলচ্চিত্ৰ জগতখনক চহকী কৰি থৈ গৈছে । দৰ্শকে এলাগী কৰিবলৈ আৰম্ভ কৰা অসমীয়া কথাছবিৰ দুৰ্যোগপূৰ্ণ মুহূৰ্তত জুবিন গাৰ্গ ডাঙৰীয়াই সবল নেতৃত্বৰে আধুনিকতাৰ এক নব্য ধাৰাৰ ৰহন বুলাই দৰ্শকক অসমীয়া চলচ্চিত্ৰৰ প্ৰতি আকৃষ্ট কৰি চলচ্চিত্ৰ জগতখনক পুনৰ জীৱন দান কৰিছিল ।

হিন্দী চলচ্চিত্ৰ জগতত **য়া আলী, দিল তু হি বতা, জানে ক্যা চাহে মন** — আদিৰ দৰে ভালেসংখ্যক চিৰসেউজ গীতেৰে দেশৰ ভিতৰে-বাহিৰে সকলোকে মোহিত কৰি ৰখা গাৰ্গ ডাঙৰীয়াই ২০০৬ চনত মুক্তি লাভ কৰা ‘গেংষ্টাৰ’ নামৰ হিন্দী চলচ্চিত্ৰখনৰ **‘য়া আলী’** শীৰ্ষক গীতটোৰ বাবে **‘গ্লোবেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ড’** মহোৎসৱত ‘শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পী’ৰ বঁটা আৰু **‘ষ্টাৰডাষ্ট এৱাৰ্ড’**ত ‘নতুন আলোড়নকাৰী কণ্ঠ’ৰ বঁটা লাভ কৰে। ‘ইক’জ অৱ চাইলেন্স’ (Echoes of Silence) কথাছবিৰ সংগীত পৰিচালনাৰ বাবে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰেও সন্মানিত হোৱা গাৰ্গ ডাঙৰীয়া জীৱনকালত অগণন বঁটা ও সন্মানেৰে সন্মানিত হৈছিল ।

জুবিন গাৰ্গ ডাঙৰীয়াই দেশৰ অন্যতম অগ্ৰণী টেলিভিছন গোষ্ঠী Zee Group ৰ অন্তৰ্গত Zee Bangla য়ে আয়োজন কৰা **চা ৰে গা মা পা লিটল্ চেম্প্ছ**ত বিচাৰকৰ আসনত উপবিষ্ট হৈ থাকোতে প্ৰদৰ্শন কৰা পাৰদৰ্শিতাই তেখেতক বংগবাসীৰ মাজত অভাৱনীয় ভাৱে জনপ্ৰিয় কৰি তুলিছিল ।

জাতীয় চেতনাৰে উদ্বুদ্ধ এইগৰাকী মহান শিল্পীৰ স্বদেশপ্ৰেম অতুলনীয় আৰু

অনুকৰণীয় । অসাধাৰণ প্ৰতিভাশালী এইগৰাকী মহান শিল্পীয়ে দেশৰ সুপ্ৰতিষ্ঠিত সঙ্গীত শিল্পৰ জগতখনক এক অন্যতম শীৰ্ষস্থানত প্ৰতিষ্ঠিত কৰিবলৈ অৱকাশ লাভ কৰা সত্বেও জন্মভূমিৰ বাবে থকা আকুল স্নেহৰ বাবে আন প্ৰান্তলৈ আঁতৰি নগৈ মাতৃভূমিৰ হকে নিজকে উৎসৰ্গা কৰিছিল । শিল্পীগৰাকীৰ পিতৃয়ে কোৱা ধৰণেৰে — "জুবিনৰ প্ৰথম প্ৰেম গান আৰু অসম । গানৰ ক্ষেত্ৰত দৃষ্টিভঙ্গী বিশ্বজনীন, কিন্তু অসমীয়াৰূপে প্ৰবল জাতীয়তাবাদী । স্বদেশ স্বজাতিৰ দুৰ্দিনত তেওঁ সমদলৰ আগশাৰীত বিদ্যমান । উদাসীনতাৰে সুবিধাজনক দূৰত্বত অৱস্থান কৰাৰ পৰিৱৰ্তে তেওঁ জনতাৰ কাষত থিয় হয় ।"

মানৱতাবাদত বিশ্বাসী শিল্পীগৰাকীৰ উদাৰতা সৰ্বজনবিদিত । দৰিদ্ৰ নিপীড়িতজনৰ সেৱাত নিজকে উৎসৰ্গা কৰা জুবিন গাৰ্গ ডাঙৰীয়াই আৰ্তজনৰ হকে সৰ্বস্ব উজাৰি দিছিল ।

এইগৰাকী মহান সত্তাৰ প্ৰকৃতি আৰু প্ৰাণীকুলৰ প্ৰতি থকা প্ৰেম আছিল অতুলনীয় । প্ৰকৃতি সংৰক্ষণৰ হেতু অকুণ্ঠভাৱে মাত মতাতেই ক্ষান্ত নাথাকি নিয়মিত বৃক্ষৰোপণ, জীৱজন্তুৰ সংৰক্ষণ তথা প্ৰতিপালন আদিত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি প্ৰকৃতি ৰক্ষাৰ হেতু আত্মনিয়োগ কৰিছিল ।

জনপ্ৰিয়তাৰ চৰম শিখৰত আৰোহণ কৰা এই মহান শিল্পীগৰাকীৰ অকাল বিয়োগৰ বাতৰি প্ৰচাৰ হোৱা মাত্ৰকে শোকত ভাগি পৰা জনতা, সহস্ৰজনৰ হিয়াভগা ক্ৰন্দন, সমগ্ৰ বিশ্বকে আলোড়িত কৰা অভূতপূৰ্ব জন-সমাগম ইত্যাদিয়ে তেখেতৰ জনপ্ৰিয়তাৰ কথাকে প্ৰতীয়মান কৰে । দেশৰ প্ৰতিটো প্ৰান্ততেই গভীৰভাৱে সমাদৃত হোৱা জুবিন গাৰ্গ ডাঙৰীয়া বিশ্বৰ চুকে-কোণে সুপৰিচিত আছিল ।

মানৱসেৱা আৰু প্ৰকৃতিপ্ৰেমৰ মাজেৰে ঈশ্বৰৰ অস্তিত্ব বিচাৰি পোৱা এইগৰাকী মহান সত্তাই এক মহাশূণ্যতাৰ সৃষ্টি কৰি প্ৰকৃতিৰ শীতলবক্ষ সমুদ্ৰশয্যাত চিৰনিদ্ৰাত ঢলি পৰিল । অতি সহজ-সৰল জীৱন যাপন কৰা, নিৰহংকাৰী ব্যক্তিত্বৰ অধিকাৰী অসমৰ অমূল্য ৰত্ন জুবিন গাৰ্গ ডাঙৰীয়াই কায়িকভাৱে আমাৰ মাজৰ পৰা বিদায় ল'লেও তেখেতৰ অপূৰ্ব সৃষ্টিৰাজি সকলোৰে হৃদয়ত চিৰদিন সজীৱ হৈ থাকিব ।

যুগনায়ক গৰাকীৰ বিয়োগ দেশ তথা ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি । কৰুণাময় ঈশ্বৰে তেখেতৰ বিদেহ আত্মাক চিৰশান্তি প্ৰদান কৰক ।

ইয়াৰ লগতে দেশ তথা ৰাজ্যখনলৈ বিশেষ বৰঙণি আগবঢ়োৱা বহুগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটিছে । তেখেতসকল হ'ল ক্ৰমে ঃ—

ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ তথা বিশিষ্ট শিক্ষাবিদ — কমলেন্দু ভট্টাচাৰ্য্য
প্ৰবীণ মুক্তিযোদ্ধা — তীৰ্থ বৰুৱা
প্ৰবীণ মুক্তিযোদ্ধা — বিজয় চন্দ্ৰ বৰুৱা
তিৱা স্বায়ত্ত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্য্যবাহী সদস্য তথা বিশিষ্ট শিক্ষাবিদ — চিদাম দেউৰী
অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব — প্ৰফুল্ল শৰ্মা
গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ — পৰাণ কুমাৰ ফুকন
প্ৰথিতযশা সাহিত্যিক তথা বিশিষ্ট শিক্ষাবিদ — ড° বসন্ত কুমাৰ ভট্টাচাৰ্য্য
বৰেণ্য ইতিহাসবিদ তথা কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ — উদয়াদিত্য ভৰালী

আন্তর্জাতিক খ্যাতিসম্পন্ন পদাৰ্থ বিজ্ঞানী, বিশিষ্ট শিক্ষাবিদ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক — ড° দিলীপ কুমাৰ চৌধুৰী
লোককলাৰ সাধক - নাগাৰা নামৰ মহীৰূহ — ৰামচৰণ ভৰালী
যশস্বী নাট্যকাৰ, গীতিকাৰ, অভিনেতা তথা পৰিচালক — হেমন্ত দত্ত
যশস্বী সংগীতশিল্পী, অভিনেতা, ঘোষক তথা নাট্যকাৰ — চৈয়দ ছাদুল্লা
বিশিষ্ট চলচ্চিত্ৰ পৰিচালক তথা নাট্যকাৰ — অৰূপ বৰঠাকুৰ
আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক তথা সংগীত পৰিচালক — দীপক শৰ্মা
যশস্বী প্ৰযোজক, পৰিচালক তথা গীতিকাৰ — তিম'থী দাস হাঞ্চে
বিশিষ্ট চিত্ৰশিল্পী, আলোকচিত্ৰ শিল্পী, সুদক্ষ ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক তথা বিশিষ্ট অভিনেতা — চৌকত আলী
শাস্ত্ৰীয় সংগীতজ্ঞ, প্ৰখ্যাত বেহেলাবাদক তথা বিশিষ্ট শিক্ষাবিদ — সত্যকৃষ্ণ মিশ্ৰ
যশস্বী কবি তথা সাহিত্যিক — অনুভৱ তুলসী
বিশিষ্ট কবি, সাহিত্যিক — পৰাণ কুমাৰ বৰুৱা
প্ৰবীণ সাংবাদিক তথা সু-লেখক — বৈকুণ্ঠ নাথ গোস্বামী
বিশিষ্ট সাংবাদিক — কুন্তল চক্ৰৱৰ্তী
অসম আন্দোলনৰ সক্ৰিয় কৰ্মী তথা বিশিষ্টা সমাজকৰ্মী — বীণা ভট্টাচাৰ্য্য

অতি দুঃখ আৰু ব্যথিত হৃদয়ৰে আজি অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত এইসকল লোকৰ বিয়োগত শোক প্ৰকাশ কৰিছোঁ ।

এতিয়া, এই বৰেণ্য ব্যক্তিসকলৰ বিদেহ আত্মাৰ সদ্গতি তথা চিৰশান্তি কামনা কৰি থিয় হৈ ক্ষন্তেক সময় মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালোঁ ।

**( শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ অসম বিধান সভাৰ সচিব ডাঙৰীয়াই এই শোকপ্ৰস্তাৱৰ প্ৰতিলিপি প্ৰেৰণ কৰিব )**

**শ্ৰী দেৱব্ৰত শইকীয়া , বিধায়ক (নাজিৰা)ঃ-** ছাৰ জুবিন গাৰ্গৰ প্ৰসংগত আজি এটা **adjournment motion** আছিল। এই উদ্দেশ্যে ছাৰ, সদনত বাকী কাৰ্য্যসূচী দাখিল কৰি এই বিষয়ত আলোচনা বিচাৰি আপোনাৰ পৰা ৰায় বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ আমি ৪ খন Adjournment Motion ৰ তালিকা পাইছো। গতিকে এতিয়া সন্মানীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়া কিন্তু আজি বহুতো গুৰুত্বপূৰ্ণ বিষয় আছে। গতিকে জুবিন গাৰ্গৰ ক্ষেত্ৰ ত বাকী বিষয়বোৰ স্থগিত ৰাখি এই বিষয়টোৰ ওপৰত আলোচনাৰ প্ৰস্তাৱ দাঙি ধৰিছে কিন্তু মই ভাবো যে এই বিষয়টো আলোচনাৰ পিছত বাকী বিষয়বিলাকলৈ যাম। জুবিন গাৰ্গৰ ক্ষেত্ৰত Adjournment Motion বিৰোধীয়ে ডাঙি ধৰিছে, মই তাৰ Admissibility বিষয়ে কবলৈ LOP ক অনুৰোধ কৰিছো।
**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যদি আমি Admissibility ওপৰত আলোচনা কৰো তেতিয়া হ'লে পিছত সভা স্থগিত প্ৰস্তাৱৰ ওপৰত আলোচনা কৰিব

লগীয়া একো নাথাকিব। সেই মই আপোনাক অনুৰোধ কৰিম যে Adjournment Motion টো আপুনি গ্ৰহণ কৰক। কাৰণ এই বিষয়টো বহুত স্পৰ্শকাতৰ, গুৰুত্বপূৰ্ণ গতিকে মই নাভাবো যে এই বিষয়টোৰ Admissibility ৰ ওপৰত আলোচনা কৰিব লাগে। আমি অতি গভীৰ হৃদয়ৰ সৈতে সদনত অনুৰোধ কৰিম যে প্ৰশ্নকালীন ঘন্টা আদি বাকী কাম হৈ থাকিব, ইমান জৰুৰী নহয়, গতিকে Adjournment Motion টো প্ৰথমে আলোচনা হওঁক। কিন্তু মই আপোনাক এটাই অনুৰোধ কৰিম যে আজিৰ সদনত চাহ বাগানৰ শ্ৰমিকক ভূমিৰ পট্টাৰ অধিকাৰ দিয়াকে ধৰি কেইবাখনো ঐতিহাসিক বিধেয়ক আহিছে গতিকে Adjournment Motion টো আলোচনা কৰাৰ পিছত যাতে সেই আইন কেইখন সদনত দাখিল কৰিবলৈ আপুনি আনুমতি দিয়ে, ইয়াৰ লগতে supplementary demand আছে যদি এইবোৰ পাচ নহয় তেতিয়া হলে ১ তাৰিখৰ পৰা বহুতো কৰ্মচাৰীয়ে দৰমহা নাপাব। গতিকে Adjournment Motion ৰ আলোচনাৰ পিছত আপুনি আমাক বিল খিনি আৰু supplementary demand খিনি সদনত দাখিল কৰাৰ বাবে অনুমতি দিব লাগে। Adjournment Motion যিমান সময় আলোচনা হয় আমি সদনত থাকিম তাত কোনো আপত্তি নাই।

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদন, সদনে একমতত উপনিত হোৱাৰ পিছত আমাৰ কোনো কবলগীয়া নাথাকে কিন্তু মই এটা অনুৰোধ কৰিম যে আমি সদনৰ বাকী বিষয়বিলাক স্থগিত কৰিলো ইয়াৰ ভিতৰত আমাৰ কেইখন মান বিল আলোচনাৰ বাবে দৰকাৰ আছে। সেয়েহে আমি Adjournment ৰ ওপৰত যিহেতু আলোচনা কৰিব বিচাৰিছো দুইটা পক্ষই আৰু আমি সেইটো আলোচনা কৰাৰ পিছত বিলবোৰ উত্থাপন কৰিম যাতে আমি সময়ত এই বিলবোৰ আলোচনাৰ বাবে লব পাৰিম।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয় এই Adjournment Motion ত আমাৰ চৰকাৰী পক্ষই কোনো বক্তব্য নাৰাখে, সেয়েহে আপুনি আমাক সময় নিদিলেওঁ হব আমি অকল উত্তৰহে দিম। বিৰোধী পক্ষই যিমান সময় লয় তাত আমাৰ কবলগীয়া নাই, চৰকাৰৰ ফালৰ পৰা মাত্ৰ বিৰোধীৰ আলোচনাৰ উত্তৰ দিব। গতিকে আপুনি বিৰোধী পক্ষক যেনেকৈ সময় দিয়ে সেইটো আপোনাৰ আৰু বিৰোধী পক্ষৰ মাজৰ কথা। কিন্তু বিৰোধীয়ে যিমান ক'ব সিমানে আমাক উত্তৰ দিবলৈ আপুনি সময় দিব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ মই এটা কথা জনাই থব বিচাৰো যে জুবিন গাৰ্গৰ বিষয়টো আলোচনা হোৱাটো ময়ো বিচাৰো, কিন্তু বিষয়টোৰ কিছুমান অংশ Sub-judice হৈ আছে, তদন্ত কমিটি গঠন কৰিছে, সেয়েহে সেই ক্ষেত্ৰত যাতে কোনো Interfere বা Influence জাতীয় কথা নকয়। আৰু যি তদন্ত চলি আছে তাত যাতে কোনো ব্যাঘাট নহয়। এতিয়া সন্মানীয় LOP।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ আমাৰ সভা স্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰাৰ বাবে আপোনাক ধন্যবাদ জনাইছো। যোৱা ১৯ চেপ্তেম্বৰ ২০২৫ তাৰিখে আমি BTR ৰ নিৰ্বচনী প্ৰচাৰত ব্যস্ত থকাৰ সময়ত আমি এটা অপ্ৰত্যাসিত খবৰ পালো আৰু যিটো খৱৰে আমাৰ সকলোৰে অন্তৰত গভীৰ চাপ পেলালে আৰু গোটেই অসমে এতিয়াও জুবিন গাৰ্গৰ মৃত্যুত মুখ্যমন্ত্ৰীয়ে তদন্তৰ প্ৰাৰম্ভনিতে বা Chargsheet সম্পূৰ্ণ হোৱাৰ আগতে হত্যাকাণ্ড বুলি Confirm কৰিলে। তাৰ ফলত কোনে কিয় কৰিলে সেই কথাখিনি জানিবলৈ আজি গোটেই অসমে আগ্ৰহেৰে বাট চাই আছে আৰু পৰিয়ালেও justice for Zubeen বুলি

প্ৰতিদিনে সামাজিক মাধ্যমত দি থকা দেখা পাইছো। মহোদয় জুবিন গাৰ্গৰ বিষয়ে আপুনি যিখিনি অৱগত কৰালে সেইখনি আমাৰ বিধান সভাৰ Proceedings ত লিপিবদ্ধ হব। জুবিন গাৰ্গে সৰুৰে পৰা গান গোৱা বুলি আমি গম পাওঁ। কৰিমগঞ্জত সৰুকালৰ ফটো ওলাইছে বুলি আমি গম পাওঁ, তেখেতৰ স্কুলীয়া দিনৰ। যিটো সময়ত হতাশাৰ যোৱাৰ আহিছিল, যি সময়ত অসমৰ যুব প্ৰজন্মই দিশ-বিদিশ হেৰুৱাব লগা হৈছিল, বহুতে ক'ত যাম ক'ত নাযাম চিন্তা কৰিছিল। অসমৰ সময় অসস্তীৰ আছিল ৯০ দশকত, ধৰ্মঘট আন্দোলন, বিচিন্নতাবাদ, Bomb blast আদিয়ে অসমখন চানি ধৰিছিল। ৬ বছৰীয়া অসম আন্দোলন আৰু আলফাৰ সশষ্ট্ৰ বিপ্লবে, অসমীয়াৰ ওপৰত যি খিনি সেনাবাহিনীৰ যি Search operation গাঁৱলীয়া আদি অঞ্চলত পুলিছ আৰু সেনাবহীনীয়ে সন্তাসবাদীৰ তালাচী কৰিছিল, Bomb blast তদন্ত কৰিছিল, সেইখিনি সময়ত আৰু তাৰ পৰবৰ্ত্তী সময়ত যুৱক-যুৱতী সকলৰ মাজত যি হতাশাৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল, ঠিক তেনে সময়তে জুবিন গাৰ্গৰ গান হৈ পৰিছিল নবপ্ৰজন্মৰ বাবে এক মহা ঔষধ। তেখেতৰ কথা বতৰা, গান চিনেমা হৈ পৰিছিল উঠি অহা চামৰ আশাৰ বতৰা। জাতীয়তা বাদী আছিল জুবিন আৰু সেয়েহে অসমক ভাল পাই বাবে Bombay ৰ পৰা ওভতি আহিছিল। আৰু তেখেতে কৈছিল যে মোক যদি কোনোবাই বিচাৰে তেতিয়া হ'লে অসমলৈ আহিব লাগিব। সকলোৰে মুখত তেখেতে হাঁহি আনিবলৈ চেষ্টা কৰিছিল, বহুতে তেখতক উপলুঙা কৰিছিল যে খাৰঘুলিৰ ঘৰটোৰ পৰা তেখেতেটো নো কাক কি দিছে। কিন্তু তেখেতে কৈছিল যে চাবলৈ আহিবলৈ কবি যে মই কিমান দুখীয়া, শিক্ষাৰ্থী আৰু ৰুগীয়া মানুহক সহায় কৰো। ঠিক তেনেকৈ ২০০৮ চনত যেনেকৈ যেতিয়া গুৱাহাটীত বোমা বিস্ফোৰণ হৈছিল য'ত বহু মানুহৰ প্ৰান হানী হৈছিল সেইখিনি সময়টো তেখেতে সাহস কৰি গণনাত্ব সংঘৰ জৰিয়তে এটা সৰ্ব বাহিনী গঠন কৰি এনেকুৱা বিস্ফোৰণ বা কুটাঘাত মূলক কৰ্মৰ বিৰোধে প্ৰতিবাদ কৰিছিল। তেওঁ আছিল এক বিদ্ৰোহী আৰু প্ৰতিষ্ঠান বিৰোধী, গান তেওঁ গাইছিল আৰু তেনেকুৱা এক স্বনাম ধন্য এক অসমীয়া গায়কক অনুষ্ঠানৰ আয়োজকে অপমান কৰাৰ বাবে আমি হাঁহিছিলো, কিয় তেওঁ বিজুলি খুটাত উঠিছিল। তেখেতে CAA প্ৰতিবাদ এক অভিনৱ পন্থাৰে কৰিছিল, তেখেতৰ এটা গান CAA লক্ষ্য কৰি গাইছিল আৰু তেখেতে এই গানটোৰ জৰিয়তে অসমৰ পুঁজি পতি সকলে অসমৰ খেতি মাটি দখল কৰি ৰাইজক ভুমিহীন কৰা বিপক্ষে গাইছিল বুলি আমি গম পাওঁ, তেখেতৰ বিভিন্ন লিখনিৰ পৰা অসমীয়া জাতিটোক তেখেতে চাইকেলৰ চকাৰ লগত তুলনা কৰিছিল আৰু চাইকেলৰ যেনেকৈ বিভিন্ন ষ্পক থাকে ঠিক তেনেদৰে অসমৰ বিভিন্ন জাতি জনগোষ্ঠীক লৈ গান গাইছিল আৰু তেওঁলোকৰ পোচাক পৰিধান কৰিছিল। অসমীয় গামোচা তেখেতৰ লগতে আছিল যাৰ জৰিয়তে তেওঁৰ জাতিয়তাবাদী পৰিচয়টো দাঙি ধৰিছিল। যিটো সময়ত নাগৰিকত্ব সংশোধনী আইন আহিছিল সেই সময়ত তেওঁ লিখিছিল যে মোৰ জীৱিত কালত CAA আমি কেতিয়াও নামানো লগতে সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰীলৈ এখন পত্ৰ লিখিছিল বুলি আমি গম পাইছো বহুতে কয় যে বৰপেটাকে ধৰি নামনি অসমলৈ গলে অসমত থকাৰ নিচিনা নালাগে। সেই জুবিন গাৰ্গ জাতীয়তাবাদী জনে কলগাছীয়া গস্থ মেলাত গৈছিল, তাত ফুটবল খেল খেলিছিল আৰু ইয়াৰ যোগেৰে তেওঁৰ মনত অসমৰ যিটো ধাৰণা, সেইটো দি গৈছিল।

এই ব্যক্তিজনৰ যেতিয়া মৃত্যু হ'ল। তাৰ পিছত বিভিন্ন ধৰণৰ কথা সন্মুখলৈ আহিলে। অৱশ্যে এতিয়া কিছু কথা লাহে লাহে মানুহৰ মনৰ পৰা নাইকিয়া হৈ যোৱাৰ নিচিনাও দেখা পাইছো। বহুতে সেই কথাবিলাক পাহৰি গ'ল কাৰণ public memory is very short বুলি

কয়, সেই গতিকে লাহে লাহে সেইবিলাক মানুহ মণৰ পৰা নাইকিয়া হৈছে।

æÃÕò á±áçÁ North East Festival ত অংশ গ্ৰহণ কৰিবৰ বাবে ছিংগাপুৰলৈ যাবৰ বাবে বাধ্য কৰা হৈছিল নে? তেওঁ স্ব-ইচ্ছাৰে গৈছিল? ইয়াৰ উত্তৰো অসমৰ ৰাইজে পোৱা নাই। কাৰণ তেওঁ কাৰোবাক কাৰোবাক কৈছিল মোৰ চিনেমা এখন মুকলি কৰিবলগীয়া আছে, মোৰ কামৰ হেচা। কিন্তু মই যদি ছিংগাপুৰলৈ নাযাওঁ কোনোবা এজন organizer য়ে চুইচাইড কৰিব বুলি কৈছে নে? কিবা এটা কৈছিল বুলি কয়।

ঠিক তেনেকৈ তেওঁ সাধাৰণতে ভ্ৰমনলৈ গলে তেওঁৰ দলটো ডাঙৰ হয়। সেই সময়ত কিয় তেওঁৰ লগত কম মানুহক লৈ যোৱা হ'ল। উপযুক্ত সুৰক্ষা প্ৰদানৰ ক্ষেত্ৰত তেওঁক যিহেতু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা সময়ত কৈছিল যে জুবিন গাৰ্গৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি আছে। তেওঁক বিদেশত যোৱাৰ সময়ত নিৰাপত্তা দিয়া হ'ল নে নাই বা তেওঁক তাৰ embassy ৰ ফালৰ পৰা escort দিয়া হৈছিল নে নাই? কাৰণ তেওঁ যিটো অনুষ্ঠানলৈ গৈছিল, সেই অনুষ্ঠানটো আমাৰ অসমৰে সুযোগ্য সন্তান কেন্দ্ৰীয় মন্ত্ৰী এজনৰ তত্বাবধন থকা ভাৰতবৰ্ষৰ বৈদেশিক পৰিক্ৰমা ÷Laù ûpÕ±nÛýÃ-Laù ûpöÂ1î ÂÕ±nåÃá±ÔÂ1±ç ৬০ বছৰীয়া সৌহাদ্যপূৰ্ণ দ্বিপাক্ষিক মৌয়ত্ৰীৰ অনুষ্ঠান আয়োজন কৰিবলৈকে, এই অনুষ্ঠানটো অয়োজন কৰিছিল আৰু তাৰ যি অসম চৰকাৰৰ যোগদান লাগে বুলি এক High Commission of India in Singapore ৰে ও অসমৰ মাননীয় মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰাৰ কথা শেহতীয়াকৈ জ্ঞাত হৈছে।

ঠিক তেনেকৈ North East Festival ৰ উদ্যোক্তা শ্যামকানু মহন্তক চৰকাৰে কি অনুদান আগবঢ়াই আছিল, যদিও মুখ্যমন্ত্ৰী মহোদয়ে তেওঁ অপ-সংস্কৃতি কৰে, সেই গতিকে তেওঁক আমি নিদিও বুলি কৈছে। কিন্তু RTI কৰাৰ পিছতো অসমৰ বিভিন্ন বিভাগে এই তথ্য দিবলৈ অস্বীকাৰ কৰিছে।

এই কথাবিলাকত, যিখন SIT গঠন কৰিলে, SIT খনে এইবিলাক তদন্তৰ আওঁতালৈ আনিছে নে নাই? আৰু কোন কোন তালৈ গৈছিল, কোম্পানীৰ Director কোন আছিল? এই কোম্পানীটো ভাৰতৰ embassy বা External Affairs Ministry য়ে কেনেকৈ চয়নং কৰিলে। এই বিলাক কথাৰ বিষয়ত এতিয়াও কোনো তদন্ত হোৱা আমি গম পোৱা নাই। চৰকাৰে এই অনুষ্ঠানক এক বাণিজ্যমূলক অনুষ্ঠান ৰূপে গণ্য কৰি লৈছিল আৰু সেই বাবে কোটিৰ ঘৰত অনুদান আগবঢ়াইছিল নে অনুষ্ঠানটো অকল এটা North East ৰ culture দেখুৱাবলৈ এটা সাংস্কৃতিক অনুষ্ঠান কৰিছিল। যদি বাণিজ্যই উদ্দেশ্য আছিল তেতিয়া হলে বাণিজ্যৰ ক্ষেত্ৰত CII, PHDCI বা Finer ৰ দৰে যিবিলাকে ব্যৱসায় সকলৰ লগত তেওঁলোকৰ interest ৰ কাৰণে কাম কৰি থাকে, এই অনুষ্ঠানসমূহ তাত যুক্ত নকৰিলে। কোনোবা বিশেষ ব্যক্তিৰ দ্বাৰা ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় প্ৰভাৱিত হৈ এনে অনুষ্ঠান পৃষ্ঠপোষকতা ৰূপে কাম কৰিছিল নেকি?

SIT যিখন গঠন কৰিলে, আমি দাবী কৰিছিলো, CBI ক দিব লাগে, কাৰণ যিটো international পৰিশৰত এটা হৈছে, সেই গতিকে CBI ইয়াৰ বাবে বেছি উপযুক্ত। যিহেতু তেওঁলোক partner of interpol, যিহেতু অসম চৰকাৰে CID ক দিলে আৰু CID ক দিয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে কলে পূঁজাৰ চুটি খাই আহক অপৰাধীসকলে, তাৰ পিছত আহিলেও হ'ব। পৰবৰ্তীসময়ত অৱশ্যে পূঁজাৰ পূৰ্বে তেওঁলোকে আহি হাজিৰ হ'ল। যিসময়ত দিল্লী আৰু গুৰগাঁৱত গেপ্তাৰ কৰিলে দুজনক, গেপ্তাৰ নে তেওঁলোকে আত্মসমাপৰ্ণ কৰিলে, সেই ক্ষেত্ৰতো

অসম আৰক্ষীয়ে স্থীতি স্পষ্ট কৰা নাই। যদিহে বহিঃৰাজ্যত গেপ্তাৰ বা কিবা কৰা হয়, immediately তেওঁলোকক nearest Magistrate ৰ ওচৰত transit event ৰ বাবে হাজিৰ কৰাব লাগে। সেইখিনি হ'ল নে নাই, আজিলৈকে স্পষ্টভাৱে কোৱা হোৱা নাই। SIT য়ে কিছু নিদিষ্ট লোককে জেৰা কৰিছে আৰু কেতবোৰ নিদিষ্ট লোকক বুদ্ধিজীৱি হিচাপে আমন্ত্ৰণ কৰি তদন্তৰ অগ্ৰগতিৰ সম্পৰ্কেও জনোৱা বুলি আমি গম পাইছো আৰু তদন্তৰ অগ্ৰগতিৰ সম্পৰ্কে এনেকৈ জনোৱাৰ বিষয়টোলৈ Supreme Court ৰ বিভিন্ন ruling আছে, য'ত এনেধৰণৰ কৰাটো হানিকাৰক বুলি কৈছে, তদন্তৰ বাধা বুলিও কোৱা হৈছে।

ঠিক তেনেকৈ এই তদন্তৰ বিষয়ে যিখিনি মানুহক দিয়া হ'ল। মৰণোত্তৰ পৰীক্ষাৰ কথা কোৱা হ'ল যে কোনোবাই গৈ চাবগৈ পাৰিব। পিছত CID অফিচৰ পৰা কোৱা হ'ল যে তাত বাধা আছে। মুখ্যমন্ত্ৰী মহোদয়ে এনেকুৱা ধৰণৰ বিভিন্নখিনি কথা কৈ আছিল। আমি বিচাৰিছিলো যে জুবিনৰ তদন্তটো পানী নসৰকা হ'ব লাগে আৰু আৰক্ষীৰ prosecution ৰ ক্ষেত্ৰত থকা আসোঁৱাৰ বাবে এই সদনতে কঠোৰ কঠোৰতম শাস্তি অৰ্নমাই বৰাৰ অপৰাধীক দিয়া হ'ব পিছতো কোৱোৰ পিছতে আজি তেওঁলোক মুক্ত আকাশৰ তলত আৰু যি judgement দিছে ন্যায়লয়ে কৈছে যে আৰক্ষীৰ ভুলৰ বাবে অৰ্ণমাই বৰাৰ ক্ষেত্ৰত যি চুৰান্ত অপৰাধ কৰিছিল, সেই অপৰাধী সকল আজি মুক্ত আকশৰ তলত।

আমি জুবিন গাৰ্গৰ অপৰাধী সকলৰ তেনেকুৱা হোৱাটো আমি নিবিচাৰিছিলো। সেই গতিকে Judical Supervision এটা বিচাৰিছিলো। কিন্তু অসম চৰকাৰে এখন এজনীয়া তদন্ত আয়োগ গঠন কৰিলে। আমাৰ হাতত থকা তথ্য অনুসৰি এনেকুৱা তদন্ত আয়োগৰ limitation আছে ২০০ কিলোমিটাৰ আৰু চৰকাৰী পৰিবহণ ব্যৱস্থা থাকিলে ৫০০ কিলোমিটাৰ। এনে ক্ষেত্ৰত ছিংগাপুৰৰ দৰে এখন বহিঃৰাষ্ট্ৰ, বোধকৰো কেইবা হাজাৰ কিলোমিটাৰ হ'ব। তেখেতসকলে এই ক্ষেত্ৰত কেনেকুৱা ধৰণৰ কাম কৰিব বা যিখিনি কাম SIT য়ে কৰি আছে, সেই কামখিনিও একেখিনি কামকে one man commission of enquiry য়ে কৰি আছে নেকি? সেই কথাখিনিও আমি স্পষ্টভাৱে গম পোৱা নাই। কাৰণ বাতৰি কাকতো যি terms of reference দিছিলে, সেইখিনি প্ৰায় এনেকুৱা কথা কয় অনুভৱ হয়।

আমি গোটেইবিলাক কথা যিহেতু আমাৰ সন্মুখলৈ আহিছিল, গতিকে আমি ভাৰতৰ ৰাষ্ট্ৰপ্ৰতি, গুৱাহাটী উচ্চ ন্যায়লয়ৰ ন্যায়াধীশ, মাননীয় মুখ্যমন্ত্ৰী, সকলোকে অনুৰোধ কৰিছিলো যে তদন্তটো যাতে সঠিক দিশত যায় তাৰ বাবে যেনেকুৱা ধৰণৰ পদক্ষেপ ল'ব লাগে, সেইখিনি ল'ব লাগে আৰু এই বিলাকৰ ক্ষেত্ৰত তেনেকুৱা ধৰণৰ বিশেষ সুফল নোপোৱাৰ বাবে আপোনালোকক অনুৰোধ কৰিছিলো এখন সদনৰ House Committee গঠন কৰি য'ত সৰ্বদল থাকিব যাতে নিৰপেক্ষ হয়। এই কামখিনি কৰাৰ ব্যৱস্থা কৰিব লাগে। যাতে যিখিনি over sight হৈছে বুলি ভৱা হয়, বাতৰি কাকতত বিভিন্ন কথা ওলাই আছে। আজি জুবিন গাৰ্গ যেতিয়া গৈছিলে, তিনি চাৰিদিনৰ কাৰণে যাওঁতে তেওঁৰ লগত কাপোৰ কানি লৈ গৈছিল, চুটকেচ লৈ গৈছিল। এতিয়া গম পোৱা গৈছে ২ মাহৰ পিছত সেই চুটকেচ forensic evidence ৰ কাৰণে সংগ্ৰহ কৰা হৈছে। ই এটা তদন্তৰ অভাৱ forensic evidence ঠিক মতে ৰখা নহলে ইজানো তদন্তৰ প্ৰভাৱ নেপেলাব, যাৰ যোগেদি দোষীক শাস্তি দিব পাৰিম।

ঠিক তেনেকৈ, তেওঁৰ মোবাইল ফোনটো বহুত দিনৰ মুৰত physically লোৱা হ'ল তাৰ আগতে সেই বিলাক কি কৰা হ'ল আৰু এজনৰ ঘৰ raid কৰিছিলে, বাতৰি কাকতত পোৱা

মতে। তেখেতৰ পৰিবাৰক সেই ঘৰত সোমাবলৈ দিয়া হ'ল। Sealed ঘৰত কেনেকৈ এইবিলাক সোমাবলৈ দিয়া হ'ল। raid সময়ত independent witness আছিল নে নাই? এই গোটেই বিলাক কথা বহুত বিপদমান হৈছে আৰু যিহেতু সদনৰ এটা দায়িত্ব আছে জুবিন গাৰ্গ এনে এজন ব্যক্তি যিজনে কৈছিল, কোনোবা কোনোবা দলে তেখেত ৰাজ্যসভালৈ যাবনে এই প্ৰস্তাৱ দিছিল। তেখেত কৈছিল মই ৰাইজৰ মাজত থাকিব বিচাৰো। তেখেতে নিজে কৈছে যে ৰাজা বোৰৰ মাজত থাকিব নালাগে, ৰাইজৰ লগত থাকিব লাগে। আমি ভাৱো আমাৰ mandate টো বেলেগ বেলেগ হলেও আমি সকলোৱে প্ৰজাৰ লগত আছো, আৰু যিহেতু এই সদনত প্ৰজাৰ বিষয়ে আলোচনা কৰিবলৈ হয়, জুবিন গাৰ্গে প্ৰজাৰ নেতা হিচাপে তেখেতে আমাৰ এই সংবিধানিক পৰম্পৰাৰ ভিতৰলৈ MLA, Minister or Member of Parliament হ'ব বিচৰা নাছিল। তেখেতে বিচাৰিছিল যে শিল্পী সদায় ৰাইজৰ লগত থাকিব লাগে। এই কথা তেখেতৰ বক্তব্যৰ মাজেৰে ওলাইছিল।

গতিকে মই আশা কৰিম এই গোটেই বিলাক বিষয়ৰ বাবে আপোনাক যিধৰণে প্ৰস্তাৱ কৰিছিলো, সদনৰ এখন House Committee গঠন হওঁক আৰু ইয়াৰ ক্ষমতা হওঁক সাখীক চমন জাৰি কৰা নথি পত্ৰ পৰীক্ষা কৰা, ছিংগাপুৰ চৰকাৰৰ সৈতে সমন্বয় স্থাপন কৰা, মৃত্যুৰ পৰিস্থিতি, চৰকাৰী তদন্ত পৰীক্ষা, ন্যায় প্ৰদানৰ বাবে পৰামৰ্শ, এই গোটেইবিলাক কৰিব লাগে।

আমি তেনেকুৱা নিজাকৈ আইনজ্ঞ নহয়, সেই গতিকে নিশ্চিত ভাৱে বিধান সভাই ভাল criminal justice system ৰ আইনজ্ঞ অৱসৰ প্ৰাপ্ত ন্যায়ধীশকো এই সমিতিক সহায় কৰিবলৈ দিব পাৰে আৰু সদনৰ যি ভাৰতীয় সংবিধানৰ অনুচ্ছেদ নং ১৫৪ অনুসৰি অসম বিধান সভাৰ এনে বিষয়ত House Committee গঠন কৰাৰ ক্ষমতা আছে। সেই গতিকে এই প্ৰস্তাৱৰ জৰিয়তে মই এই কথাখিনি উপস্থাপন কৰিলো আৰু আশা কৰো আমাৰ দাবীৰ প্ৰতি শাসকপক্ষে সহাৰি জনাব আৰু এখন House Committee গঠন কৰি জুবিন গাৰ্গে যাতে ন্যায় পায়, অসমৰ জনগনে ন্যায় পায়, তাৰ ব্যৱস্থা ল'ব।

লগতে তেখেতক মৰনোত্তৰ ভাৱে ভাৰতৰত্ন দিব লাগে বুলিও মই আজি আপোনাৰ জৰিয়তে শাসকপক্ষক অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ৰৈ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই খালী এটা শুধৰণি কৰি দিছো যে যিটো কথা ইয়াত কোৱা হৈছে অৰ্নমাই বৰাৰ অপৰাধীক ৰেহাই দিয়া হৈছে। মই খালী স্থিতিটো শুধৰণি কৰি দিছো - The Hon'ble High Court then unveiled the conviction of the accused Salimuddin of under section 201, 302 of IPC by granting vigorous imprisonment for life. মানে অৰ্নমাই বৰাৰ হত্যাকাৰী ৰেহাই পোৱা নাই। তেওঁক গুৱাহাটী উচ্চ ন্যায়লয়ে যাৱত জীৱন কাৰাদণ্ড দিছে, গতিকে সদনত যাতে record টো mis হৈ নায়ায়, record টো correct হৈ, সেই কাৰণে মই কথাটো জনাই থৈছো। মই ভাৱো যে আমি তদন্তকাৰী সংস্থাক নিয়মমতে ধন্যবাদহে দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ ডাঙৰীয়াৰ মহাপ্ৰয়ণৰ পৰৱৰ্তী কালছোৱাত অসমত যি বিষয়বিলাক বিশেষভাৱে চলিছে অসমৰ ৰাইজৰ মনৰ যি কথা সেই কথাকে আমি বিশেষভাৱে আজি চৰকাৰৰ দৃষ্টি আকৰ্ষণ আৰু চৰকাৰৰ

পৰা তাৰ বিষয়ে জানিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, জুবিন গাৰ্গ ডাঙৰীয়াই অসমৰ সমাজ জীৱনৰ বাবে কিমান কাম কৰিছে কি কৰিছে নিশ্চিতভাৱে আমি অৱগত আৰু জুবিন গাৰ্গ আজিও আমাৰ মাজত অমৰ আৰু যুগ-যুগান্তৰলৈ অমৰ থাকিব। তেখেতৰ সৃষ্টিৰাজি, তেখেতৰ নিজস্ব জীৱন শৈলী আৰু সমাজৰ প্ৰতি তেখেতৰ দায়বদ্ধতা আৰু দৰিদ্ৰ আৰু শ্ৰমজীৱি মানুহৰ সৈতে তেখেতৰ যি একাগ্ৰতা এই সকলোৱে প্ৰমাণ কৰিছে যে জুবিন গাৰ্গৰ যি ব্যক্তিত্ব আৰু ব্যক্তিত্বৰ বুদ্ধিসত্তা সেয়া কিমান বিৰল। জুবিন গাৰ্গ ডাঙৰীয়া সকলো শ্ৰেণীৰ মানুহৰ শিল্পী, যি সময়ত আটাইতকৈ দৰিদ্ৰ জনে যেনেকৈ জুবিন গাৰ্গৰ কাষত ঠাই পাইছে সেই সময়ত সমাজৰ সভ্য সকলেও জুবিন গাৰ্গৰ ওচৰত ঠাই পাইছে বা তেওঁলোকৰ লগতো তেখেতৰ সমান আৰু শ্ৰেণীৰ সৈতে তেখেতৰ যি সম্পৰ্ক তেখেতৰ যি আদানপ্ৰদান এই গোটেই খিনিয়ে আমাৰ সমাজক এটা অন্য স্তৰলৈ লৈ গৈছে আৰু আশা কৰিছো যে জুবিন গাৰ্গৰ মৃত্যু প্ৰসংঙ্গত যি বোৰ বিষয় উত্থাপন হৈছে সেই বিষয়বিলাকৰ প্ৰশ্নবিলাকৰ উত্তৰ সমূহ যদি আহে তেন্তে অসমৰ ৰাইজে এটা সঠিক ধাৰণা পাব যে আচলতে আমি অকালতে শিল্পী জনক কিয় হেৰুৱালো। মহোদয়, অসমৰ ৰাইজে বিচাৰিছে যে জুবিন গাৰ্গৰ হত্যা কেনেকৈ হ'ল? কাৰণ মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়টো হত্যা বুলি উল্লেখ কৰাতো আমি সংবাদ মাধ্যমৰ জৰিয়তে জানিব পাৰিছো, স্পষ্ট কৰিব লাগে, ইতিমধ্যে তদন্ত আয়োগ গঠন কৰা হৈছে আৰু কি কি প্ৰকাৰে তেখেত সকলে তদন্ত কৰি আছে এই বিষয়বিলাকো সদনত জনাব লাগে। মহোদয়, দেখা গৈছে যে SIT গঠন কৰাৰ পিছত SIT ৰ যি জনক হেড কৰি দিয়া হৈছে তেখেত মুন্না প্ৰসাদ, তেখেতে চিংগাপুৰলৈ গৈছে। এতিয়া আমাৰ প্ৰশ্নটো হ'ল যে SIT খনৰ investigating officer নাই নেকি? তেখেতে investigating officer নেকি যে তদন্তকাৰী বিষয়া কেৱল তেখেতেই নেকি? কাৰণ আমি জানো যে কোনো এটা ঘটনাৰ কোনো তদন্ত কৰিবলৈ হলে যি জন তদন্তকাৰী বিষয়া তেখেতে তাৰে responsible মানুহ আৰু তেখেত তদন্তত যাব লাগে কিন্তু জুবিন গাৰ্গৰ প্ৰক্ৰিয়াটো যিটো Place of Occurance সেই ঠাইলৈ মুন্না প্ৰসাদ ডাঙৰীয়া গৈছিল বুলি আমি জানিছো আৰু তদন্তকাৰী বিষয়া গৰাকী যোৱা নাই। কিন্তু এনেকুৱা হৈ আছে নেকি যে তদন্ত প্ৰক্ৰিয়াটো বৰ বিশেষ গুৰুত্ব সহকাৰে লোৱা নাই বা তদন্ত বিষয়টো সঠিক প্ৰক্ৰিয়াত আগবাঢ়ি থকা নাই নেকি, যি সময়ত জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰায় ৪০ দিন পিছতে Place of Occurance ত অসম আৰক্ষীৰ দল বা অসমৰ পৰা তদন্তকাৰী দল গৈছে। আমি দুখ তেতিয়াও পাইছিলো যেতিয়া জুবিন গাৰ্গ ডাঙৰীয়াৰ মৃত দেহটো অসমলৈ অনাৰ কাৰণে এটা স্পেচিয়েল জেটৰ ব্যৱস্থা নহ'ল, তেখেতক জাহাজৰ মাল অনা ঠাইত লৈ অনা হ'ল, সেই সময়ত অসমৰ মানুহে দুখ পাইছে। দুখত ম্ৰিয়মান আছিল গোটেই সমাজখন। গোটেই অসমৰ যেতিয়া লাখ লাখ মানুহ ৰাজপথলৈ ওলাই আহিছিল তেতিয়া বিষয়া বিলাক কিন্তু চৰ্চা হোৱা নাছিল, কিন্তু আজি ক'ম, আজি কবই লাগিব কোৱাৰ সুযোগ ইয়াত পাইছো, আজি জুবিন গাৰ্গৰ দৰে এটা ব্যক্তি সত্বাক চিংগাপুৰৰ পৰা তেখেত্ৰ মৃতদেহটো যদি মালৰ লগত আনিব লাগে বস্তুৰ লগত আনিব লাগে তেতিয়াহ'লে চৰকাৰ খনে তেখেতৰ প্ৰতি কিমান সন্মান প্ৰদৰ্শন কৰিলে? সৎকাৰৰ আমি গোটেই ব্যৱস্থাপনা কৰিছো ব্যৱস্থাপনা আপোনালোকে জুবিন গাৰ্গৰ প্ৰতি সন্মান কিমান কৰিছে আমি নাজানো কিন্তু আপোনালোকে যে ভয়ত কৰিছে সেই কথা স্পষ্ট। যে অসমৰ হাজাৰ হাজাৰ যুৱক-যুৱতী যেতিয়া ৰাস্তাত নামি আহিছিল তেতিয়া আপোনালোকে দেখিছিল যে নাই পৰিস্থিতি বেলেগলৈ গৈ আছে। পৰিস্থিতি বেলেগলৈ

গৈ আছে যেতিয়া মানুহে প্ৰশ্ন কৰিছিল, ৰজা ঘৰীয়াৰ সৈতে জুবিন গাৰ্গক হত্যাকাৰী বুলি সন্দেহ কৰা মানুহৰ কি সম্পৰ্ক। ৰজাঘৰীয়া আজিলৈকে স্পষ্ট হোৱা নাই যি বিষয়বিলাক স্পষ্ট হ'ব লাগিব। ৰজা ঘৰীয়া মানুহৰ লগত তেওঁলোকৰ ইমান হলিগলি কিহৰ? যি সকলৰ ওপৰত আমাৰ ইমান সন্দেহ। ৰজাঘৰীয়া দলৰ প্ৰতি জুবিন গাৰ্গৰ মেনেজাৰৰ লগত সম্পৰ্ক কিহৰ? যি কথাবিলাকৰ স্পষ্ট উত্তৰ আজি বিচৰা হৈছে। আজি কোৱা যাব যে বিষয়টো আদালতৰ মজিয়াত আছে বিষয়টো তদন্তৰ প্ৰক্ৰিয়াত আছে, তদন্তৰ প্ৰক্ৰিয়াত থকাৰ পিছত মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইটো হত্যাকাণ্ড বুলি কৈছিল, গতিকে স্পষ্ট কথা জনাৰ আগ্ৰহত অসমবাসীৰ হৈ সুধিব বিচাৰিছো যে জুবিন গাৰ্গ ডাঙৰীয়াৰ হত্যাকাৰী কোন, ক'ত, কেতিয়া, কি ধৰণে তেখেতক হত্যা কৰা হৈছিল আৰু তেখেতৰ হত্যাকাৰীৰ বিচাৰ কেতিয়া হ'ব এই কথাটোৰ স্পষ্ট উত্তৰ আমি বিচাৰিছো। মহোদয়, জুবিন গাৰ্গ ডাঙৰীয়াৰ হত্যাৰ বিচাৰ লাগিব তেখেতৰ প্ৰতি ন্যায় হ'ব লাগিব আৰু তেখেতৰ অমৰ সৃষ্টিৰাজী অসমত যাতে যুগযুগান্তৰলৈ জীয়াই থাকে তাৰ কাৰণে অসম চৰকাৰৰ ওচৰত কি পৰিকল্পনা আছে তাৰ সঠিক উপস্থাপন ইয়াত প্ৰয়োজন হৈছে।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আন কাৰোবাৰ মানে ভাৰত ৰত্ন ডº ভূপেন হাজাৰিকা ডাঙৰীয়াৰ কথা কৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই খন অসমৰ হাউচ হয়। ডº ভূপেন হাজাৰিকাও আমাৰ হিয়াৰ আমঠু। তেখেতক আন কাৰোবাৰ বুলি কৈ তুচ্ছ তাচ্ছিল্য নকৰিব কোনেও। অধ্যক্ষ মহোদয় আন কাৰোবাৰ থকা লাইনটো প্ৰচিডিঙৰ পৰা বাদ দিব লাগে। ডº ভূপেন হাজাৰিকা ডাঙৰীয়াক আন কাৰোবাৰ কোৱাতো কেতিয়াও সদনে মানি নলয়। মই ইমানে কৈছে যে তেখেতে ডº ভূপেন হাজাৰিকা ডাঙৰীয়াৰ নামটো সন্মান সহকাৰে লওঁক।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ড০ ভূপেন হাজাৰিকাৰ কাৰণে আৰু মাটি লাগিলে আৰু মাটি বিশ্ববিদ্যালয়ে দিব। আৰু ডাঙৰকৈ যাতে হওক তাৰ বাবে সদনত আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, ডº ভূপেন হাজাৰিকাক আন কাৰোবাৰ বুলি কবলৈ অধিকাৰ কাৰোৰে নাই। মই ইমানে কৈছো যে ডº ভূপেন হাজাৰিকাৰ নামটো সন্মানসহকাৰে লওক।

**মাননীয় অধ্যক্ষ** ঃ ঠিকা আছে আতঁৰাই দিয়া হৈছে।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা)** ঃ ছাৰ, আচলতে ডº ভূপেন হাজাৰিকা দেৱক এই বিষয়টোৰ লগত নামটো লৈ তুলনা কিন্তু কৰিব বিচৰা নাই। ডº ভূপেন হাজাৰিকাক দেৱৰ লগত জুবিন গাৰ্গক তুলনা কৰি মাটি কম বেছি কৰা এই বিষয়টো যাতে নহয়। বিষয়টো স্পষ্ট যে অসমৰ ৰাইজে জুবিন স্থলীটো জুবিন গাৰ্গৰ সমাধিস্থলীটো ডাঙৰ কৰাতো বিচাৰিছে। তাতে কি কি হ'ব সেই বিষয়টো স্পষ্টভাৱে চৰকাৰৰ খনৰ পৰা বিচাৰিছো। চৰকাৰে কৈছে যে আমি এখন কমিটী গঠন কৰিছো কমিটী গঠন কৰাৰ পিছত অসমৰ মানুহৰতো ক'বলগীয়া কথা আছে তাতে কি কি থাকিব আৰু কি কি নাথকিব। তেওঁলোকে ক'ব যে আমি জুবিন গাৰ্গৰ পৰিয়ালৰ পৰা অনুমতি লৈছো, জুবিন গাৰ্গ কেৱল সেই কমিটী খনৰ মানুহ নহয় অসমৰ মানুহে জানিব বিচাৰে, তেওঁলোকে তেওঁলোকৰ feedback দিয়াৰ কাৰণে এটা সুযোগ নিশ্চিতভাৱে এই চৰকাৰ খনৰ তৰফৰ পৰা বিচাৰিছো। জুবিন গাৰ্গ ডাঙৰীয়াৰ যিখিনি অমৰ সৃষ্টি আছিল সেই খিনি digital archive ৰ মাধ্যমৰে হওঁক বা তেখেতৰ সৃষ্টিক্ৰিয়া যিখিনি দেশে বিদেশে কি ধৰনে প্ৰচাৰ কৰিব পাৰো তাৰ কাৰণে দীৰ্ঘম্যাদী পৰিকল্পনা চৰকাৰৰ ওচৰত কি আছে সেই বিষয়খিনি কিন্তু স্পষ্ট কৰিব লগীয়া কথা

আছে। আজি যদি জুবিন গাৰ্গ ডাঙৰীয়াৰ এই বিষয়বোৰৰ উচিত উত্তৰ আৰু উচিত ব্যৱস্থামূলক পদক্ষেপ লোৱা নহয় তেনেহলে মানুহে বা ৰাইজে ভাৱিব যে জুবিন গাৰ্গ ডাঙৰীয়া Anti-establishment আছিল কাৰণে চাগে এই চৰকাৰে তেখেতক এই খিনি নিবিচাৰে আৰু আমি বিচাৰো যে যুগ যুগান্তৰলৈকে জুবিন গাৰ্গ ডাঙৰীয়াৰ নামৰ সৈতে এই বদনাম কাৰো সৈতে নাথাকক। সকলো জল জল পট পট হ'ব লাগিব। সকলো কথাৰ উত্তৰ অসমবাসীৰ জনগণে বিচৰামতে হ'ব লাগিব আৰু জুবিন গাৰ্গ ডাঙৰীয়াৰ হত্যাকাৰীয়ে যাতে বিচাৰ পাই, শাস্তি পায় তাৰ কাৰণে আহ্বান ৰাখি মই সামৰিছো ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰীমনোৰঞ্জণ তালুকদাৰ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই শোকস্তৱ্ধহৈ এটা Ammendment আনিব বিচাৰিছো, আপুনি জুবিন গাৰ্গক অকাল মৃত্যু হোৱা বুলি কৈছে। মুখ্যমন্ত্ৰীয়ে দুবাৰ দোহাৰিছে যে তেওঁৰ হত্যা হৈছে। সেই মুখ্যমন্ত্ৰীৰ বক্তব্যক গুৰুত্ব দি এই obituary নহলে এইটো তথ্যটো থাকি যাব। এইটো কাৰেক্ট হোৱাটো দৰকাৰ যে জুবিন গাৰ্গ ডাঙৰীয়াক হত্যা কৰা হৈছিল এই হত্যাত আমি শোক প্ৰকাশ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ইয়াৰ ওপৰত ইতিমধ্যে মই কৈছো যে তদন্ত চলি আছে, SIT আছে, সেইটো পিছত হৈ যাব।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ এতিয়া সেইটোৱে তদন্ত চলি আছে কিন্তু কথাটো হৈছে যে জুবিন গাৰ্গ সম্পৰ্কত বহুত চৰ্চা আৰু বহুত কথাবতৰা হৈছে। এটা SIT গঠন কৰিছে এই তদন্ত প্ৰক্ৰিয়ালৈ এইটোৰ ওপৰত অসমৰ মানুহৰ কিছু সন্দেহ আছে, আমাৰো আছে। কাৰণ External Affairs Ministry ও Northeast Festival ৰ লগত জড়িত। আজি চিংগাপুৰৰ হাই কমিশ্যনে সাহৰ্য্য বিচাৰিছে মুখ্যমন্ত্ৰীলৈকে চিঠি দিছে, চিঠি প্ৰকাশিত হৈছে। অসম চৰকাৰে কি পদক্ষেপ লৈছে নাজানো কিন্তু মুখ্যমন্ত্ৰীয়ে সেইখন অকল মুখ্য সচিবলৈহে পঠোৱাহে আমি দেখিছো। বিভাগ বিলাকে টকা দিলে নে নাই। **যদি External Affairs Ministry ৰ পৰা এইখন organised কৰা হৈছে আৰু তাত আমাৰ Indian High Commission জড়িত, তথাপিও এইটো চৰকাৰী প্ৰগ্ৰেম আছিল । তেতিয়াহ'লে তদন্তৰ আওতাত External Affairs Ministry আৰু Indian High Commission ক জড়িত কৰা হ'বনে নাই ? সৌভাগ্যক্ৰমে External Affairs Ministry ত আমাৰ অসমৰে জুবিন গাৰ্গৰ ঘনিষ্ঠ বন্ধু অসম সন্তান পবিত্ৰ মাৰ্ঘেৰিটা মন্ত্ৰী হৈ আছে । North East Festival ৰ যিটো কাৰবাৰ External Affairs Ministry য'ত জড়িত, এজন ব্যক্তি তাত পূৰ্ব্বৰ পৰা জড়িত হৈ আছে , নৰ্থ ইষ্ট ফেষ্টিভেল কৰে, কেতিয়াবা ৰঙালী উৎসৱ কৰে । এইদৰে উৎসৱ পাতি শ শ কোটি টকা চৰকাৰৰ পৰা লৈ গৈ আছে, আজি এই তথ্যবিলাক ওলাই পৰিছে। মুখ্যমন্ত্ৰী মহোদয়ৰ এটা বিবৃতিক মই সমৰ্থন কৰিছিলো। মই মুখ্যমন্ত্ৰী মহোদয়ক জনাইছিলো- I support to stand an analysis on Shyamkanu Mahanta. মুখ্যমন্ত্ৰীয়ে কৈছিলে শ্যামকানু মহন্ত বোলা মানুহজনে বিজতৰীয়া সংস্কৃতিক প্ৰতিনিধিত্ব কৰে । অসমৰ সংস্কৃতি সেইটো নহয় । মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এই বক্তব্যক মই সমৰ্থন কৰিছিলো । আমাৰ সংস্কৃতিৰ যি অমূল্য সম্পদ আছে, যি সম্পদক আমি সুৰক্ষিত কৰিব লাগে আৰু চৰ্চাৰ মাজেৰে জুবিন গাৰ্গৰ নিচিনা যি প্ৰতিভা বিকশিত হৈ উঠে , তেওঁলোকক সুৰক্ষিত কৰিব লাগে । তেওঁলোকক যাতে ক্ৰয় কৰি, পথভ্ৰষ্ট কৰি বিজতৰীয়া সংস্কৃতিত ব্যৱহাৰ কৰিব নোৱাৰে তাৰ প্ৰতি চৰকাৰ সচেষ্ট থাকিব লাগে, আমি থাকিব লাগিব, আমি আছো । কিন্তু**

সেই কামটো কৰা নহ'ল । এই শ্যামকানু মহন্তই নৰ্থ ইষ্ট ফেষ্টিভেলৰ জড়িয়তে অসমক লুণ্ঠন কৰিছে , অসমৰ সংস্কৃতিক বজৰুৱা কৰিছে । এইকথা মুখ্যমন্ত্ৰী মহোদয়েও কৈছিল আৰু আজি তেখেতে কি কয় বা নকয় মই নাজানো । জুবিন গাৰ্গৰ অবদান স্মৰনীয় এই কাৰণে যে, নব্বৈৰ দশকত যেতিয়া ড° ভূপেন হাজৰিকাদেৱৰ ভাটি বয়স, অসমীয়া সংগীতে যেন কৰবাত ধাৰটো হেৰুৱাইছিল। সেই ষাঠিৰ দশক, সত্তৰ দশক, আশীৰ দশকত ভূপেন হাজৰিকা মানেই অসম, অসমৰ সংগীত মানেই ভূপেন হাজৰিকা। বিশ্ব দৰবাৰত বৰণ্যে শিল্পী সুধাকণ্ঠ ভূপেন হাজৰিকা । নব্বৈৰ দশকত তেখেতৰ বয়সৰ কাৰণে হয়তো সৃষ্টিশীলতাত কিছু বাধা আহি গৈছিল আৰু সেইখিনি সময়ত দুৰ্ভাগ্যজনকভাৱে বিহুৰ মঞ্চতো মুম্বাইৰ শিল্পী আহি হিন্দী গান গাই গৈছিল । তাত আলফাইও হিন্দী গান বিহু মঞ্চত নচলিব বুলি কৈছিল । কিন্তু হিন্দী গান চলিছিল । অসমীয়া সংগীতৰ অমীয়া সুৰ, মাটিৰ সুৰ- জ্যোতি প্ৰসাদ, বিষ্ণুৰাভা, পাৰ্ব্বতী প্ৰসাদ বৰুৱা , ভূপেন হাজৰিকাৰ গীত- সুৰ আমি যেন অসমীয়া জাতিটোৱে পাহৰি যাব ধৰিছিলো । অসমৰ সাংস্কৃতিক মঞ্চ হিন্দী গায়কে দখল কৰিব ধৰিছিল । তেনে এটা সময়ত অসমীয়া সংগীত জগতত জুবিন গাৰ্গৰ আৰ্বিভাৱ হৈছিল। জুবিন গাৰ্গ এনে এটা সংগীত প্ৰতিভা- Western Music অসমীয়া লোক সংগীতৰ লগত সংমিশ্ৰণ কৰি এটা নতুন ধাৰা সৃষ্টি কৰিলে যিটো আমাৰ অসমীয়া যুৱ সমাজক এক প্ৰেৰণা দিলে। অসমীয়া গীত শুনিবলৈ বিহু মঞ্চৰ পৰা আৰম্ভ কৰি সকলো সাংস্কৃতিক মঞ্চলৈ সকলো বয়সৰে শ্ৰোতা আহিবলৈ ধৰিলে । হয়, তেওঁৰ কিছু কৰ্ম কাণ্ডক লৈ কিছু বিতৰ্ক হ'লেও মই সেইবিলাকলৈ নাযাওঁ, সৃষ্টিশীল মানুহৰ বহু কথা - আবেগ ইত্যাদি থাকে , তেওঁলোকক আমাৰ দৃষ্টিৰে বিচাৰ কৰিলে বহু ক্ষেত্ৰত ভুল কৰা হয়। কিন্তু তেওঁ অসমীয়া লোক সংস্কৃতি, অসমীয়া সংগীত পুনৰ ৰাইজৰ সন্মুখলৈ লৈ আনিলে । আজি অসমৰ যুৱ সমাজ জুবিন গাৰ্গৰ গীতত আলোড়িত। কিন্তু আমি অসমীয়া সংস্কৃতি- সংগীতৰ এই অমূল্য সম্পদক ৰক্ষণা-বেক্ষণ দিব নোৱাৰিলো । এই অবিস্মৰণীয় প্ৰতিভাক ক্ৰয় কৰিলে বিজতৰীয়া সংস্কৃতিৰ বাহক এই শ্যামকানু মহন্তহঁতে আৰু ক্ৰয় কৰি মঞ্চত ব্যৱহাৰ কৰি মৃত্যুমুখলৈ ঠেলি দিলে । অকাল মৃত্যু হয়নে, হত্যা কৰা হ'ল এইটো নিশ্চয় বিচাৰ হ'ব । চাবজুডিছ হৈ আছে , মই সেই বিষয়লৈকে নাযাওঁ । কিন্তু মুখ্যমন্ত্ৰী মহোদয়ৰ কিছু কথা-বতৰাত অসন্তুষ্টি মই আজি ইয়াত প্ৰকাশ কৰিব বিচাৰিছো। জুবিন গাৰ্গ ঢুকালে- আমি সচৰাচৰ দেখা পাওঁ - প্ৰতিভা যেতিয়া বিকাশৰ তুংগত থাকে - তেতিয়া তাক বহুতে সহ্য কৰিব নোৱাৰে - কিন্তু মৃত্যুৰ পিচত সেই প্ৰতিভা বা তেওঁৰ আদৰ্শৰ অপব্যাখ্যা কৰাৰ প্ৰচেষ্টা চলে- এইটো বিষ্ণু ৰাভাৰ ক্ষেত্ৰতো হৈছিল - হেণ্ডকাফ লগাব নোৱাৰি ধৰি-বান্ধি তেজপুৰৰ ৰাজপথেৰে চোঁচৰাই লৈ গৈছিল । পৰৱৰ্ত্তী সময়ত তেখেতৰ মৃত্যুৰ পিচত সেই সকলেই বিষ্ণু ৰাভাৰ বন্দনাত বিভোৰ আৰু মুখৰ হৈ উঠিছিল । আমাৰ মনত পৰে বিষ্ণু ৰাভাৰ যেতিয়া কেঞ্চাৰ হৈছিল, তেতিয়া কটন কলেজৰ কিছু সংখ্যক ছাত্ৰই পইছা তুলিবলৈ গৈছিল । .........* .......... কিন্তু বিষ্ণু ৰাভাৰ মৃত্যুৰ পিচত সেই সকল লোকেই তেখেতৰ পূজাৰী হৈ উঠিল । তেওঁক কলাগুৰু আখ্যা দিলে । আজি আমি জুবিন গাৰ্গৰ বিষয়ে কৈছো , মই নকও যে জুবিন গাৰ্গ আদৰ্শ আছিল, কিন্তু তেওঁৰ কিছু বীক্ষা আছিল , তেওঁৰ জীৱন সম্পৰ্কে আৰু সামাজিক তত্ব সম্পৰ্কে কিছু ভিজন আছিল । তেওঁ নিজেই কৈছিলে যে, মই কমিউনিষ্ট আছিলো , কিন্তু মই জানো তেওঁ কমিউনিষ্ট নাছিল, আনকি কমিউনিষ্ট পাৰ্টিৰ মেম্বাৰো নাছিল । তেওঁ চি পি আই ও নাছিল তেওঁ মাত্ৰ এবাৰ ডিব্ৰুগড়ত আই পি পি আৰৰ মেম্বাৰ হিচাপে আছিল । তেওঁ নিজেই কৈছে, মই চোচিয়েলিষ্ট, মই কমিউনিষ্ট । এইটো তেওঁৰ নিজৰ জীৱন বীক্ষা আৰু সেইমতে তেওঁ চলিছিল । কিন্তু তেওঁৰ মৃত্যুৰ

---

* Expunged as ordered by the Chair

পিচত তেওঁৰ ওপৰত হিন্দুত্ব জাপিবলৈ যাওঁ মই এইটো সঠিক নহয় বুলি ভাবো । জুবিন গাৰ্গ ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল কিন্তু হোষ্টেলত থাকোতে তেওঁৰ লগুনডাল চিঙি পেলাইছিল । এটা দলৰ সভাপতিয়ে যেতিয়া কয় যে নহয় , এইটো তেওঁ চিনেমাতহে ছিঙিছে । সকলোৱে জানে - জুবিন গাৰ্গ হায়াৰচেকেণ্ডৰী পঢ়ি থাকোতে লগুনডাল ছিঙি আঠুৰাত ব্যৱহাৰ কৰিছিল । কিন্তু এই তথ্য বিকৃত কৰাৰ কাৰণে এই কথাটো চিনেমালৈ লৈ গ'ল । "মোৰ জাতি নাই, মোৰ ধৰ্ম নাই , মোৰ কোনো ভগবান নাই , মই মুক্ত- মই কাঞ্চনজংঘা ", এইটো চিনেমাৰ ডাইলগ, কিন্তু এই কথাষাৰ তেওঁ বাৰে বাৰে বহু মঞ্চত আওৰাইছিল । এইটো তেওঁৰ জীৱন বীক্ষা - কোনোবাই মানে বা নামানে এইটো বেলেগ কথা । কিন্তু তাক লৈ যদি আমি হিন্দুত্ব জাপি দিওঁ - মই এইটো সঠিক বুলি নাভাবো । এই ক্ষেত্ৰত পৰিয়ালবৰ্গই কিছু Ritual কৰিছে, ৰাইজেও কৰিছে লগতে সমস্ত ধৰ্মীয় আচাৰ-বিচাৰখিনিও কৰি আছে তাত আমি কোনেও হস্তক্ষেপ কৰিবলৈ নাযাওঁ - এইটো ৰাইজৰ কথা । কিন্তু জুবিন গাৰ্গ এনেকুৱা এজন ব্যক্তিত্ব আছিল , গতিকে সেই কথাবিলাক বিচাৰ কৰিব লাগে । জুবিন গাৰ্গৰ বাহুত মহাদেৱৰ টাটু অঁকা আছিল । আৰু আনফালে চাৰ্লি চেপলিনৰ টাটুও আছিল । আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কয় যে, তেওঁ শিৱভক্ত- তেওঁ হিন্দু । কিন্তু চাৰ্লি চেপলিনতো খ্ৰীষ্টান । জুবিন গাৰ্গে মহাদেৱৰ সম্পৰ্কত কৈছিল যে , মহাদেৱৰ চৰিত্ৰটোহে মানি লওঁ - তেওঁ বমভোলা আছিল, যাতে তাকে বৰ প্ৰদান কৰে। আৰু থাকেও তেনেকৈ । আনকি ট্ৰাইবেল দেৱতা বুলিও কৈছিল ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, জুবিন গাৰ্গ হিন্দু আছিলনে নাই, এই কথাটো বিধায়ক গৰাকীয়ে সদনত আনি হিন্দু চেন্টিমেন্টক আঘাত আনিব নালাগে ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ আমিও মাজে মাজে এনেকৈ ক'ব পাৰিম । আমিও টিক্কা- টিপ্পনি মাজে মাজে কৰিব পাৰিম ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ মই হিন্দু চেন্টিমেন্টক আঘাত কৰা নাই , অধ্যক্ষ মহোদয়।

(বাদ - বিবাদ)

**মাননীয় অধ্যক্ষ ঃ** প্লিচ- অখিল গগৈ। আপোনাৰ টাইম আহিব। আপোনাৰ টাইমত যি ক'বলগা আছে ক'ব...... এতিয়া বহক ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** অধ্যক্ষ মহোদয়, এইটো মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ টাইম নেকি ?

**মাননীয় অধ্যক্ষ ঃ** প্লিচ- অখিল গগৈ— বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আঁতৰাই থলে ভাল । জুবিন গাৰ্গ হিন্দু নহয় বুলি প্ৰমাণ কৰাৰ যিটো পৰম্পৰা - চাৰ্লি চেপলিন যিটো কথা..... । জুবিন গাৰ্গৰ ধৰ্ম কি আছিল, লগুন ছিঙিছিল - এই ধৰণৰ কথাবিলাক পবিত্ৰ সদনত কোৱাৰ পৰিৱৰ্তে আমি আমাৰ নিজৰ নিজৰ ৰাজনৈতিক মঞ্চত ক'ম । ইয়াত এডজৰ্ণ মেণ্ট মোশ্যনটো কি কাৰণে অনা হৈছে - তাৰ কথাটো কোৱা হৈছে ।

(তৰ্ক- বিতৰ্ক- বাদ - বিবাদ)

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** তেনেহ'লে আমিও মাজে মাজে ক'ম । আমিও ভাষণ দিম

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া আপুনি বহকছোন । আপোনাৰ সময়ত আপুনি ক'ব। আপোনাৰ সময়ত যদি নকয় আপুনি যাব পাৰে ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰয়োজন হ'লে আমি সকলোৱে প্ৰস্তাৱ দিম যে, অখিল গগৈক সদনৰ বাহিৰত ৰাখিব লাগে । মাননীয় অধ্যক্ষ মহোদয়, মই এটা

কথা ক’ব খুজিছো যে আজিৰ Adjournment Motion টো আমি কি কাৰণে লৈছো যে জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টো। তাতে যদি মহাদেৰৰ ওপৰত বিশ্লেষণ হয় সমগ্ৰ হিন্দু জাতিৰ মাজত এটা আক্ৰোশ হ’ব যে ইয়াত মহাদেৰক কিয় টানি আনে। আমিতো মানুহ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ ( সৰভোগ)** ঃ আপুনিহে টানি আনিছে। আমি টানি অনা নাই।

**মাননীয় অধ্যক্ষ** ঃ Please.

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃমাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে মাননীয় সদস্য গৰাকীয়ে নিজৰ ৰাজনৈতিক মঞ্চত যি কয়, ক’ব। আজিৰ debate টো dignified হওঁক। জুবিনৰ প্ৰতি এটা tribute হওঁক, জুবিনৰ প্ৰতি এটা শ্ৰদ্ধা হওঁক। আপুনি জ্যেষ্ঠ সদস্য, মই আপোনাক এইটোকে অনুৰোধ কৰিম যে let this be a tribute to Zubeen Garg. এটা শ্ৰদ্ধা হৈ থাকক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ ( সৰভোগ)** ঃ নিশ্চিত ভাৱে tribute to Zubeen Garg.

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ আজিৰ এই house ৰ debate টো দহ বছৰৰ পাছতো নতুন প্ৰজন্মই চাব। ইয়াক এটা tribute ৰ level ত ৰাখক। হিন্দুৰ level ত ৰাখিব নালাগে, তেতিয়াহ’লে আমাৰো বহুত ক’বলগীয়া থাকিব।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ ( সৰভোগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, হিন্দুক লৈ মই বিতৰ্ক কৰা নাই। মই ক’বলৈ বিচাৰিছো, আদৰ্শক চ্যুতি কৰাৰ। জুবিন গাৰ্গৰ এটা ideology আছে, বিশ্ব শিক্ষা আছে। তেওঁৰ জীৱন সম্পৰ্কত এটা দীক্ষা আছে, তেওঁৰ বক্তব্য আছে।

**মাননীয় অধ্যক্ষ** ঃ আমি জুবিন গাৰ্গক সকলোৱে শ্ৰদ্ধা জনাইছো। গতিকে এনেকুৱা এটা বিতৰ্কলৈ লৈ যাব নালাগে।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ It cannot be a enti Hindu Platform.

**শ্ৰী মনোৰঞ্জন তালুকদাৰ ( সৰভোগ)** ঃ No.

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ এইটো নকৰিব। মই অনুৰোধ কৰিছো। আপুনি নিজৰ কথা কওঁক।

**মাননীয় অধ্যক্ষ** ঃ Please আপুনি বাকী কথাটো কওঁক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ ( সৰভোগ)** ঃ মই কৈছো জুবিন গাৰ্গ হিন্দু, জুবিন গাৰ্গ ব্ৰাহ্মীণ।

**মাননীয় অধ্যক্ষ** ঃ হ’ব। ইয়াৰ ওপৰত তৰ্ক হ’ব নালাগে। জুবিন গাৰ্গৰ বিষয়ে ক’ব। Please বাহিৰত যাব নালাগে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ ( সৰভোগ)** ঃ মই কৈছো জুবিন গাৰ্গৰ যিটো আদৰ্শ, এই আদৰ্শক যাতে খৰ্ব কৰা নহয় মোৰ resolution তে আছে adjournment motion ত। তেওঁৰ সৃষ্টিৰাজি , তেওঁৰ চিন্তা-ভাৱনা বিশ্ব বিখ্যাত। দীক্ষাক সংৰক্ষিত কৰা, সুৰক্ষিত কৰা, আক্ৰমণ কৰা নহয়। বিভিন্নভাৱে বিভিন্ন angle ত আক্ৰমণ হৈ আছে। মই এতিয়া এটা অন্য কথালৈ আহো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাহিৰত কৈছে হুৰ হুৰ হুৰাই দে, আপোন পথাৰ মোকোলাই দে।

**মাননীয় অধ্যক্ষ** ঃ আপুনি ১ মিনিটত শেষ কৰিব।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ ( সৰভোগ)** ঃ ঠিক আছে, অলপমান ক’বলৈ দিয়ক। আমিতো মাননীয় মুখ্যমন্ত্ৰীৰ নিচিনাকৈ গমবিলাক নাপাওঁ।

**মাননীয় অধ্যক্ষ** ঃ সেই কাৰণে বিতৰ্কত যাব নালাগে। আপোনাৰ points খিনি কওঁক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ ( সৰভোগ)** ঃ Assembly ত ক’বলৈ দিয়ক। সেই কাৰণে হুৰ হুৰ

হুৰাই দে, আপোন পথাৰখন মোকলাই দে। মাননীয় মুখ্যমন্ত্ৰীয়ে ক'লে যে এইটো গান মোৰ বহুত প্ৰিয়। আমি তেনেকৈ চলিম। মোৰ আপত্তি নাই তেনেকৈ চলক। কিন্তু এই গীতটোৰ গীতিকাৰ দিগন্ত ভাৰতীয়ে যিটো essence ত লিখিছে, গোটেই গীতটো চাওঁক, গোটেই গীতটো চালে

নমতা আলহী চোতাল পালেহি ভৰিছে
ঘৰে পথাৰে তোৰ খুপনি পুতিছে
থলুৱা পৰিচয় নৰব'গৈ,
থলুৱা বুলি তোৰ চিনাকি দে।

এই যে নমতা আলহী চোতাল ভৰিছে, এই নমতা আলহী কোন ? তেওঁৰ হয়তো দৃষ্টিভংগী আছে এই নমতা আলহী কোন। আমাৰো এটা দৃষ্টিভংগী আছে নমতা আলহী কোন। কোন নমতা আলহীয়ে অসমৰ চোতাল ভৰিছে। আজি গুৱাহাটীৰ পৰা টিহুলৈ আমাৰ দুয়োফালে পথাৰ কোনে দখল কৰিছে বনিয়াই। কোন বনিয়া সেইবিলাক। গীতিকাৰে কৈছে যে আমাৰ পথাৰ ভৰিছে। নমতা আলহী আজি মাটিলৈ যাব ধৰিছে, হাজাৰ হাজাৰ বিঘা মাটি, আমি আমন্ত্ৰণ জনাইছিলো নেকি ? আমাৰ চৰকাৰৰ এজন মন্ত্ৰীৰে ইয়াতো মাটি ওলাইছে, তাতো মাটি ওলাইছে, সোনাপুৰতো মাটি ওলাইছে, ঢেকীয়াজুলিতো মাটি ওলাইছে তেওঁ নমতা আলহী আৰু তেওঁৰ সমগোত্ৰীয় বিলাকো নমতা আলহী। সেই নমতা আলহীয়ে আমাৰ চোতাল ভৰিছে। ঘৰে পথাৰে তোৰ খুপনি পুতিছে থলুৱা পৰিচয় নৰব'গৈ, থলুৱা বুলি তোৰ চিনাকি দে। আনকি তাত এটা কথা আছে,

কোনোবা কোচ, কোনোবা ভূঁঞা
কোনো আদিবাসী নে পাহাৰীয়া
ধৰি ল জোৰকৈ একেডাল জৰী
খিলঞ্জীয়া অসমীয়া
ৰজাঘৰীয়াক কো জনাদেশ লাগে
ৰাজপাট বিচাৰি আলহীক নেৰে

এই নমতা আলহীক নেৰে। যি গৈ সোনাপুৰ পাইছে, যি গৈ ঢেকীয়াজুলি পাইছে, যতেই মাটি তাত জিকিছে ধৰিছে। আপোনাৰ মন্ত্ৰীসভাৰ এজন মন্ত্ৰী।

**মাননীয় অধ্যক্ষ ঃ** Thank you. আপুনি বিতৰ্কৰ ফালে যাব নালাগে। আপোনাৰ ভাবটো কওঁক। জুবিন গাৰ্গ ডাঙৰীয়াই যিটো কৈছে, সেইটো আপোনাৰ উপলব্ধি। সকলোৰে উপলব্ধি বেলেগ বেলেগ হ'ব পাৰে। কিন্তু বেলেগৰ কথা লৈ আমি criticise কৰিব নালাগে। আপোনাৰ বুজোৱাতো বুজাই দিয়ক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ ( সৰভোগ) ঃ** মই বুজাই দিম। যি গানটোক মাননীয় মুখ্যমন্ত্ৰীয়ে appreciate কৰিছে, মই তেওঁক appreciate কৰিছো। কিন্তু ৰজাঘৰীয়া হৈ যাতে এই নমতা আলহীবিলাকক এৰি দিয়ে। যিসকলে মাটি অ'ত দখল কৰিছে, ত'ত দখল কৰিছে হাইৱেৰ পাৰে পাৰে মাটি কিনিছে। সমগ্ৰ অসমখনত তেওঁলোক নমতা আলহী। সেই নমতা আলহীক এৰি দিয়ক। আজি অশোক সিংঘল নাই, অসমৰ মানুহে জাঙুৰ খাই উঠিছে। অকল অশোক সিংঘল নহয়। সমগ্ৰ মাটি আমাৰ National Highway ৰ কাষে কাষে কোনে দখল কৰিলে ? আপোনাক কৈছো যে, আদৰ্শচ্যুত নকৰিব, জুবিনক প্ৰকৃত analysis কৰি, জুবিনক আজি তেওঁৰ সাংস্কৃতিক অৱদানৰ বাবে সুৰক্ষিত কৰো। সুৰক্ষিত কৰাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰীয়ে যেতিয়া হত্যা বুলি

কৈছে, হত্যাকাৰী যাতে সঠিকভাৱে চিনাক্ত হয়। ৮ তাৰিখে তেওঁ charge sheet দিম বুলি কৈছে। ৮ তাৰিখৰ পিছত আমি নিশ্চয় observe কৰিব পাৰিম, কি হৈ আছে? কিন্তু তাকে কৰিবলৈ যাওঁতে  মুখ্যমন্ত্ৰীয়ে অলপ কিছু কিছু কথা বতৰাত সংযত হোৱা প্ৰয়োজন বুলি মই অনুভৱ কৰো। মই কথাটো ক'ম যে অসমবাসীয়ে charge sheet দিয়াৰ পিছত মানসিকভাৱে সাজু হ'ব লাগিব এটা বেলেগ পৰিস্থিতিৰ কাৰণে। Why this occurance. তদন্তটো হৈ আছে। তদন্ততো charge sheet দিব।যদি অসমবাসীৰ কাৰণে বেয়া খবৰ আহে we will face কিন্তু আগতীয়াভাৱে কৈ গোটেই বিষয়টোক অলপ সন্ধিহান কৰি তোলা কাৰণে বন্ধ কৰি জুবিন গাৰ্গৰ প্ৰকৃত পৰ্য্যালোচনা হওঁক, তেওঁৰ গীতৰ পৰ্য্যালোচনা হওঁক, তেওঁৰ গীত সংৰক্ষিত হওঁক, তেওঁৰ সাংস্কৃতিক কৰ্মকাণ্ড সংৰক্ষিত হওঁক আৰু জুবিন গাৰ্গৰ আদৰ্শ তেওঁ কৰা আদৰ্শসমূহ সংৰক্ষিত হওঁক, সেইটো যাতে বিকৃত কৰাৰ প্ৰচেষ্টা নচলে এই অনুভৱ ব্যক্ত কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ সন্মানীয় অধ্যক্ষ ডাঙৰীয়া আৰু সদন। সন্মানীয় জুবিন গাৰ্গ আমাৰ বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ শিল্পী আমি জীৱিত কালৰ এই সময়খিনিৰ। অসমীয়া জাতিৰ দিল কা ধৰকন বুলি যাক কয়। হৃদয়ৰ স্পন্দন। সেই জুবিন দাৰ মৃত্যু হোৱা যাক মাননীয় মুখ্যমন্ত্ৰীয়ে হত্যা বুলি কৈছে। সেইটো আজি হ'ল ২ মাহ ৭ দিন চলি আছে। ১৯ চেপ্তেম্বৰত তেখেতৰ মৃত্যু বা হত্যা হৈছিল আৰু আজি ২৫ নৱেম্বৰ, আমি প্ৰথমবাৰ তেখেতৰ বিষয়ে অসমৰ ১২৬ জন প্ৰতিনিধিয়ে আলোচনা কৰিবলৈ পাইছো। গতিকে আজি দিনটো আমাৰ ১২৬ জন প্ৰতিনিধিৰ কাৰণে এটা অত্যন্ত গুৰুত্বপূৰ্ণ দিনেই নহয়, এটা মৰ্মান্তিক  দিন, হৃদয়ৰ পৰা কথা কোৱাৰ দিন। মাননীয় অধ্যক্ষ ডাঙৰীয়া, জুবিন দাৰ ন্যায়ৰ বিচাৰক লৈ সমগ্ৰ অসম এতিয়া উত্তাল হৈ আছে। সেই সময়ত মই আমাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ক'ব খোজো যে জুবিন দাৰ মৃত্যু হৈছে ছিংগাপুৰত। আমাৰ চৰকাৰখনে তালফাল লগাই তদন্ত কৰিছে দিশপুৰত প্ৰথম কথা। মৃত্যু হৈছে ছিংগাপুৰত তালফাল লগাই তদন্ত কৰিছে দিশপুৰ গুৱাহাটীত। গতিকে তদন্ত সম্পূৰ্ণৰূপে বিপথে পৰিচালিত হৈছে। Place of occurence ত তদন্ত কৰাটোৱে হ'ল ভাৰতীয় আইনমতে মৃত্যু বা হত্যাকাণ্ডৰ তদন্তৰ মূল কথা। আজি আমি দেখিছো যে তদন্তকাৰী সংস্থাই জুবিন গাৰ্গে পুৰী খাবলৈ যোৱা দোকানৰ দোকানীজনো তদন্তৰ আওতাৰ মাজলৈ মাতি আনিছে। পুৰীত দাম কিমান দিছিল। আজি আমি দেখিছো যে তদন্তকাৰী সংস্থাই বিহু কমিটি বিলাকক মাতি আনিছে। বিহু কমিটিয়ে যিমান টকা দিছিল, সিমান টকা জুবিন দাই পাইছিল নে? ঠিক আছে, মোৰ আপত্তি নাই। আমাৰ আপত্তি নাই সেইটো তদন্ত কৰাত। যদি অৰ্থনৈতিক কেলেংকাৰী হৈছে, নিশ্চয় তদন্ত হ'ব লাগে। মাননীয় অধ্যক্ষ মহোদয়, কিন্তু যি অনুষ্ঠানলৈ গৈ আমাৰ হৃদয়ৰ শিল্পী জুবিন গাৰ্গ ডাঙৰীয়াৰ মৃত্যু হ'ল, সেই অনুষ্ঠানটোৰ প্ৰধান উদ্যোগতা নৰ্থ-ইষ্ট ফেষ্টিভেল আৰু সেই নৰ্থ-ইষ্ট ফেষ্টিভেলৰ শ্যামকানু মহন্তক যি সময়ত গ্ৰেপ্তাৰ কৰা হৈছে, সেই সময়ত সেই অনুষ্ঠানৰ সহ-আয়োজক শ্যামকানু মহন্তৰ পত্নীক এতিয়ালৈকে কিয় গ্ৰেপ্তাৰ কৰা হোৱা নাই? এইটো হৈছে প্ৰথম কথা। দ্বিতীয় কথাটো হৈছে যে চৰকাৰী ৰেব-চাইটত স্পষ্টকৈ লিখি থোৱা আছে যে External Affairs Ministry presence in the North-East Festival of Singapore. ভাৰতৰ বৈদেশীক মন্ত্ৰালয়ে এই অনুষ্ঠান পাতিছে। কিন্তু সেই বৈদেশীক মন্ত্ৰালয়ৰ উদ্যোগতা কেন্দ্ৰীয় মন্ত্ৰী আৰু জুবিন গাৰ্গ ডাঙৰীয়াৰ বন্ধু বুলি কৈ থকা মাননীয়

পৱিত্ৰ মাৰ্ঘেৰিটা ডাঙৰীয়াক এতিয়ালৈকে তদন্তৰ আওতালৈ অনা নাই। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি কোনোবা এটা অনুষ্ঠানত গণ্ডগোল হ'লে প্ৰথমতে কোনে সেই অনুষ্ঠান পাতিছিল, তাৰ উদ্যোগতা সকলক মাতি অনা হয়। কিন্তু ............

**মাননীয় অধ্যক্ষ মহোদয় ঃ** অখিল গগৈ ডাঙৰীয়া, আপুনি এই লাইনটো নক'ব।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,কিন্তু এতিয়ালৈকে আমি দেখিছো যে North-East Festival ৰ উদ্যোগতা মাননীয় পৱিত্ৰ মাৰ্ঘেৰিটা ডাঙৰীয়াক এতিয়ালৈকে তদন্তৰ আওতালৈ অনা নাই। গতিকে এই তদন্ত ভূৱা...............

**মাননীয় অধ্যক্ষ মহোদয় ঃ** আপুনি ইয়াৰ ওপৰত ক'ব নোৱাৰে, কাৰণ ন্যায়ালয়ত বিচৰাধীন হৈ আছে। ইয়াৰ ওপৰত তদন্ত কৰি থকা হৈছে আৰু ৰিপোৰ্ট ওলোৱাই নাই। আপুনি আপোনাৰ মনৰ ভাৱখিনি কওঁক। আপুনি অভিযোগ কৰিব নালাগে আৰু এইটো কথা ক'ব নালাগে। সদনত কোনো তদন্ত বা তদন্তকাৰীৰ বিষয়ে চৰ্চ্চা কৰিব নোৱাৰো। আপুনি সমালোচনা কৰিব নোৱাৰে।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিজনে এই অনুষ্ঠান পাতিছিল, Yacht খনৰ কেপ্তেইন যিজনে তেওঁক সাগৰৰ পানীত জপিয়াবলৈ অনুমতি প্ৰদান কৰিছিল আৰু সেই Yacht খনৰ কৰ্মচাৰীসকলক এই তদন্তৰ আওতালৈ ননাকৈ এই তদন্ত সম্ভৱ নে? আমি জানিব লাগে যে আচলতে ছিংগাপুৰত সেইদিনাখন প্ৰকৃততে কি হৈছিল? ১৯ চেপ্টেম্বৰৰ দিনা সেই মূহুৰ্ত্তটোত জুবিন গাৰ্গ ডাঙৰীয়াৰ লগত ছিংগাপুৰত সেই মূহুৰ্ত্তত কি হৈছিল? ১৯ চেপ্টেম্বৰৰ দিনাৰ সেই আচল মূহুৰ্ত্তটোৰ আমি এতিয়ালৈকে ভিডিঅ' দেখা নাই। যি সময়ত জুবিন গাৰ্গ ডাঙৰীয়াই শেষ নিস্বাস ত্যাগ কৰিছিল, সেই সময়ত প্ৰকৃততে কি হৈছিল? আমি দেখিছো যে তেওঁ পানীত জপিয়াইছে। তাৰ পিছত লাইফ জেকেট খুলি লৈ পানীত জপিওৱা আমি দেখা নাই। লাইফ জেকেট খুলি লৈ পানীত পৰি থকা এখন ফটো দেখিছো। তাৰ পিছত লাইফ জেকেট নোহোৱাকৈ পানীত যেতিয়া সাঁতুৰি আছে আৰু সাঁতুৰি থকাৰ পৰা কৰ'বাত উঠিবলৈ চেষ্টা কৰিছে বুলি শুনিছো। সেই সময়ত কোনে কোনে তেওঁক সহায় কৰিলে? সেই সময়ত কেপ্তেইনজনে তেওঁক বচাবলৈ কিয় চেষ্টা নকৰিলে? যিটো টীমে তেওঁক উদ্ধাৰ কৰিছিল, সেই টীমটোৰ সাক্ষ্য নোলোৱাকৈ এটা তদন্ত হ'ব পাৰে নেকি? যিখন এম্বুলেঞ্চৰ দ্বাৰা তেখেতক হস্পিতালৈ লৈ গৈছিল, তেওঁলোকৰ সাক্ষ্য নোলোৱাকৈ তদন্ত হ'ব পাৰে নেকি?

**শ্ৰী দুৰ্গা দাস বড়ো, বিধায়ক (কলাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সৰ্ব্বদলীয় বৈঠকত আমাৰ যিটো Spirit আছে, সেই Spirit টো maintain কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** মাননীয় সদস্য, তদন্তকাৰী আৰু তদন্ত চলি থকাৰ ওপৰত আমি একো কথা সদনত আলোচনা কৰিব নোৱাৰো। আপোনাৰ ওচৰত যিখিনি তথ্য আছে, আপুনি সেইখিনি নিজে কমিশ্যনৰ ওচৰত দিয়াৰ বাবে সুযোগ আছিল। আপোনাৰ লগত যিসকল আছে, যাৰ লগত কথা পাতি এই কথাবিলাক গম পাইছে, সেইখিনি তদন্তকাৰী দলক দিব পাৰে। কিন্তু আমি এই বিষয়ে ইয়াত আলোচনা কৰিব নোৱাৰো।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব ডাঙৰীয়াই আজিকালি প্ৰায়েই চিঞঁৰি চিঞঁৰি কয় যে জুবিন গাৰ্গ ডাঙৰীয়া অসুস্থ আছিল। তেওঁ পানী, জুইৰ ওচৰলৈ যাব নোৱাৰে............

**মাননীয় অধ্যক্ষ মহোদয় ঃ** এইবোৰ সকলোৱে নিজৰ নিজৰ মনৰ ভাৱ। আপুনিও জানিছিল,

কিন্তু আপুনিওতো বাধা নিদিলে। আপুনি ইয়াত কাকো সমালোচনা কৰিব নালগে। আপুনি আপোনাৰ মনৰ ভাৱখিনি কওঁক। আপোনাৰ যদি তদন্তৰ বিষয়ে ক'বলগীয়া আছে, ইয়াত ক'ব নোৱাৰে।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি তদন্তৰ বিষয়ে ক'বলৈ বাধা দিলে আৰু মই আঁতৰি দিলো। মই এতিয়া বেলেগ এটা কথা ক'বলৈ বিচাৰিছো। মই তেওঁৰ অসুখৰ বিষয়ে ক'ব বিচাৰিছো। আপুনি ক'বলৈ দিয়া নাই।............

**মাননীয় অধ্যক্ষ মহোদয় ঃ** আমি নিয়মৰ মাজেৰে আগবাঢ়িব লাগিব। আপোনাৰ জুবিন গাৰ্গ ডাঙৰীয়াৰ ওপৰত কিবা ক'বলগীয়া আছে যদি কওঁক।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ছিংগাপুৰত যেতিয়া অসুস্থ জুবিন গাৰ্গ ডাঙৰীয়া গৈছিল আৰু সেইখন যিহেতু চৰকাৰে অনুষ্ঠিত কৰিছিল, তেওঁৰ লগত কিয় প্ৰট'কল অফিচাৰ যোৱা নাছিল? তেওঁক কিয় ৰাজ্যিক অতিথিৰ মৰ্য্যদা দিয়া হোৱা নাছিল? তেওঁক কিয় অকলে অকলে সাগৰত জাঁপ মাৰিবলৈ অনুমতি দিয়া হৈছিল? অসমৰ এই সময়ৰ আটাইতকৈ ডাঙৰ সম্পদ গৰাকীক কিয় এনেকৈ আলাই-অথানি কৰা হৈছে? অসুস্থ জুবিন গাৰ্গ ডাঙৰীয়াৰ লগত কিয় এজন ডাক্তৰৰ ব্যৱস্থা কৰা নাছিল? এইটো জুবিন গাৰ্গ ডাঙৰীয়াৰ প্ৰতি অন্যায়, অৱহেলা আৰু অনীহাৰ লক্ষণ হয় নে নহয়? এই প্ৰশ্নৰ উত্তৰ আজি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমৰ জনসাধাৰণক সদনৰ পৰা জনাব লাগিব। মোৰ হাতত এই আইনখনৰ এটা কপি আছে। আমি Legislature হয়। আমি আইন ৰচনা কৰো। এই আইনখন পাৰ্লিয়ামেণ্টে ৰচনা কৰিছে- The Bharatiya Nagarik Sanhita Suraksha-2023. আগৰ যিখন IPC আছিল, সেইখন এতিয়া 'The Bharatiya Naya Sanhita-2023' বুলি কোৱা হৈছে। আগৰ যিখন CRPC আছিল, সেইখনক এতিয়া BNSS-2023 বুলি কোৱা হয়। ইয়াত স্পষ্টকৈ লিখা আছে যে যদি বিদেশত কিবা এটা ঘটনা ঘটে তেতিয়াহ'লে তদন্ত কৰিবলৈ ইয়াত এটা চেকশ্যন-১১২ আছে। ইয়াত স্পষ্টকৈ কৈছে যে বিদেশত যদি কিবা এটা ঘটনা ঘটে আৰু ভাৰতৰ যিখন কোৰ্টত কেচটো আহিছে, সেই কোৰ্টে Letter of request য'ত ঘটনটো ঘটিছে তাৰ কোৰ্টলৈ বা Competent Authority লৈ পঠিয়াব লাগিব। আপুনি যদি মোক সময় দিয়ে মই এইখনৰ চাৰি-পাঁচ লাইন পঢ়ি দিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** আপোনাক এক মিনিট সময় দিয়া হৈছে। আপুনি পঢ়ি দিয়ক।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কোৱা হৈছে যে- Letter of request to the Copmpetent Authority for investigation in a country or place outside India. If in the course of an investigation into an offence and an application is made by the investigating officer or any officers supirior to land to the investigating officer that evidence may be available in a country or place outside India , any Criminal Court may issue a letter of request to the Court or to an authority in that country or place competent to deal with such request to examine orally any person suppose to be aquinted with the fate or circumtancess of the case and the records his statements made in the couse of such examination also to require such person or any other person produce any document or things which may be in his

posession pertaining to the case and to forward all the evidence so taken and collected or authenticated copies there of things so collected to the Court issuing such letter. ইয়াত অতি স্পষ্টকৈ কৈছে যদি বিদেশত তদন্ত হ'ব লাগে, তেতিয়াহ'লে কোৰ্টৰ পৰা letter পঠিয়াব লাগিব, কোৰ্টৰ পৰা letter পঠিয়াই যিজন মানুহে সেই কথাবিলাক জানে, তেওঁৰ পৰা statement ল'ব পাৰিব, তেওঁৰ পৰা evidence ৰ লগতে document সংগ্ৰহ কৰিব পাৰিব আৰু সেইটো কৰিব লাগিব through Court আৰু তেওঁলোকৰ কোৰ্ট বা competent authority ক দিব লাগিব। অধ্যক্ষ ডাঙৰীয়া মই আপোনালোকক ক'ব খুজিছো যে এতিয়ালৈকে অসমৰ মুখ্যমন্ত্ৰীয়ে জনাব লাগে যে ছিংগাপুৰ Government ৰ competent authority বা Court ৰ জৰিয়তে letter of request পঠিওৱা হ'ল নে ? আজি ছিংগাপুৰ Government য়ে যি ৰিপোৰ্ট দিছে, সেই prilimenary ৰিপোৰ্টত কৈছে যে জুবিন গাৰ্গৰ মৃত্যুত কোনো ধৰণৰ foul নাই বা গণ্ডগোল হোৱা নাই। সেইখন ৰিপোৰ্ট লৈ এতিয়া ছিংগাপুৰৰ সেই তদন্তৰ ওপৰত ভৰষা কৰি অসমৰ মুখ্যমন্ত্ৰীয়ে অসমত তদন্ত হ'ব বুলি কৈছে। foul নথকা বুলি কোৱা ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি মুখ্যমন্ত্ৰীয়ে কৈছে যে জুবিন গাৰ্গক হত্যা কৰা হৈছে । এতিয়ালৈকে IO, CIO অসমৰ মুখ্যমন্ত্ৰীৰ আটাইতকৈ আপোন আৰু বিশ্বাসযোগ্য CIO জনক দিছে। তেওঁক এতিয়ালৈকে কিয় তদন্তৰ বাবে ছিংগাপুৰলৈ পঠিওৱা নাই ? অধ্যক্ষ ডাঙৰীয়া মোৰ মাত্ৰ তিনিটা প্ৰশ্ন আছে ১নং হ'ল- মুখ্যমন্ত্ৰীয়ে জুবিন গাৰ্গৰ মৃত্যুক হত্যাকাণ্ড বুলি কৈছে, মুখ্যমন্ত্ৰীয়ে ভৰষা কৰা ছিংগাপুৰ Police force য়ে এই মৃত্যুত কোনো অনিয়ম বা foul play নাই বুলি স্পষ্ট কৰি দিছে। তেনেহ'লে কি কি তথ্য দলিলৰ আধাৰত মুখ্যমন্ত্ৰীয়ে জুবিন গাৰ্গৰ মৃত্যুক হত্যাকাণ্ড বুলি কৈছে, আজি সদনক সম্পূৰ্ণৰূপে জনাব লাগিব। ২নং হ'ল অসমৰ মুখ্যমন্ত্ৰীয়ে বিধানসভাৰ বাহিৰত বাৰাম্বাৰ কৈছে যে জুবিন গাৰ্গৰ মৃত্যু এক হত্যাকাণ্ড। আজি সদনৰ মজিয়াত মাননীয় মুখ্যমন্ত্ৰীয়ে অনুগ্ৰহ কৰি তথ্য সহকাৰে জনাবনে যে এই মৃত্যু হত্যাকাণ্ড হয়। এনে সিদ্ধান্তৰ সমৰ্থনত কোনো সমৰ্থনমূলক প্ৰমাণ evidence, documents chain of circumstances, তেখেতে আজি সদনত জনাব লাগে। ৩ নং হ'ল সদায় ডিঙিত গামোছা বান্ধি লৈ বাঃ বাঃ লোৱা নৰেন্দ্ৰ মোদীয়ে অসমীয়া জাতিৰ এই মহা দুৰ্যোগৰ সময়ত অসমীয়া জাতিৰ আটাইতকৈ আপোন সম্পত্তিৰ মৃত্যুত ছিংগাপুৰ চৰকাৰৰ সৈতে তদন্তৰ বাবে কি কি আলোচনা কৰিছে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ মাজত কি কি আনুষ্ঠানিক আলোচনা-পৰ্য্যালোচনা হৈছে তাৰ correspondence খিনি অসমৰ ৰাইজক এই সদনৰ মজিয়াতে জনাব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। শ্ৰী অখিল গগৈ ডাঙৰীয়া আপোনাৰ সময় শেষ হৈছে। এতিয়া শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যি সভা স্থগিত প্ৰস্তাৱ আনিছে, সেই প্ৰস্তাৱৰ যি মূল বিষয় এইখিনি আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই দাঙি ধৰিলে। যিহেতু এইটো sub-judice হৈ থকা matter আৰু তাৰ তদন্ত সঠিকভাৱে হোৱাটো আমি বিচাৰো, অসমৰ ৰাইজে বিচাৰে, অকল অসমৰ ৰাইজে নহয় সমগ্ৰ ভাৰতবাসীয়ে সঠিকভাৱে তদন্ত হোৱাটো বিচাৰে। আচলতে জুবিন গাৰ্গৰ সেইদিনাখন কেনেকৈ মৃত্যু হ'ল সকলোবোৰ কথা পুংখানুপুংখভাৱে পৰিয়ালবৰ্গৰ লগতে অসমৰ ৰাইজেও জানিব বিচাৰে। আমি আশা কৰো যে অসম চৰকাৰে যিখিনি তদন্ত কৰিব আমাৰ বিশ্বাস আছে যে ভালকৈ কৰিব। এই ক্ষেত্ৰত আমাৰ

যিখিনি দাবী সেইখিনি কৰি যাব লাগিব until & unless জুবিন গাৰ্গৰ ক্ষেত্ৰত যেতিয়ালৈকে justice নহয়, আমি সেইখিনি কথা দাঙি ধৰিব লাগিব। তাত কোনো ৰাজনীতি নাই, অসমৰ ৰাইজৰ কথা আমি ক'ব লাগিব। এইটো আমাৰ দায়িত্ব আৰু কৰ্তব্য। মাননীয় অধ্যক্ষ মহোদয়, যিদিনাখন জুবিন গাৰ্গৰ মৃত্যু হৈছিল সেইদিনাখনৰে পৰা অসমত যিটো পৰিবেশ হৈছে, যি লাখ লাখ মানুহ জুবিন গাৰ্গৰ নশ্বৰ দেহ আগবঢ়াই আনিবৰ বাবে বিমানবন্দৰত সমাবেত হৈছিল বিশ্বই দেখিছে আৰু জুবিন গাৰ্গৰ মৃত্যুৰ পিছত বিশ্বত এনেকুৱা কিছুমান record হৈ গ'ল যিটো হয়তো কাহানিও হোৱা নাছিল আৰু কাহানিও নহ'ব। আমি বিচাৰো যে CBI তদন্ত হওঁক, সঠিকভাৱে হওঁক, সত্য ওলাই পৰক, ইয়াৰ লগে লগে জুবিন গাৰ্গৰ ক্ষেত্ৰত আমি অসম চৰকাৰ ভাৰত চৰকাৰে যিমান কৰিবলগীয়া আছে, তেওঁৰ স্মৃতি ৰক্ষাৰ কাৰণে বহুখিনি কৰিবলগীয়া আছে। মই ভাবো যে এইখিনি যি পদক্ষেপ লৈছে আৰু হয়তো বহুখিনি কথা আহিব পৰৱৰ্ত্তী সময়ত, সেই কামখিনিও আমি আগবঢ়াই নিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, জুবিন গাৰ্গৰ স্মৃতি চিৰস্মৰণীয় কৰি ৰাখিবৰ বাবে মোৰ ফালৰ পৰা এটা দাবী কৰিব বিচাৰিছো সদনৰ মজিয়াত মই আশা কৰো মোৰ এই দাবী নায্য দাবী হিচাপে গ্ৰহণ কৰি ইয়াক আগবঢ়াই লৈ যাব অসম চৰকাৰৰ লগতে ভাৰত চৰকাৰৰ ক্ষেত্ৰত যদি কিবা সহযোগ লাগে সেইখিনিও মুখ্যমন্ত্ৰী ডাঙৰীয়াই আগবঢ়াই নিব। অসমবাসীয়ে আমাৰ সকলোৰে মৰমৰ শিল্পী জুবিন গাৰ্গৰ সপোন, ধ্বনি আৰু চিৰজীৱি সত্তাক আগলৈ লৈ গৈ অমৰ কৰি ৰাখিবলৈ বহুতো দাবী আগবঢ়াইছে । এই দাবীবোৰৰ মাজত আটাইতকৈ গুৰুত্বপূৰ্ণ দাবী হৈছে যিটো মই বিবেচনা কৰো, সেইটো হৈছে যে গুৱাহাটী বিমানবন্দৰৰ নতুন terminal খনক জুবিন গাৰ্গ আন্তঃৰ্জাতিক terminal হিচাপে ঘোষণা কৰিব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী বিমানবন্দৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নামত উৎসৰ্গিত হৈ আছে আৰু তাত আমি লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ডাঙৰ statue এটাও বনাইছো গতিকে গুৱাহাটী বিমানবন্দৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নাম কৰ্তন কৰিব পৰা নাযাব।

**মাননীয় অধ্যক্ষ ঃ** মই এটা কথা সদনত ক'ব বিচাৰিছো কিছুমান কথা আমি ইয়াত directly প্ৰস্তাৱ নাৰাখি আলোচনামৰ্মে যদি কৰা হয়, তেতিয়া ভাল হয় কিয়নো ইতিমধ্যে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নামত নামাকৰণ হৈয়ে আছে। তেওঁৰ ওপৰত আপুনি প্ৰস্তাৱ দাঙি ধৰিলে। মই অকল আপানাকে কোৱা নাই, সদনত সকলোকে কৈছো যাতে আলোচনাৰ মাধ্যমেৰে হ'লে ভাল হয়।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিহেতু tribute বুলি কৈছে, আমি সমালোচনা নকৰি এটা tribute হিচাপে মই ধাৰণা কৰিছো বা উত্থাপন কৰিছো। মই ভাৱো যে এই পদক্ষেপ কেৱল অসমবাসীৰ গভীৰ আবেগ আৰু সঁচা ভালপোৱাৰ প্ৰতিফলনে নহয় আৰু জুবিন গাৰ্গৰ যথাযোগ্য সন্মান জনোৱাৰ এক ঐতিহাসিক পদক্ষেপ হ'ব। তেওঁৰ সংগীত, সংস্কৃতি, সমাজ-সেৱা আৰু অসমীয়া জাতীয় চেতনাৰ ক্ষেত্ৰত যি অমূল্য অৱদান আগবঢ়াই গ'ল সেইবোৰৰ প্ৰতি আন্তঃৰ্জাতিক পৰিসৰত সিক্ত প্ৰতীক হিচাপে এই নামাকৰণ চিৰস্মৰণীয় হৈ থাকিব। জুবিন গাৰ্গ কেৱল এজন শিল্পীয়ে নহয়, তেওঁ আছিল অসমৰ হৃদয়স্পন্দন, অসমীয়া জাতিৰ অলংকাৰ আৰু নতুন প্ৰজন্মৰ অনুপ্ৰেৰণা।

(Deputy Speaker on the chair)

গুৱাহাটীৰ এই নতুন terminal খনৰ নাম তেওঁৰ নামেৰে নামকৰণ কৰা মানেই

আমাৰ সংস্কৃতি, আমাৰ শিল্প আৰু আমাৰ অনুভৱক সুৰক্ষিত কৰি আগলৈ লৈ যোৱা হ'ব। গতিকে অসমবাসীৰ আন্তৰিক আকাংক্ষা আৰু দাবীক সন্মান জনাই গুৱাহাটী বিমান বন্দৰৰ নতুন terminal খনৰ নাম জুবিন গাৰ্গ আন্তঃৰ্জাতিক terminal হিচাপে শীঘ্ৰে নামাকৰণ কৰাৰ বাবে অসম আৰু কেন্দ্ৰীয় চৰকাৰক আহ্বান জনালো। মই আকৌ clear কৰিব বিচাৰিছো যে ইতিমধ্যে গোপীনাথ বৰদলৈৰ নামাকৰণ হৈ থকা নামটো কৰ্তন কৰাৰ কথা কোৱা নাই। নতুন যিটো terminal, এতিয়ালৈ complete হোৱা নাই, সেইটোৰ নামহে জুবিন গাৰ্গ আন্তঃৰ্জাতিক terminal হিচাপে নামাকৰণ কৰাৰ প্ৰস্তাৱ দিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন,(বৰক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ শ্ৰদ্ধাৰ শিল্পী, যুগনায়ক জুবিন গাৰ্গ ডাঙৰীয়াৰ বিষয়ে মোক এই সদনত দু-আষাৰ ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। তেখেত একেৰাহে কণ্ঠশিল্পী, সুৰকাৰ, অভিনেতা, চলচিত্ৰ প্ৰযোজক, পৰিচালক, নাট্যকাৰ, বাদ্যযন্ত্ৰী, সমাজকৰ্মী আৰু মানৱ দৰদী শিল্পী। জুবিন গাৰ্গ ডাঙৰীয়াৰ ১৯ চেপ্তেম্বৰত মহাপ্ৰয়াণ হোৱাৰ পাছতে অসমৰ প্ৰত্যেকজন মানুহে হৃদয়ত এটা ব্যথা লৈ জীয়াই থাকিবলগীয়া হৈছে। সেইকাৰণে জুবিন গাৰ্গ ডাঙৰীয়াৰ শেহতীয়া যিকেইটা গান আছিল তাৰ ভিতৰত "মই নথকাৰ অনুভৱ যিদিনা হ'ব তোমাৰ, সিদিনা অশ্ৰু নিগৰিব নে কোৱা", "মোৰ কবিতাৰ ছন্দ, গানৰ সুৰ বুজিবা তুমি সেইদিনা, যিদিনা মই নাথাকিম জানা, তোমাৰ প্ৰিয় গীত গাবলৈ" অন্যতম, আজি জুবিন গাৰ্গৰ যি হত্যাকাণ্ড, মুখ্যমন্ত্ৰী মহোদয়ে কোৱাৰ নিচিনা, এই হত্যাকাণ্ডৰ এটা উচিত তদন্ত মুখ্যমন্ত্ৰী মহোদয়ে বিচাৰিছে।

যিদিনা জুবিন গাৰ্গ ডাঙৰীয়াৰ মহাপ্ৰয়াণ হৈছিল তাৰ পিছতে অসমৰ যিটো পৰিৱেশ, সেইটো ইতিহাসত কোনোকালেই অসমৰ ৰাইজে প্ৰত্যক্ষ কৰা নাছিলে। দিনে নিশাই একাকাৰ কৰি নুশুৱাকৈ বিমান বন্দৰত লাখ লাখ মানুহে থিয় হৈ আছিলে, তাত মইয়ো আছিলো। এইটো অতি দুখলগা কথা যে অসম চৰকাৰে বা ভাৰত চৰকাৰে শিল্পী গৰাকীৰ নশ্বৰ দেহ ছিংগাপুৰৰ পৰা গুৱাহাটীলৈ পোনপটীয়াকৈ চাৰ্টাৰ্ড বিমানৰ যোগেৰে আনিব নোৱাৰিলে। আনকি দিল্লী Air Port ৰ পৰাও বাৰম্বাৰ আমাক কৈ থকা হ'ল যে তেখেতৰ কফিনটো এখন Special Craft ত আহিব আৰু শেষ মূহুৰ্তত জনোৱা হ'ল যে কফিনটো অলপ ডাঙৰ কাৰণে Air Craft ত নোসোমায়। তেতিয়া Air India Express ৰ যোগেৰে তেখেতক লৈ অনা হ'ল। এইটো হ'ব নালাগিছিল। অন্তত জুবিন গাৰ্গক অসম চৰকাৰে এইখিনি সন্মান জনাব লাগিছিল। আজি জুবিন গাৰ্গ ডাঙৰীয়া অকল অসমীয়াতেই নহয়, বিভিন্ন ভাষাত তেখেতে ৩৮,০০০ ত কৈও অধিক গান গাই গৈছে। তেখেতে এটা দাতব্য সংস্থা 'কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন'ৰ নামতো আৰ্টিষ্ট সকলৰ বাবে কাম কৰিছিল। অসমৰ ৰাইজে আজিও বিচাৰি আছে যে এই হত্যাকাণ্ডৰ এটা উচিত তদন্ত হওক। কিন্তু SIT য়ে, যিটো কথা অখিল গগৈ আৰু দেৱব্ৰত ডাঙৰীয়াও কৈছে, আমি দেখিছো যে এতিয়া তদন্তৰ নামত জুবিন গাৰ্গৰ মাইক্ৰোফোনটো কিমান টকাত কিনা হ'ল, কোনে কিমান তাৰ কমিশ্যন খালে, তেওঁৰ ঘৰটো বনাওঁতে চিমেন্ট কিমান টকাত কিনিলে, ইটা-বালি কোনে দিলে তাৰ তদন্ত হৈ আছে। শেহতীয়াভাৱে আমি দেখিছো যে বিহু কমিটিত কোনে কিমান টকা দিছিলে, কিমান পাবলগীয়া আছিলে, এতিয়া সেইটোয়ে চলি আছে। আচলতে যিসকলে তেখেতক ইয়াৰ পৰা লৈ গৈছিলে, LOP ডাঙৰীয়াই কোৱাৰ নিচিনা যে তেখেতে নিজেই এটা সাক্ষাৎকাৰত কৈছিলে যে মোৰ যাবলৈ মন নাই কিন্তু মই নগলে তেওঁলোকে suicide কৰিব। তেখেতক লৈ

যোৰাৰ পাছত তেখেতসকলৰ দায়িত্ব থাকিব লাগিছিলে।

External Ministry য়ে মাননীয় মুখ্যমন্ত্রী মহোদয় লৈ চিঠি লিখিছে, তাত মাননীয় মুখ্যমন্ত্রী মহোদয়ে 6 week বুলি কৈছে। কি কৈছে ভালদৰে আমি নাজানো। কিন্তু এই ক্ষেত্রত External Ministry ও সাৰি যাব নোৱাৰে। এই গোটেই তদন্তখিনি আওঁতাৰ ভিতৰত আহিব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অসম পুলিচৰ প্রতি বিশ্বাস নথকা নহয়, নিশ্চিতভাৱে আমাৰ বিশ্বাস আছে। যিহেতু Place of occurance টো ভাৰতবৰ্ষৰ বাহিৰত গতিকে মই আজি এই সদনৰ যোগেদি আহ্বান জনাইছো আমাৰ  যুগনায়ক মহান শিল্পী জুবিন গাৰ্গৰ হত্যাৰ তদন্তটো CBI ৰ জৰিয়তে কৰাব লাগে। তেতিয়াহে অসমৰ মানুহে ন্যায় পাব বুলি মই ধাৰণা কৰো। এইক্ষেত্রত আমাৰ মুখ্যমন্ত্রী মহোদয় আছেই, তেখেতে কেইটামান কথা কৈছে যিটো আমাৰো শুনি অলপ বেয়া লাগে। মাননীয় মুখ্যমন্ত্রী মহোদয়ে বাৰে বাৰে কৈ আছে যে জুবিন ক্ষেত্রত কোনোবাই মদ খাই গৈছে। কথাটো হয়, আমাৰ বিয়া-সবাহ, দুৰ্গাপূজা বা অন্যান্য কিছুমান ৰাজহুৱা অনুষ্ঠানত দুই চাৰিটা মানুহে মদ খাই আহিব পাৰে কাৰণ অসম চৰকাৰে মদৰো license দিছে। কিন্তু এইটোৱে নুবুজায় যে জুবিন ক্ষেত্রলৈ যোৱা প্রত্যেকজন মানুহে মদ খাই গৈছে। হাজাৰ হাজাৰ এনেকুৱা লোক আছে যিসকলে জুবিন ক্ষেত্রলৈ গৈছে মাত্র জুবিন গাৰ্গৰ শ্রদ্ধা জনাবলৈ। গতিকে মই আজি মাননীয় সদনৰ যোগেদি মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াক অনুৰোধ জনাইছো যে জুবিন ক্ষেত্রখন আটক ধুনীয়াকৈ ৰাখক আৰু যিটো তদন্ত চলি আছে সেই তদন্ত CBI  ক অৰ্পণ কৰাৰ দাবী জনাই মোৰ দু-আষাৰ সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্রী মহোদয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্রী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ সদনত আৰম্ভনিতে বিৰোধী দলপতি শ্ৰী দেৱব্রত শইকীয়া ডাঙৰীয়াই জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ বিষয়টো আমাৰ সন্মুখলৈ আনি সভা স্থগিত প্রস্তাৱৰ বাবে সদনৰ ওচৰত জাননী প্রদান কৰিছিলে। সংসদীয় গণতন্ত্রত সাধাৰণতে শাসক পক্ষই সভা স্থগিত প্রস্তাৱৰ বিৰোধীতা কৰে আৰু আজিও স্বাভাৱিকভাৱে আমিও সভা স্থগিত প্রস্তাৱৰ বিৰোধীতা কৰিব লাগিছিল। কিন্তু আমি কোনেও এই প্রস্তাৱৰ বিৰোধীতা নকৰি তাক পূৰ্ণ সমৰ্থণ এই কাৰণে আগবঢ়াইছিলো যে জুবিন গাৰ্গৰ মৃত্যু, জুবিন গাৰ্গৰ হত্যা অসমৰ বাবে এটা অপূৰণীয় ক্ষতি আৰু এই ক্ষতি হয়তো অসমৰ প্রজন্মই কেতিয়াও পূৰণ কৰিব নোৱাৰে। জুবিন গাৰ্গৰ ক্ষতি অসমৰ প্রতিজন ব্যক্তিৰ, প্রতিটো পৰিয়ালৰ, প্রতিটো জাতি-উপজাতিৰ ক্ষতি। আমাৰ জাতিয়ে এক মহান মূল্যৱান  অমৰ সম্পদক হেৰুৱাই পেলালে। মোৰ আজিও মনত আছে, জুবিন গাৰ্গক গুৱাহাটীৰ এটা ব্যক্তিগত TV channel য়ে যেতিয়া শ্রেষ্ঠ অসমীয়াৰ সন্মান যাচিবৰ বাবে এটা অনুষ্ঠান আয়োজন কৰিছিল সেই অনুষ্ঠানত তেখেতক মই সন্মুখত ৰাখি কৈছিলো যে জুবিন অসমৰ এক জাতীয় সম্পদ আৰু জুবিনক আমি সদায় তেওঁৰ সৃষ্টিৰে জীয়াই ৰাখিব লাগিব। জুবিন আমাৰ বাবে সদায় আদৰৰ, প্ৰাণৰ শিল্পী হৈ থাকিব। এই প্রজন্মই জুবিনৰ ওচৰত সদায় ঋণী হৈ থাকিব লাগিব। এই বক্তব্য জুবিনৰ মৃত্যুৰ পিছত মই দিয়া নাছিলো। জুবিনৰ জীৱন কালত জুবিনৰ সন্মুখত মই তেখেতক এইদৰে শ্রদ্ধা দিছিলো। সেইদিনা জুবিনে এটা কথা

কৈছিল যিটো মই আজিও মনত পেলাও যে হিমন্ত দাক মই মুখ্যমন্ত্ৰী হিচাপে সম্বোধন নকৰো, মই হিমন্ত দাক হিমন্ত দা হিচাপে কম। গতিকে ব্যক্তিগত হিচাপে আৰু মুখ্যমন্ত্ৰী হিচাপে আমাৰ সকলোৰে আবেগ জুবিনৰ লগত সমাহিত হৈ আছে আৰু সেইকাৰণে আমি জুবিনৰ হত্যা ------ interruption----

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** Politics নকৰিব, জুবিন গাৰ্গে গানটো আপোনাৰ আৰু সৰ্ব্বানন্দ সোনোৱালৰ কাৰণে গাইছিলে।

**মাননীয় উপাধ্যক্ষ ঃ** অখিল গগৈ বহক। আপুনি reply টো শুনক। কিবা থাকিলে আপুনি পিছত ক'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ**ৈ মাননীয় উপাধ্যক্ষ মহোদয়, মই যিমানদূৰ জানো গানটো অখিল গগৈৰ কাৰণে গাইছিলে। 'অসমৰ আনন্দ সৰ্ব্বানন্দ' বুলি জুবিন গাৰ্গে গাইছিলে। মই অখিল গগৈক হাতজোৰ কৰি অনুৰোধ জনাইছো যদি আপোনাৰ জুবিন গাৰ্গৰ প্ৰতি সচাঁকৈ শ্ৰদ্ধা আছে, আজি অন্তত আপুনি ভালকৈ behave কৰক।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** আপুনি জুবিন গাৰ্গৰ হত্যাকাণ্ডটো CBI ক দিয়ক।

**মাননীয় উপাধ্যক্ষ ঃ** অখিল গগৈ please behave properly.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জুবিনৰ প্ৰতি থকা সকলোৰে মৰমক সন্মান জনাই আমি আজি সভা স্থগিত প্ৰস্তাৱত বিৰোধিতা কৰা নাই, সমৰ্থন কৰিছো আৰু বিৰোধী পক্ষই যাতে পৰ্য্যাপ্ত সময় পায় তাৰবাবে আমি এজনেও বক্তব্য ৰখাৰ পৰা বিৰত আছো। ৰাজ্যৰ সংসদীয় ইতিহাসত এনে ঘটনা বিৰল আৰু প্ৰথম বাৰৰ বাবে সংঘটিত হৈছে যিয়ে এক প্ৰকাৰ মহান শিল্পী জুবিন গাৰ্গ ডাঙৰীয়ালৈ আমাৰ শ্ৰদ্ধাঞ্জলি বুলি অভিহিত কৰিব পাৰি। জুবিন গাৰ্গৰ গোটেই পৰিক্ৰমা, ১৯/০৯/২০২৫ তাৰিখে জুবিন গাৰ্গৰ মৃত্যু হয় আৰু তাৰপৰা আজিলৈকে হোৱা গোটেই ঘটনা বা তদন্ত তাৰ গোটেই পৰিক্ৰমাটো মই সদনত দাখিল কৰিব বিচাৰিছো। তাৰ প্ৰচেষ্টাৰ অংশ হিচাপে Later Rogatory ৰ ওপৰত অখিল গগৈ ডাঙৰীয়াৰ যিটো বিবৃতি তাকো মই চুই যাম আৰু মুখ্যমন্ত্ৰীয়ে জুবিন গাৰ্গৰ ঘটনাটো হত্যা বুলি কিয় কৈছে তাৰো এটা স্পষ্ট উত্তৰ মই আপোনালোকক দিব বিচাৰিছো। জুবিন গাৰ্গৰ মৃত্যু ১৯/০৯/২০২৫ তাৰিখে হয়। ২০/০৯/২০২৫ তাৰিখে আমি প্ৰথম FIR ৰেজিষ্টাৰ কৰো অৰ্থাৎ প্ৰথম দিনাখনেই আমাৰ সন্দেহ হয় যে জুবিন গাৰ্গৰ মৃত্যু স্বাভাৱিক ঘটনা নহয় আৰু লগে লগে BNS Section 61 Criminal Conspiracy, 105 Culpable Homicide, 106 causing death by rash and neglegent acts তাক আমি ২০ তাৰিখে register কৰো। কিন্তু এই ঘটনাৰ প্ৰাৰম্ভিক তদন্ত কালত অসম পুলিচে নিশ্চিত হয় যে এই ঘটনা Culpable Homicide নহয় it is a planning and Simple Murder. তাৰ কাৰণে ঘটনাৰ দুদিনৰ ভিতৰত অসম চৰকাৰে আদালতত প্ৰাৰ্থনা জনাই these are matter of records. মুখ্যমন্ত্ৰীয়ে জনাৰ কথা নহয়,

অসমৰ সকলো উকীল, Judge এ জানে।

(Hon'ble Speaker in the Chair)

These are public records আৰু তাৰ certified copy ও আপোনালোকে ল'ব পাৰে। দুদিনৰ ভিতৰত SIU নিৰ্মাণ হোৱাৰ লগে লগে অসম চৰকাৰে মহামান্য আদালতক অনুৰোধ জনাই যে এই ঘটনা হত্যা আৰু মহামান্য আদালতত আমি আবেদন কৰো যে এই 61,105, 106 ৰ লগত section 103 add কৰিব লাগে। ইয়াৰ ওপৰত আদালতত বিতৰ্ক হয় আৰু আদালতত বিতৰ্ক হোৱাৰ পিছত অসম পুলিচৰ আবেদনক গ্ৰাহ্য কৰি মহামান্য আদালতে Section 103 add কৰে। তাৰমানে this is murder from day 3. ইয়াত মুখ্যমন্ত্ৰীয়ে কোৱা কথা নহয়, অসম পুলিচে আদালতত আবেদন কৰে যে মহামান্য আদালত প্ৰথমতে আমি ইয়াক Criminal Conspiracy, Culpable Homicide, causing death by rash and neglegent acts বুলি ভাৱিছিলো। কিন্তু প্ৰাৰম্ভিক তদন্ত কালত আমি সন্তুষ্ট বা নিশ্চিত হওঁ যে জুবিন গাৰ্গৰ মৃত্যু Culpable Homicide, causing death by rash and neglegent নহয় it is a planned murder. আমাৰ আবেদন কোৰ্টে গ্ৰহণ কৰে আৰু কোৰ্টে অনুমতি দিয়ে যে আপোনালোকে 103 add কৰিব পাৰে। আমি যদি Section 103 add নকৰিলো হেঁতেন আজিলৈকে গোটেইকেইজন অভিযুক্তৰ bail হ'ল হেঁতেন। সিদ্ধাৰ্থ শৰ্মাও দুমাহৰ পিছত বাহিৰলৈ আহিল হেঁতেন।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** Election ৰ কাৰণে ......

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সদনৰ গোটেই discussion টো অসমৰ লাখ লাখ মানুহে লক্ষ্য কৰি আছে আৰু অখিল গগৈয়ে যদি সদনত টুলুঙা কথা যেনে election ect. ৰ কথা কয় তেনেহ'লে অধ্যক্ষ মহোদয় প্ৰয়োজন হ'লে মোৰ বিবৃতিটো শুনাৰ স্বাৰ্থত যদি অখিল গগৈক সদনৰ পৰা অলপ সময়ৰ কাৰণে বাহিৰলৈ পঠিয়াব লগীয়া হ'লে পঠিয়াব লাগিব। কাৰণ তেওঁক আমি সদন হাতত ল'বলৈ নিদিওঁ আৰু তেওঁ অকলে সদনখন হস্তক্ষেপ কৰিব নোৱাৰে। অধ্যক্ষ মহোদয়, মই প্ৰথম প্ৰশ্নটোৰ উত্তৰ দিলো। এতিয়া, মুখ্যমন্ত্ৰীয়ে হত্যা বুলি কেনেকৈ গম পালে? এইয়া হত্যা বুলি মোক SIT য়ে কোৱা নাই because from the very third day it is a cause of murder. যিমান bail application, remand application আজিলৈকে কোৰ্টত আদান-প্ৰদান হৈছে গোটেইখিনি Section 103 ৰ ওপৰত হৈছে আৰু এই বিষয়টো আজিলৈকে বিৰোধী পক্ষই গম পোৱা নাই। তাৰ পৰা মই অনুভৱ কৰো যে বিৰোধী পক্ষৰ গোটেই ঘটনাটোৰ ওপৰত সম্যক ধাৰণা হোৱা নাই। নহ'লে অন্ততঃ কোৰ্টত গৈ আমি custody বিচৰা forwarding report খন বা কোৰ্টে custody grant কৰা order ৰ photostate copy, certified copy ৰ যি public record আজি বিৰোধী পক্ষৰ হাতে হাতে থাকিব লাগিছিল। কিন্তু আজি বিৰোধী পক্ষৰ হাতত public documents খিনিও নাই।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** আছে, আছে। আমাক দেখুৱাবলৈ অলপমান সময় দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এতিয়া বহক। পিছত দি দিব।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** যদি বিৰোধী পক্ষৰ হাতত documents আছে মোক কিয় সুধি আছে যে মুখ্যমন্ত্ৰীয়ে হত্যা বুলি কেনেকৈ গম পালে? It is a cause of murder from the very first day. আজিলৈকে সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্ত, অমৃতপ্ৰভা, শেখৰজ্যোতি যে

জেলত আছে তেওঁলোক murder case ত জেলত আছে। গতিকে এই কথাটো মই আজি House ত clear কৰি দিলো। This case has been registered under Section 61, 105, 106 and 103 of Bharatiya Nyaya Sanhita আৰু এই 103 য়েই হৈছে পুৰণি 302. So that কোনো ধৰণৰ confusion নাথাকে যে This is a plain and simple case of murder. ইয়াতে সন্দেহৰ অৱকাশ নাই যে that is the case of SIT. ইয়াৰ পিছত FIR registered হ'ল । জুবিন গাৰ্গৰ ১৯ তাৰিখে সন্ধিয়া মৃত্যু/ হত্যা হয়। Singapore Authority য়ে postmortem ৰ সম্পূৰ্ণ প্ৰক্ৰিয়া সমাপ্ত কৰাৰ পিছত আমি দ্ৰুতগতিত জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ অসমলৈ ওভতাই আনো। অসমৰ ৩ কোটি জনসাধাৰণক প্ৰতিনিধিত্ব কৰি ...

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** আপুনি চাৰ্টাৰ্ড বিমানেৰে আনিম বুলি নানিলে......

**মাননীয় অধ্যক্ষ ঃ** আপোনাক warning দিছো যে ইয়াৰ পিছত যদি interrupt কৰে তেতিয়াহ'লে বাহিৰলৈ যাব লাগিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অসমৰ চাৰে তিনি কোটি মানুহক প্ৰতিনিধিত্ব কৰি মই নতুন দিল্লীলৈ যাওঁ আৰু জুবিন গাৰ্গক অসমৰ ৰাইজৰ হৈ পাৰ্থিৱ শৰীৰটো গ্ৰহণ কৰো আৰু ৰাতিপুৱাতেই আমি তেখেতক গুৱাহাটীলৈ লৈ আনো আৰু ক্ষিপ্ৰ গতিত আমি তেখেতক ক'ত কেনেকৈ অন্তিম সংস্কাৰ কৰা হ'ব, লাখ লাখ মানুহৰ আবেগৰ মাজতো আমি যি ধৰণে পাৰো সন্মান আৰু মৰ্য্যদাৰে জুবিন গাৰ্গক আমি এই পৃথিৱীৰ পৰা বিদায় দিওঁ যদিও আমাৰ মাজত সদায় জীয়াই থাকিব। মাননীয় অধ্যক্ষ মহোদয়, জুবিনৰ পাৰ্থিৱ শৰীৰ আমাৰ মাজত থকা সময়তে এচাম লোকে দাবী কৰে যে জুবিনৰ গাৰ্গৰ দ্বিতীয়বাৰৰ বাবে গুৱাহাটীত post mortem কৰিব লাগে। আমি লগে লগে সেই দাবী মানি লওঁ। মৰমৰ শিল্পী গৰাকীৰ শৰীৰটো বাৰে বাৰে কটাত মোৰ বহুত ইচ্ছা নাছিল। তথাপিটো যিহেতু জুবিন মোৰ নহয়, আমাৰ, গতিকে লগে লগে এই অনুৰোধ আমি ৰক্ষা কৰো আৰু দ্বিতীয়বাৰৰ বাবে গুৱাহাটী মেডিকেল কলেজ হস্পিতালত জুবিনৰ post mortem সমাপন কৰো। গুৱাহাটী মেডিকেল কলেজত জুবিনৰ post mortem কৰোতে আমি AIIMS Guwahati ৰ ডাক্তৰকো আমি কমিটিত ৰাখো যাতে গুৱাহাটী মেডিকেল কলেজ আৰু AIIMS Guwahati ৰ এটা যৌথ প্ৰচেষ্টাত হয়। ২৪ তাৰিখে আমি জুবিনৰ Viscera sample CFSL New Delhi লৈ Toxicological Examination বাবে প্ৰেৰণ কৰো। Medical Evidence হিচাপে গুৱাহাটী মেডিকেল কলেজে আমাক ০৩-১০-২০২৫ তাৰিখে post mortem report দাখিল কৰে। ১০-১০-২০২৫ তাৰিখে Viscera report আমি CFSL New Delhi ৰ পৰা লাভ কৰো। Diatom Test Report আমি ০৬-১০-২০২৫ তাৰিখে CFSL New Delhi ৰ পৰা লাভ কৰো। গুৱাহাটী মেডিকেল কলেজে জুবিনৰ মৃত্যু বা হত্যাৰ Final opinion ১২-১০-২০১৫ তাৰিখে আমাক দাখিল কৰে। ইয়াৰ পিছত ছিংগাপুৰৰ পৰা আমাৰ পুলিছে ছিংগাপুৰ কৰ্তৃপক্ষই কৰা post mortem report আমাক দিব। ছিংগাপুৰৰ যিখন post mortem report, তাক আকৌ আমি গুৱাহাটী মেডিকেল কলেজলৈ প্ৰেৰণ কৰো যে আপোনালোকৰ post mortem report আৰু ছিংগাপুৰৰ post mortem report ৰ মাজত কিবা পাৰ্থক্য আছে নেকি? বা direction টো একেটাই আছে নে নাই বা ইয়াত কিবা দ্বিমত আছে নেকি? গুৱাহাটী মেডিকেল কলেজে by and large ছিংগাপুৰৰ post mortem report খনক endorse কৰে আৰু দুয়োটা post mortem report ৰ ওপৰত ফাইনেল ৰিপোৰ্ট

আমি ০৫-১১-২০২৫ তাৰিখে লাভ কৰো। ইয়াৰ পিছত জুবিন গাৰ্গৰ লগত জড়িত, এই হত্যাকাণ্ডৰ লগত জড়িত বিভিন্ন witness examination and more importantly motive , মই যেতিয়া কৈছিলো যে জুবিনৰ chargesheet ৰ পিছত অসমবাসীয়ে দুখ পাব, কষ্ট পাব। তাৰ মুখ্য কাৰণটোৱেই হৈছে motive. যদি অসমবাসীয়ে motive টো গম পায় মানুহটো আনন্দিত হ'ব নোৱাৰে, মানুহেটো দুখেই পাব। These are general statement, যিটো আপুনিও দিব পাৰে, মই ও দিব পাৰো। মৰমৰ শিল্পী এগৰাকীক কোনোবাই হত্যা কৰিলে হত্যাকাণ্ডৰ chargesheet ৰ দিনাখনটো মানুহে আনন্দ নকৰে, সিদিনাখনটো মানুহে দুখেই পাব। আজি আমি গোটেই motive examination কৰি ২৫২ জন সাক্ষীৰ statement record কৰো। ২৯ জন মেম্বাৰৰ ২৯ টা seizure আমি এতিয়ালৈকে কৰিব পাৰিছো। ৭ জন ব্যক্তিক আমি গ্ৰেপ্তাৰ কৰিছো। গ্ৰেপ্তাৰ কৰা লোকসকলৰ নাম আপোনালোকে জানেই। সিদ্ধাৰ্থ শৰ্মা, শেখৰ জ্যোতি গোস্বামী, শ্যামকানু মহন্ত, অমৃত প্ৰভা মহন্ত, সন্দীপন গাৰ্গ, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰা। ইয়াৰ পিছত এই investigation চলি থাকোতে ভাৰত চৰকাৰে Mutual Legal Assistance Treaty ৰ অধীনত অসম চৰকাৰক সহযোগিতা কৰিবৰ বাবে ছিংগাপুৰ চৰকাৰক অনুৰোধ কৰে। ছিংগাপুৰ চৰকাৰক অনুৰোধ কৰাৰ উপৰিও পৰ ৰাষ্ট্ৰৰ মন্ত্ৰী জয় শঙ্কৰ ডাঙৰীয়াই ছিংগাপুৰ কৰ্তৃপক্ষৰ লগত নিজে কথা পাতে। ছিংগাপুৰ কৰ্তৃপক্ষই অসম পুলিচক ছিংগাপুৰলৈ যাবলৈ অনুমতি দিয়ে আৰু আমি ২১-১০-২০২৫ তাৰিখে ছিংগাপুৰৰ আৰক্ষীক সাক্ষাৎ কৰো। ০৪-১১-২০২৫ তাৰিখে আমি বিচৰা তথ্যখিনি ছিংগাপুৰ কৰ্তৃপক্ষই High Commissioner ৰ জৰিয়তে অসম চৰকাৰলৈ প্ৰেৰণ কৰে আৰু ১৩-১১-২০২৫ ছিংগাপুৰৰ পৰা অহা documents আমি through diplomatic carrier লাভ কৰো। ১০ জন NRI কে ধৰি আমি সকলোৰে investigation, witness কৰো আৰু সকলোৰে original mobile ৰ পৰা প্ৰয়োজনীয় ভিডিঅ' য'ত যি উপলব্ধ আছিল তাক আমি seized কৰো। সেইবোৰ আমি post mortem আৰু Forensic examination লৈ পঠিয়াই দিওঁ। Digital evidence আৰু Digital Forensic examination কৰো। এই গোটেইবোৰ বৰ্তমান case diary ৰ অংশ হৈ পৰিছে। প্ৰয়োজনীয় কথাটো হ'ল যে আমাৰ ভাৰত বৰ্ষৰ যি BNS আৰু BNSS দুখন বেলেগ সংহিতা আছে। এখন হ'ল ভাৰতীয় ন্যায়িক সংহিতা, যিখন IPC ৰ পৰা নিৰ্মাণ কৰা হৈছে আৰু আনখন হৈছে ভাৰতীয় ন্যায় সুৰক্ষা সংহিতা, যিখন Criminal CrPC ৰ পৰা evidence হৈছে। ভাৰতীয় স্বাস্থ্য সংহিতা Indian Evidence Act ৰ পৰা হৈছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মই ভাৰতীয় নাগৰিককে কৈছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** আপুনি ন্যায় কৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** ঠিক আছে, BNS নাগৰিকেই ধৰক। যিখন Indian Evidence Act ৰ পৰা আহিছে, য'ত evidential কথা মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই কৈছে। Evidential issue আছে, যিখন ভাৰতীয় স্বাস্থ্য সংহিতা, যাক BNSS বুলি কোৱা হয়। জুবিন গাৰ্গৰ ঘটনাৰ তদন্ত কৰাৰ পিছত Section 208 of the BNS য়ে কয় যে- When an offence is committed outside of India by a citizen of India whether on the high sea or else where or by a person not being such citizen on any ship/aircraft registered in India, he may be told

within respect of such offence as if, it has been committed any place within India. ইয়াত কোৱা হৈছে যে foreign ৰ কথা ইয়াত কেনেকৈ তদন্ত কৰিব। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাই কৈছে যে বিদেশৰ ঘটনাও as if it has happened in India এইটো কোৰ্টে কৈছে যে আমি যদি কোনেও সিদ্ধাৰ্থ আৰু শ্যামকানুক বচাব খোজা নাই, তেতিয়াহ'লে আমি আইনৰ কথাখিনি শুনিবই লাগিব। আইনে কৈছে যে as if it has committed in India, offence can be registered in India. তাৰ মানে আমি ধৰি ল'ম যে ঘটনাটো ছিংগাপুৰত হোৱা নাছিল, ঘটনাটো as if it has happened in India আৰু আমি register কৰিব পাৰো। কিন্তু ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাই কৈছে যে তোমালোকে register কৰিব পাৰা, তদন্ত কৰিব পাৰা কিন্তু before chargesheet ভাৰত চৰকাৰৰ অনুমতি ল'ব লাগিব। Section 208 ত কৈছে যে provided notwithstanding any thing of the procedings section of this chapter no such offence shall be inquired into or drive in India accept with the previous sanction of the Central Government, তাৰমানে Central Government ৰ যদি আমি sanction পাওঁ আমি ধৰি ল'ম offence has been committed as if in India আৰু আমি chargesheet দিব পাৰিম। But before giving chargesheet it requires a previous sanction of MHA.মই পবিত্ৰ সদনক জনাবলৈ পায় অতি আনন্দিত যে ইয়াত SIT ৰ ওপৰত সন্দেহ প্ৰকাশ কৰা হৈছে কিন্তু SIT could convince to Ministry of Home Affairs in Government of India. আৰু ১৮ তাৰিখে জুবিনৰ ওপজা দিনৰ দিনা ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ে ....

**শ্ৰী অখিল গগৈ, বিধায়ক, শিৱসাগৰ ঃ** এইটো normal কথা।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মইনো কি ক'ম তেখেতে সকলো জানে, তেতিয়া হ'লেটো একোৱেই নালাগে তেখেতকে SIT **টোৰ হেড কৰি দিলে হ'ল**। মাননীয় অধ্যক্ষ মহোদয়, ১৮ তাৰিখে আমি Ministry of Home Affairs ৰ পৰা জুবিনৰ ঘটনাটোক হত্যা বুলি আকৌ মই ৰিপিট কৰিছো, জুবিনৰ ঘটনাটোক হত্যা বুলি ভাৰত চৰকাৰক পতিয়মান জনাই আমি IPC আৰু BNSৰ IPC-302আৰু BNSৰ ১০৩ ত অভিযোগনামা দাখিল কৰিবলৈ অনুমতি লাভ কৰো। মাননীয় অধ্যক্ষ মহোদয় ৮ তাৰিখ বা ১০ তাৰিখে আমি এই গোটেই ঘটনাটোৰ সম্পূৰ্ণ সাক্ষী প্ৰমাণসহ আমি গুৱাহাটীৰ আদালতত অভিযোগনামা দাখিল কৰিম। অভিযোগনামা দাখিল কৰাৰ পিছত আমি গুৱাহাটীৰ উচ্চ ন্যায়ালয়ৰ মুখ্যন্যায়াধীশক আবেদন কৰিম যে এই গোটেই ঘটনাটো Fast track court ত বিচাৰ হ'ব লাগে আৰু অসম চৰকাৰে special public prosecutor এই ঘটনাটোক logical conclusion লৈকে লৈ যাবৰ কাৰণে আমি special public prosecutor নিযুক্ত কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, CID য়ে যেতিয়া চাৰ্জচিট দাখিল কৰিব আমি যদি সদনত বিধায়ক সকলে SITৰ ভুল উলিয়াবলৈ আৰম্ভ কৰো তাৰ মানে আমি কাক সহায় কৰিব খুজিছো? তাৰ মানে গুৱাহাটীৰ উকীল সমাজে কৈছে, শ্যামকানু আৰু সিদ্ধাৰ্থক আমি কোনো Legal assistance নিদিওঁ । তেওঁলোকে ইতিমধ্যে ৰেকৰ্ডত কৈছে, কিন্তু আজি আমি তেওঁলোকক indirectly Legal assistance দি আছো। আজি বিৰোধীৰ বক্তব্যৰ জৰিয়তে শ্যামকাণু আৰু সিদ্ধাৰ্থক আমি Legal assistance দি আছো। এইটো ভুল,সেইটো ভুল তাৰমানে আমাৰ intension টো কি? হত্যা বুলি ক'লেও বেয়া পায়

আৰু মই কৈছো যে আমি full proof inquiry কৰিছো। ন'হলে আমাক Ministry of Home Affairs য়ে অনুমোদন নিদিলে হেতেন। আমাৰ যদি সাহস নাথাকিলেহেতেন আমি Fast track court তকৰিব অনুৰোধ নকৰো। Fast track court তৰিজাল্টটো নিৰ্বাচনৰ আগটো হ'ব পাৰে ।আমি সাহস কৰিছো কাৰণ we have confidence on the inquiry and the quality of inquiry of our SIT অধ্যক্ষ মহোদয় ৮ তাৰিখে চাৰ্জচিট দাখিল কৰিব। চাৰ্জচিট দাখিল কৰাৰ পিছত যদি সদনে অনুভৱ কৰে, এই চাৰ্জচিটখন ভুল, এই চাৰ্জচিটখনত আমি আমাৰ যুক্তি প্ৰতিষ্ঠা কৰিব পৰা নাই, তেনেকুৱা পৰ্য্যায়ত যদি সদনে অনুভৱ কৰে যে সদন কমিটিৰ প্ৰয়োজনীয়তা আছে তাত আমি কেতিয়াওঁ আপত্তি নকৰো। কিন্তু আমি First chance কাক দিব লাগিব SIT ক। SIT য়ে ৮ তাৰিখে আমাক তাৰিখ দিছে যে SIT য়ে আমাক চাৰ্জচিট দিব। কোৰ্টে চাৰ্জচিটখন গ্ৰহণ কৰিব নে নকৰে? কোৰ্টে চাৰ্জচিট গ্ৰহণ কৰা মানে SIT য়ে ন্যায়ৰ প্ৰক্ৰিয়াটো আগুৱাই লৈ গ'ল। লগে লগে আমি উচ্চ ন্যায়ালয়ৰ মূখ্য ন্যায়াধীশক আমি অনুৰোধ কৰিম Fast track court দিযক? যাতে ৩ মাহ, ৪ মাহ, ৫ মাহৰ ভিতৰত এই গোটেই ঘটনাটোৰ এটা Judgement আহিব পাৰে। মুখ্যমন্ত্ৰী হিচাবে অধ্যক্ষ মহোদয় মই আৰু ইয়াতকৈ কি কৰিব পাৰিম? আজি অধ্যক্ষ মহোদয় মই আপোনাৰ নলেজত আনিম শ্যামকানু মহন্তই চুপ্ৰিম কোৰ্টত এখন আবেদন দিলে যে এই গোটেই ঘটনাৰ তদন্তটো CBI ৰ পৰা হ'ব লাগে। চুপ্ৰিম কোৰ্টত তেওঁ ক'লে যে মুখ্যমন্ত্ৰীৰ ওপৰত মোৰ বিশ্বাস নাই এই গোটেই ঘটনাৰ তদন্তটো Central Agency দি হ'ব লাগে মানে CBI আৰু বিৰোধীৰ পৰাও পোৱা হৈছে এইটো CBI ক দিব লাগে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ চুপ্ৰিম কোৰ্টত কিয় উঠাই ল'লে?

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, (মুখ্যমন্ত্ৰী)** ঃ Arrest হোৱাৰ পাছত উঠায়ে ল'ব। তাত জামিনৰ কথা আছিল, যেতিয়া আমি মানুহজনক ধৰিলো case টো infructuousহৈ গ'ল, arrest কৰাৰ পাছত case টো কেনেকৈ থাকিব, এইটো টো জামিনৰ case আছিল। এতিয়া বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কৈছে যে আমি তাতে arrest কৰি Local court ত কিয় produce নকৰিলো? অধ্যক্ষ মহোদয় ২৪ ঘণ্টাৰ ভিতৰত যদি আমি কোৰ্টত এজন accused ক আনিব পাৰো, transit remand ৰ প্ৰয়োজন নাই। এই প্ৰশ্ন বিলাকটো আমাক court য়ে কৰা নাই? যেতিয়া transit remand নোহোৱাকৈ, আমি শ্যামকানু আৰু সিদ্ধাৰ্থ শৰ্ম্মাক Judicial magistrate ৰ হাতত আমি present কৰিলো, Judicial magistrate য়ে আমাক কিয় নকলে যে আপোনালোকৰটো transit remand নাই। তাৰমানে ন্যায়পালিকায়ো আমাক সন্দেহ কৰা নাই কিন্তু আপোনালোকে কৰি আছে। যদি আমি transit remand নোলোৱাকৈ শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্ম্মাক গুৱাহাটীলৈ অনা ভুল হৈছিল, court য়ে তেওঁক আজিলৈকে কিয় bail দিয়া নাই? তাৰ মানে procedurally we are strong আমি ক'তো ভুল কৰা নাই। এতিয়া দ্বিতীয়তে সিদ্ধাৰ্থ শৰ্ম্মা আৰু শ্যামকানু মহন্তক আমি material দিছো যে LoR কিয় issue হোৱা নাই? Letter of Rogatory কিয় দিয়া নাই? These are argument of defence. Court ত কোনে এইবিলাক argument কৰে? এই argument কৰে defence counsel য়ে। আজি গুৱাহাটীৰ উকীলে কৈছে যে আমি argument নকৰো। There will be no defence Counsel. তাৰ defence counsel এতিয়া অখিল গগৈ ডাঙৰীয়া হৈছে, দিনে ৰাতিয়ে ভুল উলিয়াই।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ BNSৰ Section 112 টো কি ?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ যিয়ে নিজক smart ভাবে, তাৰ উত্তৰো আমাৰ লগত আছে। We are also equally smart মাননীয় অধ্যক্ষ মহোদয়, আমি কি ভুল কৰিছো তাক কোনে courtত ক'ব, শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থৰ উকীলে ক'ব। আমি যদি ভুল কৰিছো, confidentially SIT ক আমি জনাব লাগে, যে চাওঁক আপোনালোকৰ লগত আমি আছো, কিন্তু ইয়াত কিবা ভুল কৰিছে নেকি ? চাওঁক আপোনালোকে, কিন্তু তাৰ পৰিবৰ্তে আমি কি কৰিছো, টেলিভিশ্যনত গৈছো আমি মানুহৰ আগত কৈ আছো যাতে defence counsel য়ে নকৰা কামটো আমি শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্ম্মাক জনাব পাৰো। Exact এই point টো raise কৰিছিল যে আমাক ইয়াত লৈ আহিলে transit remand অনা নাই, exact point টো তেওঁলোকে কৈছিল Judge ৰ আগত। তেতিয়া আমি ক'লো যে transit remand নালাগে if it is within 24 hours, Judge য়ে আমাৰ কথাটো মানি তেওঁক আজিলৈকে জামিন নিদিয়াকৈ ৰাখি দিলে। আজি আমি কিয় ক'ব লাগে যেতিয়া তদন্ত চলিব লাগে পুলিছে কাৰোবাক arrest কৰিব লাগে, মই যদি কওঁ পূজাত arrest নকৰো, তেতিয়াহে মানুহজন বাহিৰত ওলাই আহিব।We have to play games with the criminals. আমি criminalৰ লগত game খেলিব লাগিব আৰু criminals য়ে মোৰ game ত ভৰি দি অলপ সময়ৰ কাৰণে অসতৰ্ক হৈ গ'ল, and we could arrest Siddarth immediately জুবিনৰ ১৩ দিনৰ দিনা we have arrested almost all the accused আৰু আজিলৈকে কোনেও bail পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া ইয়াত প্ৰশ্ন হৈছে যে Letter of Rogatory আমি কিয় দিয়া নাই ? আৰু Letter of Rogatory দিয়াৰ Provision আছে, Section 112 of BNS. মই অনুৰোধ কৰিম যে BNS ৰ Section 112 টো পঢ়ক। সিদ্ধাৰ্থ ভট্টাচাৰ্য্য আমাৰ অধিবক্তা, হিতেশ গোস্বামী অধিবক্তা, বহুকেইজন অধিবক্তা আছে। BNS ত কি কৈছে, If in the course of an investigation into an offence and application is made by the investigation officer. If made, it is not compulsory if made, then evidence may be available in a Country or place outside India, any criminal Court may issue a letter of Rogatory ক'তো কোৱা নাই যে foreigner evidence আনিবৰ কাৰণে এক মাত্ৰ ৰাস্তা Letter of Rogatory. এতিয়া মই কৈছো অলপ আগতে যে Indian Evidence Sector উত্তৰ সমান্তৰাল হৈছে , Bharatiya Sakshya Sanhita, Section 77 F of Bharatiya Sakshya Sanhita . সদনত কেতিয়াও আপটো ক'ব নালাগে। মই BNSS 112 পঢ়ি দিছো। Because i do not want to hide it. লগত এতিয়া আহক আচল evidence . আমি বা ছিংগাপুৰ পৰা যি evidence আনিছো, ইয়াতে কৈছে যে Section 77 F of Bharatiya Sakshya Adhiniyam 2023 provide as under Section 77 F Public documents of any other class in a Foreign Country by the original or by a copy certified by the legal keeper thereof with a certificate under the seal of a notary public or of an Indian Consulate or Diplomatic Agent that the copy is duly certified by the Officer having বা legal custody of the original and upon proof of the character of the document ac-

cording to the Law of Foreign Country. তাৰ মানে যিকোনো Foreign Country documents ভাৰতীয় উচ্চ আয়ুক্তৰ জৰিয়তে যদি আহে Indian Diplomatic Missions ৰ জৰিয়তে যদি আহে তেতিয়া It is an evidence under Section 77 F, আৰু সেই কাৰণে under Section 77 F ভাৰত চৰকাৰে বিভিন্ন ৰাজ্যৰৰ লগত বিভিন্ন ৰাষ্ট্ৰ লগত mutual legal assistance treaty ত involve হয়। আৰু এই mutual legal assistance treaty ত evidence যদি আনিব পাৰে ইয়াৰ কথা state by the Superintendent of Police, NIA Agency, Kochi VS Sakul Ahmed, ইটো চুপ্ৰিম কোৰ্ট গৈছিল, on a case Amlet Request made by NI on USA. Supreme Court has Considered that ইয়াৰ পিছত লোকসভা Question number 1551 অৰ্থাৎ details of financial absconder , লোকসভাত কোৱা হৈছে যে all offenders ৰ documents আমি Amlet জৰিয়তে আনিম। Amlet কেতিয়া হয় vast হয় , fast track হয়। Alwar দি গ'লে আমি ২ বছৰলৈকে কাগ আমি নাপাওঁ, তাৰ মানে আমি ২ বছৰ জমা শ্যামকানু আৰু সিদ্ধাৰ্থক জামিনত পাব দিমনেকি তিনি মাহৰ মূৰত। তিনি মাহৰ মূৰত যদি charge মূৰত sheet নহয় তেওঁলোক জামিন পাব আৰু জামিনত গ'লে আপোনালোকে ক'ব যে তেওঁলোকৰ লগত মিলা বগত কৰি জামিনত দিলে। আমি তাৰ কাৰণে - We adopted 77F of Indian Evidence Act, Supreme Court তে কৈছে যে Amlet is an acceptable rule. আজি অখিল গগৈয়ে কৈছে Amlet নহ'ব। এইখন ভাৰত চৰকাৰৰ মেনুৱেল। This is the manual.

**শ্ৰী অখিল গগৈ, বিধায়ক (শিবসাগৰ) ঃ-** মই আপোনাক Case slot দেখুৱাই দিব পাৰিম।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** Please sit down and do not interrupt.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অখিল ডাঙৰীয়াক challege কৰিছো। এটা কোৰ্ট মোক verdict আনি দিয়ক যে Amlet is illegal বুলি। এইখন হাউচ আমি বিপতে পৰিচালিত কৰিব নাপায়।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিবসাগৰ)ঃ** Amlet is illegal.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** তেতিয়া হ'লে কি লাগে আপোনাক?

**শ্ৰী অখিল গগৈ, বিধায়ক (শিবসাগৰ)ঃ** Court ৰ Special Order ত আছে যে বিদেশৰ হ'লে মানে through Court তে Letter of Rogatory দি হে আনিব পাৰিব। নহ'লে illegal.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Amlet is illegal fully. এটা ভাৰতীয়ক আনি দিয়ক। আমি লগে লগে Alwar issue কৰি দিম। Amlet is illegal fully, কাৰণ we are guided.

**শ্ৰী অখিল গগৈ, বিধায়ক (শিবসাগৰ)ঃ** আপুনি এনে ধম দি নাথাকিব ইয়াত। আপুনি কথাটো বুজি লওক ।নহয় নহয় ,তেখেতে এদম ল পইণ্ট কথাটো কৈ দিছে।

**মাননীয় অধ্যক্ষঃ- Please** অখিল গগৈ আপুনি পিছত ক'ব । আপুনি কাজিয়ালৈ কিয় যাব লাগে এইটো আউচ হয়। আপুনি চিঞৰি চিঞৰি কিয় ক'ব লাগে ,আজিৰ কাগচটো কি আছে ইয়াতে , কাগচটো দিয়ক। Please এইটো বিধান সভা হয় আপুনি বওক ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, আজিৰ ইয়াত প্ৰচেষ্টা আছে যে Alwar দিয়ক দুবছৰ আগক তেওঁলোক জামিনত যাওঁক। জামিনত গ'লে আমাক ক'ব যে চপ তেওঁলোকে জামিনত পঠাই দিয়ে। আমি জানো, আমিও সৰু ল'ৰা নহয় অধ্যক্ষ মহোদয়। আমিও জানো যে, বিৰোধীপক্ষই আমাক ক'ত হেচিব খুজিছে। আৰু আমি হেচা নেখাওঁ। অধ্যক্ষ মহোদয়, জুবিন গাৰ্গৰ হত্যাকাৰীক প্ৰথমবাৰৰ বাবে আমি ১৪ দিনৰ একেলগে পুলিচ custody ত দি ল'ম। কেতিয়াওঁ অসমত হোৱা নাই। ১৪ দিন ধৰি পুলিৰ custody continue আছে। আজি কৈছে বিহু committee কিয় মাতিছে? গোটেই case টোৱে বিহু কমিটিৰ ওপৰত আছে। Charge Sheet দিয়াৰ পিছত মাননীয় অধ্যক্ষ মহোদয়, বিহু কমিটিক মতাটোৱে আজি চাংসাৰি বিহু কমিটিৰ যিটো evidence কাৰণ all these evidence has come to normal মইয়ে File ত চহী মাৰি দিল্লীলৈকে পঠাইছো। So, I am away today, officially because investigation is completed. Mlt ৰ পৰা অনুমোদন অহাৰ লগে লগে ।বিহু কমিটিক যদি নামাতে This investigation will not be completed. আৰু তাত কৈছে আপোনালোকে কিয় মাতিছে। এই গোটেই ঘটনাটোৱেই হৈছে টকা পইচাৰ কাৰণে। আৰু যদি জুবিনৰ মুঠ যিটো উপাজনৰ উৎসৰ তেওঁলোকক যদি আমি নুসুধো আমি ইয়াত কি argument কৰি আছো। উদ্দেশ্যটো সিদ্ধাৰ্থ শৰ্মাক শাস্তি পোৱাতো বিচাৰিছো নে নাই? শ্যামকানু মহন্তই শাস্তি পোৱাতো আমি বিচাৰিছো নাই? আজিটো ইয়াত চপ কালী SIT বেয়া তাৰ মানে কোন ভাল? অধ্যক্ষ মহোদয়, মই পবিত্ৰ সদনত আশ্বাস দিছো যে জুবিনৰ মৃত্যু ঘটনাৰ তদন্ত অসম চৰকাৰে, যিটো ক্ষিপ্ৰগতিত কৰিছে, ইয়াৰ সমান্তৰাল একো নাই। আদালতে কি Judgement দিব that is a job of a Court য়ে শাস্তি দিছিলে দুজনক। High court য়ে এজন তিনিজনৰ লৈকে নমালে, এজনক যাৱজ্জীৱন কৰিলে, it will go to Supreme Court final work will come from Supreme Court. আদালতৰ কি View আছে, কি -আছে, কি View নাই তাৰ ওপৰত বা মই Comment দিবলৈ I am not authorised. But I have faith in my team. আমাৰ Team য়ে professionally কাম কৰিছে। আমি বহুত কথা উলিয়াইছো। যি কথা অসমৰ ৰাইজে আগতে জনা নাছিল। আৰু যেতিয়া আমি Charge Sheet দিম অসমৰ ৰাইজে বহুত কথা জানিব পাৰিব। আৰু বিহু কমিতিক মতা কিমান জৰুৰী আছিলে, তাকো অসমৰ মানুহে জানিব পাৰিব। অধ্যক্ষ মহোদয়, ৮ তাৰিখে আমি জুবিনৰ Investigation Report দিম। ইয়াত কোৱা হৈছে, যে পুলিচ আমি লগত কিয় নপঠিয়ালো , Foreign অসম চৰকাৰে পুলিচ পঠাত নোৱাৰে with arms .তাৰ দায়িত্ব আমি ল'ব নোৱাৰো। এই ছিংগাপুৰত Protocol মতে নিৰ্দ্ধাৰিত হয়। আজিকি ব্যৱস্থা আছিল কি নাই আমি নাজানো। ছিংগাপুৰ High

Commission য়ে আমাক চিঠি লিখিছিল সহায় কৰিব লাগে। I have taken a stand. যে ইয়াত আমি সহায় নকৰো। আৰু ছিংগাপুৰ অনুষ্ঠানত অসম চৰকাৰে কোনো বিভাগৰ পৰা মোৰ knowledge ত এটকা দিয়া হোৱা নাই। It should be made clear.

**শ্ৰী অখিল গগৈ, (শিবসাগৰ) ঃ-** এইটো আপোনাৰ হয় নহয়, আপুনি Chief Secretary কি লিখিছিলে Please Speak.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অখিল গগৈ ডাঙৰীয়াক বুজাব লাগে যে মুখ্য সচিবে Plese Speak লিখা মানে Approve নুবুজায় মোক মুখ্য সচিবে লগ কৰিব আহা সময়ত কৈছে যে সকলো বিভাগকে কৈ দিব যে এক টকাও নিদিব। আজি আপুনি গোটেই অসমবসীক বিপথে পৰিচালিত কৰিব নেকি, অসমবসীৰ সামগ্ৰীক চিন্তাধাৰা বিপথে পৰিচালিত কৰিব নেকি। চিংগাপোৰে চিঠি লিখিছে মই Speak লিখিছো Approve লিখা নাই। তেখেতে গোটেই মানুহক চিঞৰী চিঞৰী বিপথে পৰিচালিত কৰিছে তাৰপিচত মই মুখ্য সচিবক কি কলো। মই কৈছো বদমাছ মানুহ এক টকাও নিদিব। আজি কোনো বিভাগে দিয়া নাই। ৰঞ্জিৎ দাস ডাঙৰীয়াৰ পৰা মোলৈকে ফাইল আহিছিল সিদ্ধান্ত লবৰ বাবে মই লিখি দিছিলো এক টকাও নিদিব। That file is on record.

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** বিধান সভাৰ পৰা যাব ওলাইছিল কিন্তু ভাৰত চৰকাৰৰ পৰা অনুমোদন নাপালে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মই নাজানো।

**শ্ৰী অখিল গগৈ, (শিবসাগৰ) ঃ** বিদেশলৈ যাবলৈ এজন মন্ত্ৰীয়ে আৱেদন কৰিছিল কিন্তু কোনো উত্তৰ নাপালে।

**মাননীয় অধ্যক্ষ ঃ** Please উত্তৰটো আগতে শুনি লওঁক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** ইয়াত নোৱাৰিলে তাত যাব জপিয়াই ফুৰিব This is not the proper way. আৰু আজি মই এটা কথাই ক'ম যে বিজেপিক যদি নিৰ্বাচনত হৰোৱাৰ বাবে জুবিন গাৰ্গৰ বিষয়টো জীয়াই ৰাখিব লাগে সেইটো বেলেগ কথা। জুবিনক ন্যায় প্ৰদানৰ কাৰণে যদি জুবিনৰ বিচাৰ লাগে, অনুগ্ৰহ কৰি SIT ৰ তদন্ত নোহোৱা লৈকে SIT ৰ বিপক্ষে কথা কৈ তেওঁলোকক Demoralize নকৰিব। যি দিনাখন তদন্তৰ repot আহিব Chargsheet আহিব সেইদিনা যদি কোনোৱা উকিলে কয় This is a weak Chargsheet বেলেগ কথা কিন্তু আজিৰ দিনটোত যেতিয়া আমি দেখাই নাই Chargsheet খন কি হ'ব। মোক এনেকে এটেক কৰিলে মুখ্যমন্ত্ৰীয়ে কিয় হত্যা বুলি কৈছে। This is the matter এই খন Court Record ত আছে This is a Murder. সেই কাৰণে মই প্ৰথম দিনাই Facebook ত কৈছো যে হত্যা ইয়াত কোনো আমাৰ সন্দেহ নাই। যিদিনাৰ পৰা মই হত্যা বুলি কলো সেইদিনাৰ পৰা মোৰ ওপৰত আক্ৰমন হ'ল, কিয় মুখ্যনন্ত্ৰীয়ে হত্যা বুলি কলে। হত্যাটো মই হত্যা বুলিয়ে কম। It is a murder মই আজিও সদনত কৈছো and will follow the murder case. কোনে মাৰিছে তাৰো আমি অনুমোদন লৈছো এজনে মাৰিছে আনকেইজনে সহযোগ কৰিছে। So, we have booked 4/5 people on murder case. আমি জুবিনক লৈ ধেমালি কৰিব আহা নাই, আমি জুবিনকলৈ ৰাজনীতি কৰিব আহা নাই। হুৰ হুৰ হুৰাই দে, জনাদেশ

টো কি শব্দ। অশোক সিংহালৰ জনাদেশ আছে। জনাদেশ কাৰ আছে, জনাদেশ সেইসকলৰ আছে যি অসমৰ Forest ৰ ৪৬ বিঘা মাটি দখল কৰি আছে। মোক অসমীয়া কথা শিকাবৰ প্ৰয়োজন নাই।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ তাৰ মানে অশোক সিংহালক জুবিনদাৰ মাটি লবলৈ দিব?

**মাননীয় অধ্যক্ষ** ঃ Please, গগৈ ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া তেওঁলোক কলৈকে আহিছে চাওঁক, জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ পৰা আশোক সিংহালক target কৰক It is purely a political game.

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ অধ্যক্ষ মহোদয়, গোটেইখিনিৰে তদন্ত হব লাগে। এইটো political হয় নে নহয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সিদ্ধাৰ্থৰ দোষ নাই শামকানুৰ দোষ নাই তাৰ মানে আশোক সিংহালৰ দোষ।

তাৰমানে You are playing politics.

**শ্ৰী অখিল গগৈ, (শিবসাগৰ)** ঃ আশোক সিংহাললৈ মাটি হে বিচাৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কতো মাটি দিয়া নাই, বেলেগকৈ প্ৰস্তাৱ আনক এই বিষয়ত, জুবিনৰ লগত এইবোৰ লগ নকৰিব।

**মাননীয় অধ্যক্ষ** ঃ গগৈ ডাঙৰীয়া এইটো বিষয়টোৰ লগত relevent নহয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, জুবিনৰ স্মৃতিৰ কাৰণে যেতিয়া মই মাটি দিছিলো, তেতিয়া বহুতে কৈছিল সেইখন এখন শ্মাষাণ তাত মুখ্যমন্ত্ৰীয়ে কিয় মাটি দিব,কোনে সমালোচনা কৰিছিল তেতিয়া এতিয়া তেওঁলোকেৰে সেই সমাধিস্থলখন আপোন হৈ পৰিল। যি দিনা মই মাটি দিছিলো সেইদিনা কৈছিলে নে নাই যে জুবিনক স্মশাণত কিয় মাটি দিলে। আজি জুবিন গাৰ্গৰ কাৰণে মই গৌৰৱ নকৰো একো নকওঁ কিন্তু সময়ে ইত্যিহাসে তাৰ হিচাপ কৰিব যে জুবিন গাৰ্গৰ কাৰণে অসম চৰকাৰ আৰু বিজেপিয়ে কি কৰিছে। জুবিনৰ হত্যা কাণ্ডৰ দুটা দিশ আছে। আমি Murder case ৰ ওপৰত Chargsheet দিম কিন্তু এই তদন্ত চলি থাকিব কাৰণ ইয়াৰ লগত আৰু এটা দিশ জড়িত হৈ আছে negligence। জুবিনৰ হত্যাৰ আগতেওঁ জুবিনক negligence আৰু criminal breach of trust কৰা হৈছিল। যিহেতু তদন্ত হৈছে সেই তদন্তৰ পৰিষৰ আৰু বাঢ়িব। SIT য়ে প্ৰথম Chargsheet দিব Murder ৰ ওপৰত After that has been done আমি আৰু এটা তদন্ত কৰিবলৈ নিৰ্দেশ দিছো তাত বহুত কথা উপলব্ধও হৈছে The story began from befor Covid. আজি Last ৮ বছৰৰ পৰা এটা ডাঙৰ কাহিনী চলি আছে তাৰ প্ৰমানো আমাৰ লগত আছে। সেই কাৰণে মই SITক কৈছো যে ডিচেম্বৰ ৮ তাৰিখে আপোনালোকে murder case ৰ Chargsheet দিয়ক তাৰ পিছত Expand the inquiry, যাতে আমাৰ জুবিনক জীৱিত কালত এজন মানুহেওঁ যদি অন্যায় কৰিছিল সেইজনো সাৰি জাব নোৱাৰে। আমি ইমান দূৰলৈ যাম বুলি সিদ্ধান্ত লৈছো। মই ভাৱো সময়ে আমাক প্ৰমান কৰিব যে অসমৰ যুবপ্ৰজন্মৰ হিয়াৰ আমঠু আমাৰ মৰমৰ আদৰৰ জুবিন গাৰ্গক ন্যায় প্ৰদান কৰিবলৈ আমাৰ এইখন চৰকাৰে লোৱা প্ৰচেষ্টা। দেবব্ৰত শইকীয়া ডাঙৰীয়া অনুৰোধ মই reject কৰিব নকওঁ ৮ তাৰিখে আপোনালোকে Chargsheet চাই লওঁক তাৰ পিছত যদি আপোনালোকে ভাৱে যে সদন কমিটিৰ প্ৰয়োজনীয়তা আছে তাত মোৰ কোনো আপত্তি নাই কাৰণ আমি লুকাবলগীয়া

একো নাই।

**শ্ৰী অখিল গগৈ, (শিবসাগৰ)** ঃ CBI ক কিয় দিয়া নাই?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, CBI ক কিয় দিম, I reject the CBI inquiry.

**শ্ৰী অখিল গগৈ, (শিবসাগৰ)** ঃ জুবিন গাৰ্গক ভাৰত ৰত্ন দিব নে ?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, দিব লাগিব বিজেপিয়ে ভাৰত ৰত্ন দিবলৈ সমৰ্থন কৰে, এজিপিয়ে সমৰ্থন কৰে UPPL য়ে সমৰ্থন কৰে।

**শ্ৰী অখিল গগৈ, (শিবসাগৰ)** ঃ তেতিয়া হ'লে বিধান সভাত প্ৰস্তাৱ লওঁক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিলো যে জুবিন গাৰ্গক ভাৰত ৰত্ন দিব লাগে। হৈ গ'ল ইয়াত কি কথা আছে। আমাৰ কোনো আপত্তি নাই অধ্যক্ষ মহোদয় আপুনি প্ৰস্তাৱ লৈ যিহেতু সকলোৱে সমৰ্থন কৰিলে, কেন্দ্ৰীয় চৰকাৰলৈ বিধান সভাৰ হৈ পঠিয়াই দিব। জুবিন গাৰ্গক ভাৰত ৰত্ন যিটো প্ৰস্তাৱ, আমি ড০ ভূপেন হাজৰিকাক ভাৰত ৰত্ন দিয়াৰ ক্ষেত্ৰত যি দৰে প্ৰস্তাৱ লৈছিলো মৰমেৰে আদৰেৰে, বিভিন্ন ধৰনৰ বক্তব্যৰে আৰু তেখেতৰ বিভিন্ন গুণ গৰিমা আৰু আখ্যানেৰে এই প্ৰস্তাৱ পাচ হ'ব লাগে। এনেকুৱা পৰিবেশত নহয়। যেতিয়া ডিব্ৰুগড় বিমান বন্দৰ ভূপেন হাজৰিকাৰ নামত দিব কৈছিলো তেতিয়া ভূপেন হাজৰিকাৰ কৰ্মৰাজীৰ ওপৰত সোঁৱৰণ কৰা হৈছিল, proceedings হৈছিল সেইটো আমি সুন্দৰ ভাৱে পালন কৰিছিলো। জুবিন গাৰ্গক ভাৰত ৰত্ন দিয়াৰ প্ৰস্তাৱ যি ধৰণে ইয়াত অনা হৈছে, এইটোয়ে জুবিন গাৰ্গৰ প্ৰতি সন্মানজনোৱাটো নুবুজায়। আজি যদি এই প্ৰস্তাৱ আনিব লাগে তেতিয়া হলে আমি সৰ্বদলীয় এটা প্ৰস্তাৱ অৰ্থাৎ We have to move a resoloution আৰু আমি তেওঁৰ সৃষ্টিক বন্দনা কৰিম আৰু এটা দিন আমি ইয়াত জুবিনৰ কথা কম, আমি তেওঁক প্ৰশংসা কৰিম আৰু সেই proceedings ভাৰত চৰকাৰলৈ যাব। আজি চেঙাৰ বিধায়কে ঠিয় হৈ কব পঠিয়াই দিয়ক, Do not treat Zubeen Garg like this manner, জুবিনক ইমান তৰল ভাৱে নলব। চাউল নালাগে, দালি নালাগে, That is not Zubeen Garg। এনেকে যদি আপোনালোকে সস্তাএটাক নোহোৱা কৰি দিব খোজে আপোনালোকৰ ৰাজনৈতিক চিন্তাত তাৰ আমি বিৰোধিতা কৰো। জুবিনক ভাৰত ৰত্ন প্ৰস্তাৱ হিমন্ত বিশ্ব শৰ্মাই আৰু দেবব্ৰত শইকীয়াই চহী কৰিব। House ৰ এটা decoram আছে, জ্যেষ্ঠ সদস্যসকলে ক'ব। ভাৰতৰত্ন recommendation এনেকৈ নহয়। ২৯ তাৰিখলৈকে House আছে, প্ৰস্তাৱ আনক, Adjournment Motion ৰ জৰিয়তে জুবিনক ভাৰতৰত্ন recommend কৰা হ'ব। This will be record of this House. এনেকৈ হ'ব নেকি বিধান সভা। আজি জুবিনৰ ভাৰতৰত্ন বিৰোধিতা কৰা ইয়াত কোনোবা আছে নেকি? ১২৬ জন বিধায়কে চহী কৰিব। not through Adjournment Motion, this not the think, আপুনি দিন ঠিক কৰক যে ২৮ তাৰিখে বা ২৯ তাৰিখে আমি সদনত ভাৰতৰত্নৰ ওপৰত আলোচনা কৰিম। সকলোৱে জুবিনক বন্দনা কৰি আমি প্ৰস্তাৱ পঠিয়াম।

(বিৰোধী দলৰ ফালৰ পৰা উফৰি অহা উক্তি যে ইয়াৰ কাৰণে প্ৰস্তাৱ দিয়া আছে, motion ত দিয়া আছে, allow কৰিলে হ'ল)

মই মাননীয় সদস্যক জনাব বিচাৰিছো যে প্ৰস্তাৱ হ'ব যে, মই, দেৱব্ৰত শইকীয়াকে ধৰি, ১২৬ জনে চহী কৰিম আৰু আমি একেলগে জুবিনক আনিম, জুবিন আমাৰ সকলোৰে। হঠাতে একচাম মানুহৰ যেনেকৈ জুবিন হৈ গ'ল, আজিও যদি সোধা হয় যে জুবিনৰ গান এটা গাবলৈ,

যিদৰে দুটা শব্দও ক'ব নোৱাৰে, তেওঁলোকে এতিয়া জুবিনৰ মালিক হ'ল। তাক আমি বিৰোধিতা কৰিম। আমি ইয়াতে এটা কথা কৈছে যে জুবিনক অসমীয়াৰ পৰা সন্দেহযুক্ত অসমীয়াৰ সম্পত্তি হ'বলৈ নিদিও। জুবিন অসমীয়াৰ সম্পদ..

(সদনত হুলস্থূল.. )

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া আপুনি বহক, বহক...

সন্মানীয় সদস্য শ্ৰী অখিল গগৈ is suspended.

(সদনত হুলস্থূল.. )

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ**মাননীয় অধ্যক্ষ মহোদয়, মই ১৯৮৩ চনৰ অসমৰ নিৰ্বাচন সংক্ৰান্তত বে-চৰকাৰী ন্যায়িক তদন্ত আয়োগ প্ৰতিবেদন সদনত দাখিল কৰিলো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Adjournment Motion ৰ ওপৰত আপুনি ruling য়ে দিয়া নাই। গতিকে মুখ্যমন্ত্ৰী মহোদয়ে কি কি কৈ আছে, আপুনি একো নক'লে আৰু আমাৰ তাৰ ওপৰত remarks দিব লগীয়া আছে, এনেকৈ কৰিলে অসুবিধা হয় চাৰ। আগত কাৰ্য্যসূচী শেষ নোহোৱাকৈ এই বিলাক কি চলিছে চাৰ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Adjournment Motion ৰ পিছত আৰু reply নাথাকে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Adjournment Motion ৰ ওপৰত আপোনাৰ remarks, recommends দিবলৈ আছে, চাৰ। মুখ্যমন্ত্ৰীৰ reply টোৰ ওপৰত কবলগীয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** সদনত হুলস্থূলৰ পৰিবেশ কৰি থাকিলে সদন কেনেকৈ চলিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমিটো হুলস্থূল কৰা নাই ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সদনত সিদ্ধান্ত লৈছিলো যে বিৰোধীয়ে ক'ব আৰু মুখ্যমন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিন্তু আপোনাৰ গোটেই অসত্যখিনি ক'বটো লাগিব। আপুনি কৈছে যে High Court য়ে judgement দিলে। আপুনি ২০২৩ চনত কৈছিল যে Supreme Court ত যাম অৰ্নমাই বৰাৰ কাৰণে। তাৰ status টো কি সেইটো জনাব আছে। আপুনি Supreme Court ত কি হৈছে সেইটো নকলে। আপুনি High Court ৰ কথাখিনি কৈ দিলে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Supreme Court ত বৰ্তমান কেছ বিচাৰধীন হৈ আছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয়তে চাৰ, transit demand ৰ কথাটো অসমৰে সু-সন্তান Supreme Court ৰ Judge উজ্বল ভূঞা ডাঙৰীয়াই এটা দিছে যে এইটা compulsory, সেইটো মই আপোনাক দিব বিচাৰো। তেখেতে সেইটো নালাগে বুলি কেনেকৈ হ'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি transit demand লাগে আমি custody কেনেকৈ পালো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো কেনেকৈ

আনিছে মই নাজানো। মইটো ইমানখিনি কৰিব নোৱাৰো। legal, illegal এইবোৰ সংবিধানৰ কথা । Article 21 ৰ কথা উল্লেখ আছে। গণতন্ত্ৰত ব্যক্তিগত স্বাধীনতা। চাৰ, সেইখিনি কথা আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে যদি সিদ্ধাৰ্থ আৰু শ্যামকানুক বচাব খুজিছে, সেইটো আপোনালোকৰ কথা।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু তদন্ত কৰিছে, তদন্তটো সৰ্বব্যাপি হ'ব লাগিব। মাৰ্ডাৰ তো মাৰ্ডাৰে হয়। তাত কেনেকুৱা conspiracy আছিলে জানিব নালাগিব নেকি? এইটো অকল economic নে political নে character assassination হৈ আছিল চাৰ?

**মাননীয় অধ্যক্ষ ঃ** এইখিনি চলি আছে, SIT য়ে তদন্ত কৰি আছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাত এইখিনি কৰা নাই। কাৰ ওপৰত ক'লে কেতিয়া ক'লে সঁচা মিছা এইবোৰ নাজানো। সেইটোতো চাৰ তদন্ত কৰা শুনা নাই। কেতিয়াবা ক'লে কোনোবাক ভোট নিদিবি, কাক দিব ক'লে, কাক দিব নকলে, সেইখিনিও তদন্ত কৰা শুনা নাই। CAA নামানো বুলি কাৰ আগত কৈছিল। লতাশিল ফিল্ডত নে জৰ্জফিল্ডত নে চানমাৰীত কৈছিল, সেইটো আমি নাজানো। সেই সময়ত মুখ্যমন্ত্ৰীলৈ পত্ৰ দিছিল, সেই পত্ৰখন কি বিষয় লৈ দিছিল, মই এটা গান গাই ভুল কৰিলো বুলি কৈছিল। আমি চৰকাৰ ভাঙো পাতো, কোন চৰকাৰ ভাঙো, কোন পাতো বুলি ক'লে, free চাউল বেয়া, এইটো কোনখন চৰকাৰৰ কাৰণে কলে, যিটো গানক লৈ কথা হৈ আছে (হুৰ হুৰ হুৰাই দে) এই গানটো জুবিন গাৰ্গে গাইছিল হে এইটো এজন এটা সুপন্থি দলৰ সমৰ্থক শ্ৰী দিগন্ত ভাৰতীয়ে লিখা আৰু সুৰ কৰা, চাৰ। সেই গতিকে এই গানৰ লগত জুবিন গাৰ্গৰ আদৰ্শটো মিলালে নহ'ব, তেখেতে বাওঁপন্থি আৰু সমাজ বাদী চিন্তা (interruption.....)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে এইটো কথা আৰু উল্লেখ কৰিব নালাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** কিন্তু মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো তদন্তৰ আওঁতালৈ আহিব লাগিব। মুখ্যমন্ত্ৰীয়ে এইখিনিৰ উত্তৰ দিয়াই নাই। সেই গতিকে আমি চাৰ মুখ্যমন্ত্ৰীৰ reply টোত আমি সন্তুষ্ট নহয়। so, we are leaving the House for some time.

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ক'বলগীয়া আছে। তেওঁ গোটেই গীতটোৰ বাখ্যাটো সঠিক কৰা নাই। বাখ্যাটোত মই কৈছে "ৰজাঘৰীয়াকো জনাদেশ লাগে"।

**মাননীয় অধ্যক্ষ ঃ** গানৰ বিষয়ত আৰু ক'ব নালাগে। এইটো নিজৰ নিজৰ ভাৱ। যিয়ে যিটো ভাৱি লয়, সেইটোৱে হ'ব। এইটো আপোনাৰ ভাৱনা। আনক আপোনাৰ ভাৱনা মতে যাব লাগিব বুলি কলে কিয় হ'ব।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগ, ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা point of order আছিল, আমাৰ সন্মানীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই তেওঁৰ বক্তব্যৰ সময়ত বিষ্ণু ৰাভাক লৈ কথা কৈছিল। মদৰ শব্দ এটা ব্যৱহাৰ কৰিছিল, সেইটো এই proceeding ৰ পৰা expunge কৰিব লাগে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মদৰ কোনো ব্যৱহাৰ কৰা

নাই, মই কৈছো যে কিছুমান মানুহে তেওঁক মদাহী বুলি কৈছিল।

**মাননীয় অধ্যক্ষ** ঃ হ'ব, সেইটো record ৰ পৰা expunge কৰি দিব।

(সদনত হুলস্থূল..)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষ্ণু ৰাভাক মদাহী বনালে, গোপীনাথ বৰদলৈ বিমান বন্দৰ উৰুৱাই দিয়া, ভূপেন হাজৰিকাক কোনোৱা এজন শিল্পী কৰিলে, এইটো কি কৰিব খুজিছে আপোনালোকে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিষ্ণু ৰাভাক মদাহী বনোৱা নাই। কিছুমান অসমীয়া মানুহে .....

(সদনত হুলস্থূল..... )

**মাননীয় অধ্যক্ষ** ঃ please...

আমি Adjournment Motion ৰ ওপৰত আলোচনা কৰিলো আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে উত্তৰ দিলে আৰু সদনৰ consent লৈছিলো যে আমি Adjournment Motion ত আলোচনা কৰিলেও reporting আৰু introduction এই বিষয় বিলাক আমি পুনৰ take up কৰিম। এতিয়া যিহেতু সময় আছে আমি পুনৰ ...

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ আমি Adjournment Motion ত বিচাৰিছিলো যে জুবিন গাৰ্গক হত্যা কৰা হৈছিল, কোনো হত্যা কৰিছে?

**মাননীয় অধ্যক্ষ** ঃ ইতিমধ্যে উত্তৰ দিলে। তদন্ত চলি আছে। এইটোৰ ওপৰত আৰু no argument, no debate. এইটো sub-judice mater। গতিকে সেইটো চলি আছে।

এতিয়া কাৰ্য্য-উপদেষ্টা সমিতিয়ে প্ৰতিবেদনটো জানিব লাগে।

অসম বিধান সভাৰ প্ৰক্ৰিয়া কাৰ্য্য পৰিচলনাৰ নিয়মাৱলীৰ নিময় ২৩০ ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা যোৱা ৩১ অক্টোবৰ, ২০২৫ তাৰিখে আৱেলি ৪.১৫ বজাত অধ্যক্ষ কাৰ্য্যালয়ৰ সভাকক্ষত ২০২৫ চনৰ শীতকালীন অধিবেশনত উত্থাপন হ'ব লগীয়া কাৰ্য্যসূচী সমূহৰ ওপৰত আলোচনা কৰাৰ লগতে সামুহিক কাৰ্য্যসূচীক্ৰম চুড়ান্ত কৰণৰ বাবে অনুষ্ঠিত কৰা হয় আৰু সভাই সৰ্বসন্মতিক্ৰমে আজিৰ পৰা আৰম্ভ হোৱা শীতকালীন অধিবেশনৰ সামুহিক কাৰ্য্যসূচীখন চুড়ান্ত কৰি অনুমোদন জনায়। সমিতিয়ে সামূহিক কাৰ্য্যসূচীখনৰ ওপৰত বিশদভাৱে আলোচনা কৰাৰ অন্তত চলিত শীতকালীন অধিবেশন ২৫ নৱেম্বৰৰ পৰা ২৯ নৱেম্বৰ, ২০২৫ তাৰিখলৈ মুঠ ৫ কৰ্মদিনৰ বাবে নিৰ্ধাৰণ কৰে আৰু লগতে এদিন বে-চৰকাৰী সদস্যৰ কাৰ্য্যসূচী আৰু প্ৰশ্নসমূহৰ বাবে বিভিন্ন বিভাগৰ দিন সমূহক ক্ৰমানুসাৰে আৱন্টন অনুসৰি চলিত অধিবেশনৰ গ্ৰুপ - 'ক' ৰ অন্তৰ্ভূক্ত নোহোৱাৰ বাবে অহা ২৯ নৱেম্বৰ, ২০২৫ তাৰিখ শনিবাৰে গ্ৰুপ - 'খ' ৰ প্ৰশ্নসমূহ আলোচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। অহা ইং ২৭ নৱেম্বৰ, ২০২৫ তাৰিখে ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবীমঞ্জুৰী সমূহ আৰু পৰিপূৰক বিনিয়োজনৰ ওপৰত আলোচনা অন্তত ভোটদানৰ বাবে লোৱা ২০২৫ অসম বিনিয়োজন বিধেয়ক খন উপস্থাপন, বিবেচনা, পাৰিত কৰাৰ বাবে সময় সিদ্ধান্ত গ্ৰহণ কৰো। আশা কৰো এই প্ৰতিবেদন সদনৰ অনুমোদন আছে।

এতিয়া ৪ নং আছিল আমাৰ আগত। মই এতিয়া অসম বিধান সভা সচিবালয়ৰ (নিযুক্তি আৰু সেৱাৰ চৰ্তসমূহ) নিয়মাৱলী ২০২৫ উপস্থাপন কৰিলো।

এতিয়া কাৰ্যসূচী নং ৫। মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমৰ গৃহ

(পাছপৰ্ট) বিভাগৰ ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন খন সদনত দাখিল কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ গৃহ (পাছপৰ্ট) বিভাগৰ ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ৬। আৰু আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই গৃহ বিভাগৰ অসম ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগৰ ২০২৩ চনৰ বাৰ্ষিক প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ৭। মাননীয় মন্ত্ৰী শ্ৰীৰঞ্জিৎ কুমাৰ দাস।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণ প্ৰশাসন বিভাগৰ ২০২৪-২০২৫ বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ৮। মাননীয় মন্ত্ৰী শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, I beg to lay The Annual Administrative Report for the Financial Year 2024-2025.

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ৯। মাননীয় মন্ত্ৰী আৰু এটা আছে।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, I beg to lay The Annual Report of Assam Compensatory Afforestation Fund Management and Planning Authority (Assam CAMPA) for the Year 2020-21, 2021-22, 2022-23 and 2023-2024.

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ১০। মাননীয় মন্ত্ৰী আৰু এটা আপোনাৰ নামত আছে।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, I beg to lay The Report of the Comptroller and Auditor General of India on State Public Sector Enterprises for the period ended 31st March, 2024 Government of Assam Report No. 2 of 2025 (Commercial).

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ১১। এতিয়া মাননীয় মন্ত্ৰী ডাঃ ৰনোজ পেগু।

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষা বিভাগৰ সমগ্ৰ শিক্ষা (এছএছএ) অসমৰ ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বিধিবদ্ধ হিচাপ পৰীক্ষণৰ প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ১২। এতিয়া মাননীয় মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগ।

**শ্ৰীমতী অজন্ত নেওগ, (মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, I beg to lay The Assam Goods and Services Tax (Second Amendment) Ordinance, 2025 (Assam Ordinance No. V of 2025).

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ১৩। আৰু এটা আছে মাননীয় মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগ।

**শ্ৰীমতী অজন্ত নেওগ, (মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, I beg to lay The Report of the Consolidated Audit Report of PRIs and ULBs for the Financial Year 2023-24 relating to the Government of Assam.

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ১৪। আৰু এটা আছে মাননীয় মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগ।

**শ্ৰীমতী অজন্ত নেওগ, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিত্ত বিভাগৰ ৫৪ খন ৰাজপত্ৰিত অধিসূচনা দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ১৫। মাননীয় মন্ত্ৰী শ্ৰীঅশোক সিংহল, শ্ৰীঅশোক সিংহলৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে দাখিল কৰিব।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, on behalf of Hon'ble Minister Shri Ashok Singhal I beg to lay the Annual Administrative Report of Health & Family Welfare Department for the Financial Year 2023-2024.

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ১৬। মাননীয় মন্ত্ৰী শ্ৰীপীযুষ হাজৰিকা।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ অধীনৰ অসম পিছপৰা শ্ৰেণী আয়োগৰ ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ আৰু এটা আছে, কাৰ্যসূচী নং ১৭।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই দি মটক অট'নমাছ কাউন্সিল (এমেণ্ডমেন্ট্) অৰ্ডিনেন্স, ২০২৫ (২০২৫ চনৰ অসম অধ্যাদেশ নং III) খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ আৰু এটা আছে, কাৰ্যসূচী নং ১৮।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই দি মৰাণ অট'নমাছ কাউন্সিল (এমেণ্ডমেন্ট্) অৰ্ডিনেন্স, ২০২৫ (২০২৫ চনৰ অসম অধ্যাদেশ নং IV) খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ১৯। মাননীয় মন্ত্ৰী শ্ৰীজয়ন্ত মল্ল বৰুৱা।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জনস্বাস্থ্য কাৰিকৰী (স্বাস্থ্যবিধি) বিভাগৰ ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ২০। মাননীয় মন্ত্ৰী শ্ৰীপ্ৰশান্ত ফুকন।

**শ্ৰীপ্ৰশান্ত ফুকন, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই শক্তি বিভাগৰ ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে অসম বিদ্যুৎ সংবহন নিগম লিমিটেডৰ (এ ই জি চি এল) ২১ তম্ বাৰ্ষিক প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ আৰু এটা আছে, কাৰ্যসূচী নং ২১।

**শ্ৰীপ্ৰশান্ত ফুকন, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই শক্তি বিভাগৰ ২০২১-২০২২, ২০২২-২০২৩ আৰু ২০২৩-২৪বৰ্ষৰ বাবে অসম বিদ্যুৎ নিয়ামক আয়োগৰ (এ ই আৰ চি) বাৰ্ষিক প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ২২। মাননীয় মন্ত্ৰী শ্ৰীৰূপেশ গোৱালা।

**শ্ৰীৰূপেশ গোৱালা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই দি আসাম শ্ব'পছ্ এণ্ড এষ্টাব্লিছমেন্ট্ (এমেণ্ডমেন্ট্) অৰ্ডিনেন্স, ২০২৫ (২০২৫ চনৰ অসম অধ্যাদেশ নং VI) খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ২৩। মাননীয় উপাধ্যক্ষ ডাঃ নোমল মোমিন।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ সন্মতি সাপেক্ষে মই বিশেষাধিকাৰ সমিতি, অসম বিধান সভাৰ ৫২ তম প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ২৪। মাননীয় সদস্য শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য, (পূব গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ বিশেষাধিকাৰ সমিতিৰ ৫৩ তম প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ২৫। মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ ৯৩, ৯৪, ৯৫, ৯৬ আৰু ৯৭ তম প্ৰতিবেদন কেইখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ২৬। মাননীয় সদস্য শ্ৰীমৃণাল শইকীয়া।

**শ্ৰীমৃণাল শইকীয়া, (খুমটাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ আইন ৰূপায়ণ সমিতিৰ কেৰেলা ৰাজ্য ভ্ৰমণৰ ১০ তম প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ২৭। মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, I beg to move This house do elect one Member under the Proviosion of Rule 194 (30) read with Rule 260 (B) (1) of the Rules of Procedure and conduct of Business in Assam Legislative Assembly, from amongst its Members according to the principle of proportional representation by means of the single transfarable vote to the Committee on Public Undertakings, Assam Lrgislative Assembly to fill up the vacancy caused due to appointment of Shri Charan Boro, to the Council of Ministers, for the unexpired remaining period of the Committee.

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ২৮। মাননীয় বিত্ত মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, I beg to present the List Supplementary demand s for Grants and Supplementary Appropriation for 2025-2026.

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ২৯। মাননীয় মুখ্যমন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam prohibition of Polygamy Bill, 2025" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল বিধেয়ক খন উত্থাপন কৰাৰ সদনৰ সন্মতি আছেনে, যি সকল সদস্য/সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া মাননীয় মুখ্যমন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam prohibition of Polygamy Bill, 2025" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No- 30 again Hon'ble CM.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ **অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই** The Assam Police (Amendment) Bill, 2025 **সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।**

**মাননীয় অধ্যক্ষ ঃ এতিয়া প্ৰশ্নটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেবল চীফ মিনিষ্টাৰ ।**

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ **অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই** The

Assam Police (Amendment) Bill, 2025 সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 31, এতিয়া মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে অসম বিধান সভাৰ 'প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৬৯ (১) ৰ অধীনত " The Assam Goods and Services Tax (Second Amendment ) Ordinance,2025 " ৰ ওপৰত ব্যাখ্যামূলক টোকা সদনত দাখিল কৰিব। এতিয়া অনাৰেবল মিনিষ্টাৰ।

**Smti. Ajanta Neog, Minister ( Finance etc.) :** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ 'প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৬৯ (১) ৰ অধীনত " The Assam Goods and Services Tax (Second Amendment ) Ordinance,2025 " ৰ ওপৰত ব্যাখ্যামূলক টোকা সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 32, ৰাজভৱনৰ পৰা এটা বাণী আছে । বাণীটো হ'ল, Under the provision of Article -207 (1) of the Constitution of India - I sri Laxman Prasad Acharya, Governor of Assam recommend the introduction of The Assam Goods and Services Tax ( 2nd Amendment ) Bill- 2025 in The Assam Legislative Assembly.

এতিয়া মাননীয়া মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে " The Assam Goods and Services Tax (Second Amendment ) Bill, 2025 " বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**Smti. Ajanta Neog, Minister ( Finance etc.) :** অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই " The Assam Goods and Services Tax" ( 2nd Amendment ) Bill- 2025 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্নটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল ফাইনেন্স মিনিষ্টাৰ ।

**Smti. Ajanta Neog, Minister ( Finance etc.) :**অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই " The Assam Goods and Services Tax" ( 2nd Amendment ) Bill- 2025 সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 33 Hon'ble Minister Piyush Hazarika.

**শ্ৰীপিয়ুষ হাজৰিকা, মন্ত্ৰী, সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগ ইত্যাদি ঃ** মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ নিয়ম ৬৯ (১)ৰ অধীনতমটক অটোনোমাচ কাউন্সিল এমেণ্ডমেন্ট অৰ্ডিনেন্স ,২০২৫ ৰ ওপৰত ব্যাখ্যামূলক টোকা সদনত দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 34 Hon'ble Minister Piyush Hazarika.

**শ্ৰীপিয়ুষ হাজৰিকা, মন্ত্ৰী, সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মটক অটোনোমাচ কাউন্সিল এমেণ্ডমেন্ট বিল ,২০২৫ খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্নটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**শ্ৰীপিয়ুষ হাজৰিকা, মন্ত্ৰী, সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মটক অটোনোমাচ কাউন্সিল এমেণ্ডমেন্ট বিল ,২০২৫ খন সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 35 Hon'ble Minister Piyush Hazarika.

**শ্ৰীপিয়ুষ হাজৰিকা, মন্ত্ৰী, সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মৰাণ অটোনোমাচ কাউন্সিল এমেণ্ডমেন্ট অৰ্ডিনেন্স ,২০২৫ ৰ ওপৰত ব্যাখ্যামূলক টোকা সদনত দাঙি ধৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 36 Hon'ble Minister Piyush Hazarika.

**শ্ৰীপিয়ুষ হাজৰিকা, মন্ত্ৰী, সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মৰাণ অটোনোমাচ কাউন্সিল এমেণ্ডমেন্ট বিল ,২০২৫ সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**শ্ৰীপিয়ুষ হাজৰিকা, মন্ত্ৰী, সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মৰাণ অটোনোমাচ কাউন্সিল এমেণ্ডমেন্ট বিল ,২০২৫ সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 37 Hon'ble Minister Rupesh Goala.

**শ্ৰীৰূপেশ গোৱালা, মন্ত্ৰী, শ্ৰমিক কল্যাণ বিভাগ ইত্যাদিঃ** মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ নিয়ম ৬৯ (১)ৰ অধীনত দি আসাম শ্বপচ এণ্ড এষ্টাব্লিচমেন্ট এমেণ্ডমেন্ট অৰ্ডিনেন্স, ২০২৫ ৰ ওপৰত ব্যাখ্যামূলক টোকা সদনত দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 38 Hon'ble Minister Atul Bora.

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, কৃষি ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "দি আসাম এগ্ৰিকালচাৰেল প্ৰডিউচ এণ্ড লাইভষ্টক মাৰ্কেটিং ( প্ৰমোশ্যন এণ্ড ফেচিলিটেশ্যন এমেণ্ডমেন্ট বিল ,২০২৫ সদনত উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, কৃষি ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "দি আসাম এগ্ৰিকালচাৰেল প্ৰডিউচ এণ্ড লাইভষ্টক মাৰ্কেটিং ( প্ৰমোশ্যন এণ্ড ফেচিলিটেশ্যন এমেণ্ডমেন্ট বিল ,২০২৫ সদনত উত্থাপন কৰিলো ।

**माननीय अध्यक्ष ঃ** এতিয়া Item No- 39 Hon'ble Minister Kesab Mahanta.

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "দি আসাম সত্ৰ প্ৰিজাৰভেশ্যন এণ্ড ডেভেল'পমেন্ট কমিশ্যন বিল, ২০২৫ খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ ৰাখিলো ।

**माननीय अध्यक्ष ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "দি আসাম সত্ৰ প্ৰিজাৰভেশ্যন এণ্ড ডেভেল'পমেন্ট কমিশ্যন বিল, ২০২৫ খন সদনত উত্থাপন কৰিলো আৰু লগতে মই এটা কথা ক'ব বিচাৰো যে, বিলখন আমাৰ অসম চুক্তিৰ ক্লজ- ৬ মতে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশমতে তৈয়াৰ কৰিছো ।

**माननीय अध्यक्ष ঃ** এতিয়া Item No- 40 , Hon'ble Minister Dr. Ranoj Pegu.

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, শিক্ষা বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "দি ৰবীন্দ্ৰ নাথ টেগৰ ইউনিৰ্ভাচিটি (এমেণ্ডমেন্ট) বিল, ২০২৫ খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ ৰাখিলো ।

**माननीय अध्यक्ष ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, শিক্ষা বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "দি ৰবীন্দ্ৰ নাথ টেগৰ ইউনিৰ্ভাচিটি (এমেণ্ডমেন্ট) বিল, ২০২৫ খন সদনত উত্থাপন কৰিলো।

**माननीय अध्यक्ष ঃ** এতিয়া Item No- 41 , Hon'ble Minister Dr. Ranoj Pegu.

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, শিক্ষা বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "দি চ্যু-কা-ফা ইউনিৰ্ভাচিটি বিল, ২০২৫ খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ ৰাখিলো ।

**माननीय अध्यक्ष ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, শিক্ষা বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "দি চ্যু-কা-ফা ইউনিৰ্ভাচিটি বিল, ২০২৫ খন সদনত উত্থাপন কৰিলো।

**माननीय अध्यक्ष ঃ** এতিয়া Item No- 42 ৰাজভৱনৰ পৰা এটা বাণী আছে - বাণীটো হ'ল, Under the provision of Article -207 (1) of the Constitution of India - I sri Laxman Prasad Acharya, Governor of Assam recommend the introduction of The Assam Taxation Liquidation of Arrear Dues

( Amendment ) Bill- 2025 in The Assam Legislative Assembly. এতিয়া অনাৰেব্‌ল ফাইনেন্স মিনিষ্টাৰ ।

**Smti. Ajanta Neog, Minister ( Finance etc.) :** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam Taxation Liquidation of Arrear Dues ( Amendment ) Bill- 2025 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**Smti. Ajanta Neog, Minister ( Finance etc.) :** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam Taxation Liquidation of Arrear Dues ( Amendment ) Bill- 2025 সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No- 43 Hon'ble Minister Rupesh Goala.

**শ্ৰীৰূপেশ গোৱালা, মন্ত্ৰী, শ্ৰমিক কল্যাণ বিভাগ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "দি আসাম শ্বপচ এণ্ড এষ্টাব্লিচমেন্ট এমেণ্ডমেন্ট বিল, ২০২৫ খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে, যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া অনাৰেব্‌ল মিনিষ্টাৰ ।

**শ্ৰীৰূপেশ গোৱালা, মন্ত্ৰী, শ্ৰমিক কল্যাণ বিভাগ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "দি আসাম শ্বপচ এণ্ড এষ্টাব্লিচমেন্ট এমেণ্ডমেন্ট বিল, ২০২৫ খন সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া আমাৰ Supplementary আছে। Hon'ble Chief Minister.

**ড$^{0}$ হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ১৯৮৩ চনৰ অসমৰ নিৰ্বাচনৰ সংক্ৰান্তত বে-চৰকাৰী মেহতা ন্যায়িক তদন্ত আয়োগৰ প্ৰতিবেদন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ Item No. 2। Hon'ble Chief Minister.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃমাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Fire and Emergency Sevice Bill, 2025 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰস্তাৱটো হ'ল, বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছে নে? যিসকল সপক্ষে আছে কওঁক, হয়, যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। Hon'ble Chief Minister.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Fire and Emergency Sevice Bill, 2025" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 3 মাননীয় মন্ত্রী শ্রী কেশৱ মহন্ত।

**শ্রী কেশৱ মহন্ত, মাননীয় মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে, "The Indian Stamp Act (Amendment) Act, 2025" উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে? যিসকল সপক্ষে আছে কওঁক, হয়, যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। Hon'ble Minister.

**শ্রী কেশৱ মহন্ত, মাননীয় মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে, "The Indian Stamp Act (Amendment) Act, 2025" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্রী শ্রী কেশৱ মহন্ত।

**শ্রী কেশৱ মহন্ত, মাননীয় মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Registration (Assam Amendment Bill, 2025)" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে? যিসকল সপক্ষে আছে কওঁক, হয়, যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। Hon'ble Minister.

**শ্রী কেশৱ মহন্ত, মাননীয় মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Registration (Assam Amendment Bill, 2025) সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 5 Hon'ble Minister.

**শ্রী কেশৱ মহন্ত, মাননীয় মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam District Land Tribunal Bill, 2025 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে? যিসকল সপক্ষে আছে কওঁক, হয়, যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। Hon'ble Minister.

**শ্রী কেশৱ মহন্ত, মাননীয় মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam District Land Tribunal Bill, 2025 সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 6. Hon'ble Minister Shri Keshab Mahanta.

**শ্রী কেশৱ মহন্ত, মাননীয় মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam Fixation of Ceiling on Land Holdings (Amendment) Act, 2025". এইখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে? যিসকল সপক্ষে আছে কওঁক, হয়, যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। Hon'ble Minister.

**শ্রী কেশৱ মহন্ত, মাননীয় মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Fixation of Ceiling on Land Holdings (Amendment) Act, 2025. এইখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো আৰু লগতে জনাও এই Amendment Bill খনে আমাৰ চাহ বাগিচাৰ

Labour line ৰ সকলো লোকক মাটি পট্টা দিয়াৰ ব্যৱস্থা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** Item No. 7. Hon’ble Minister Shri Krishnandu Paul.

**শ্ৰী কৃষ্ণেন্দু পাল, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই Prevension of Quality to Animals (Assam Amendment Bill), 2025. সদনত উপস্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ’ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে? যিসকল সপক্ষে আছে কওঁক, হয়, যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ’ল। Hon’ble Minister.

**শ্ৰী কৃষ্ণেন্দু পাল, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই Prevension of Quality to Animals (Assam Amendment Bill), 2025. সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No.8. Hon’ble Minister Shri Jogen Mohan.

**শ্ৰী যোগেন মোহন, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই , “The Assam Co-operative Societies (Amendment) Bill, 2025” সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ’ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে? যিসকল সপক্ষে আছে কওঁক, হয়, যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ’ল। Hon’ble Minister.

**শ্ৰী যোগেন মোহন, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই , “The Assam Co-operative Societies (Amendment) Bill, 2025” সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 9. Hon’ble Parliamentary Affairs Minster.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে এই সদনৰ বিশেষাধিকাৰ ভংগৰ প্ৰতি জড়িত সমিতিত ৫৩ নম্বৰ প্ৰতিবেদনখন বিবেচনাৰ বাবে গ্ৰহণ কৰক। যিটো নেকি উল্লেখিত কাৰণত উদ্ভৱ হৈছে। ১ নম্বৰ মাননীয় সদস্য শ্ৰী নুৰুল হুদা ডাঙৰীয়াই বিধান সভাৰ চৌহদত মাননীয় উপাধ্যক্ষ ডাঙৰীয়াক শাৰীৰিকভাৱে অপদস্ত কৰাৰ তথা সদনত প্ৰবেশ কৰাত তেখেতক বাধা প্ৰদান কৰা। ২ নম্বৰ মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী ডাঙৰীয়াই সদনত মাননীয় উপাধ্যক্ষ গৰাকীৰ বিৰুদ্ধে কৰা কটু আৰু অপমানজনক মন্তব্যৰ লগতে উপাধ্যক্ষ গৰাকীক সদনৰ বাহিৰত কৰা ৰাজহুৱা সমালোচনাৰ পৰিপ্ৰেক্ষিতত বিশেষাধিকাৰ সমিতিলৈ প্ৰেৰণ কৰা বিষয়টোৰ সন্দৰ্ভত বিশেষাধিকাৰ সমিতিয়ে সদনত দাখিল কৰা ৫৩ তম প্ৰতিবেদনখন গ্ৰহণ কৰক।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে আগবঢ়োৱা প্ৰস্তাৱটো ভোটৰ বাবে দাঙি ধৰিলো। প্ৰস্তাৱটো হ’ল যে, প্ৰস্তাৱটো গৃহীত কৰা হওঁক। যিসকল সপক্ষে আছে কওঁক, হয়, যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ’ল।

**শ্ৰী আব্দুল ৰচিদ মণ্ডল , পশ্চিম গোৱালপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, Privilege Committee য়ে দাখিল কৰা প্ৰতিদেন আৰু সেই সংক্ৰান্তত চৰকাৰে লোৱা সিদ্ধান্ত আমি কংগ্ৰেছ

বিধায়িনী দলৰ পৰা আপত্তি কৰিছো আৰু এই আপত্তিৰ কাৰণে আজি সদনত যাক অভিযুক্ত কৰা হৈছে আমাৰ দলৰ।

**মাননীয় অধ্যক্ষ** ঃ অভিযুক্ত বুলি ক'ব নাপায়।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো অভিযোগ নুৰুল হুদা ডাঙৰীয়াৰ ওপৰত আনিছে, অপদস্ত কৰা শাৰিৰীকভাৱে। ইয়াৰ আগতে যেতিয়া পবিত্ৰ বিধান সভাত কথাটো উত্থাপন হৈছিল, আমি কৈছিলো যে Video টো দেখাই দিয়ক। কোনো ধৰণে শ্ৰী নুৰুল হুদা ডাঙৰীয়াই উপাধ্যক্ষ ডাঙৰীয়াক শাৰীৰিক ভাৱে প্ৰহাৰ কৰা নাই, অপদস্ত কৰা নাই আৰু এই কথাটো video ৰ জৰিয়তে যিহেতু গোটেই মাননীয় অধ্যক্ষ ডাঙৰীয়া house ৰ চাৰিওফালে বাহিৰত ভিতৰত camera, cctv আছে, সেই video খিনি উলিয়াই দিয়ক। গতিকে এজন কোনো নিৰপৰাধী মানুহে দোষ কৰা নাই, তেওঁৰ ওপৰত এনেকুৰা সিদ্ধান্ত আমি মানি নলওঁ। Video টো দেখাই দিয়ক। কিবা এটা প্ৰমাণ লাগিব। কিবা এটা সিদ্ধান্ত কাৰোবাৰ ওপৰত লোৱাৰ লগে লগে নহ'ব। তাৰ প্ৰমাণ কি আছে? শাৰীৰিকভাৱে অপদস্ত কৰিছে তাৰ প্ৰমাণ কি আছে? শাৰীৰিকভাৱে অপদস্ত কৰিছে তাৰ প্ৰমাণ ক'ত আছে?

**শ্ৰী ৰাজেদ আলী চৌধুৰী,**ঃ চাৰ, সেইদিনা আমিও আছিলো তাত। কিন্তু তেনেধৰণৰ কোনো ঘটনা সেইদিনা সংঘটিত হোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ Already report Privilege Committee য়ে দাখিল কৰিছে।

**শ্ৰী ৰাজেদ আলী চৌধুৰী**, ঃ Privilege Committee কৰিছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ কিন্তু কিহৰ ভিত্তিত কৰিছে। পুনৰ বিবেচনা কৰিব লাগিব। Report কিহৰ ভিত্তিত কৰিছে? মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইটো পুনৰ বিবেচনা কৰিব লাগিব। কোনো দোষ নথকাকৈ মানুহ এজনৰ ওপৰত এনেকুৰা সিদ্ধান্ত লোৱাটো কেতিয়াও মানি লোৱা নহয় আৰু আমি কংগ্ৰেছ বিধায়িনী দলৰ পৰা এইটো কেতিয়াও মানি নলওঁ। গতিকে অধ্যক্ষ ডাঙৰীয়া আপুনি হস্তক্ষেপ কৰি পুনৰ বিবেচনা কৰিব লাগিব।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাক ভিডিঅ'টো দেখুৱাই দিয়ক। যিয়ে কোনো দোষ কৰা নাই, তেওঁৰ ওপৰত কোনো সিদ্ধান্ত আমি মানি নলওঁ।

.......interruption ........

**মাননীয় অধ্যক্ষ মহোদয় ঃ** আৰু কোনোবাই ক'ব নেকি?

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোনো এটা সিদ্ধান্ত কাৰোবাৰ ওপৰত ল'লেই নহ'ব। শাৰীৰিকভাৱে যে অপদস্থ কৰিছে তাৰ কি প্ৰমাণ আছে?

.......interruption ........

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইদিনা আমিও তাত আছিলো। কিন্তু তেনেধৰণৰ কোনো ঘটনা সেইদিনাখন ঘটা নাই। গতিকে এইটো এজন সদস্যক.......interruption ........

**মাননীয় অধ্যক্ষঃ** ইতিমধ্যে বিশেষাধিকাৰ সমিতিয়ে ৰিপোৰ্ট দাখিল কৰিছে .......interruption ........

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিহৰ ভিত্তিত ৰিপোৰ্ট দাখিল কৰিছে, তেওঁলোকৰ তথ্য-প্ৰমাণ কি আছে?......interruption ........ নুৰুল হুদা ডাঙৰীয়াক দোষী কৰিছে। কিন্তু কিহৰ বাবে দোষী কৰিছে?......interruption ........ অধ্যক্ষ

মহোদয়, কিহৰ বাবে তেওঁক দোষী কৰিছে? এই বিষয়টো পুনৰ বিবেচনা কৰিব লাগে। কোনো দোষ নথকাকৈ মানুহ এজনৰ ওপৰত এনে সিদ্ধান্ত লোৱাটো মানি লোৱা নহয়। আমি কংগ্ৰেছ বিধায়নী দলৰ পৰা এইটো কেতিয়াওঁ মানি নলওঁ। সেয়ে আপুনি বিষয়টোত হস্তক্ষেপ কৰি পুনৰ বিবেচনা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই ক'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে এই সদনে বিশেষাধিকাৰ সমিতিৰ ৫৩ নং প্ৰতিবেদন বিবেচনা কৰি য'ত সমিতিয়ে গোচৰৰ সাক্ষ্য আৰু পৰিস্থিতি পৰীক্ষা কৰাৰ পিছত লক্ষ্য কৰিছে যে মাননীয় সদস্য শ্ৰী নুৰুল হুদাৰ দ্বাৰা মাননীয় উপাধ্যক্ষক সদনৰ চৌহদৰ ভিতৰত দুৰ্ব্যৱহাৰ কৰা আৰু তেওঁক সদনত প্ৰৱেশ কৰাত বাধা আৰোপ কৰা কাৰ্য্য আৰু শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াক সদনৰ ভিতৰত মাননীয় উপাধ্যক্ষৰ বিৰুদ্ধে অপমানজনক মন্তব্য কৰা আৰু সদনৰ বাহিৰত ৰাজহুৱাভাৱে সমালোচনা কৰা কাৰ্য্যই সদনৰ বিশেষাধিকাৰ ভঙ্গ কৰে আৰু সমিতিয়ে পৰামৰ্শ দিছে যে দুয়োজন সদস্যক বৰ্তমান অধিৱেশনৰ বাকী সময়ছোৱাৰ বাবে সদনৰ কাৰ্য্য বিধিৰ সেৱাৰ পৰা নিলম্বিত কৰা হওঁক। এই সদনে উক্ত প্ৰতিবেদনত থকা পৰামৰ্শ সমূহৰ সৈতে একমত হয় আৰু সিদ্ধান্ত গ্ৰহণ কৰে যে শ্ৰী নুৰুল হুদা আৰু শ্ৰী শ্বেৰমান আলী আহমেদক বৰ্তমান শীতকালীন অধিৱেশনৰ বাকী সময়ছোৱাৰ বাবে সদনৰ পৰা নিলম্বিত কৰা হওঁক।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,আমি ইয়াৰ বিৰোধিতা কৰিছো। আমাক ভি ডি অ' দেখুৱাই দিয়ক। ইয়াত আমি মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ হস্তক্ষেপ বিচাৰিছো। ইয়াত অন্যায় কৰা হৈছে আৰু অন্যায় কৰি সিদ্ধান্ত লোৱা হৈছে। এইটো কেতিয়াও মানি লোৱা নহয়। ইয়াৰ তথ্যখিনি ৰাজহুৱা কৰিব লাগে। আমি ইয়াৰ বিৰোধিতো কৰিছো। নুৰুল হুদা ডাঙৰীয়াই কেতিয়াওঁ আইন ভঙ্গ কৰা নাই।

......interruption ........

**মাননীয় অধ্যক্ষ ঃ** মই সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে আগবঢ়োৱা প্ৰস্তাৱটো উত্থাপন কৰিলো। প্ৰশ্নটো হ'ল- যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে

তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে,
তেখেত সকলে কওঁক নহয়,
মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

......interruption ........

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, সদনে আজি যি ৰায় গ্ৰহণ কৰিছে, মই সেইটো মানি লৈছো। কিন্তু অশালীন ......interruption ........

**মাননীয় অধ্যক্ষ ঃ** সদন ২৬-১১-২০২৫ তাৰিখৰ ৰাতিপুৱা ৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।